# কানৈয়ান

ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৬২ তম্ প্ৰকাশ, ২০১০-২০১১ বৰ্ষ





সম্পাদিকা
অংশুমালী চেতিয়া

# কানৈয়ান

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আলোচনী

## ৬২তম্ প্ৰকাশ - ২০১০-১১

প্ৰতি,

.....................................................................................................

.....................................................................................................

# কানৈয়ান

**KANOIAN** : The 62th Annual Journal of D. H. S. K. College of the session 2010- 11, edited by **Anshumali Chetia** : Published by D. H. S. K. College Students' Union Society and Printed at **Swadhinata Offset,** K. C. Gogoi Path, Near Kanoi Boy's hostel, Dibrugarh - 01

## সম্পাদনা সমিতি

তত্বাৱধায়ক অধ্যাপক ঃ
ড° মধুমিতা পুৰকায়স্থ

সম্পাদক ঃ
শ্ৰীমতী অশুংমালী চেতিয়া

উপদেষ্টা ঃ
ৰূপালীম ঠাকুৰ
অদিতি কোঁৱৰ

সদস্য-সদস্যা ঃ
পপী বুঢ়াগোঁহাই
দিপালী বৰুৱা

বেটুপাত ঃ
বিভূতি ভূষণ বৰুৱা

অলংকৰণ ঃ
বিভূতি ভূষণ বৰুৱা

অংগসজ্জা ঃ
পৰাগ বৰুৱা
দিপালী বৰুৱা
অশুংমালী চেতিয়া

ডি. টি. পি.
পৰাগ বৰুৱা
চিত্ৰ সোনোৱাল

মুদ্ৰণ ঃ
স্বাধীনতা অফছেট্
কে. চি. গগৈ পথ, কানৈ কলেজ সমীপত
গাভৰুপথাৰ, ডিব্ৰুগড়- ০১
দূৰভাষ ঃ ৯৯৫৭৩৩৩৬০৭, ৯৯৫৭৮৯৭৯৫১

## কৃতজ্ঞতাৰ শৰাই ঃ-



- মাননীয় অধ্যক্ষা ড° ৰাজী কোঁৱৰ বাইদেউলৈ
- মাননীয় প্ৰাক্তন অধ্যক্ষ ড° জয়কৃষ্ণ মহন্ত দেৱলৈ
- বিশিষ্ট শিক্ষাবিদ, নাট্যকাৰ মুনীন শৰ্মা দেৱলৈ
- এই সংখ্যাৰ কানৈয়ানৰ তত্বাৱধায়িকা ড° মধুমিতা পুৰকায়স্থ বাইদেউলৈ।
- আলোচনীৰ বিভাগীয় উপদেষ্টা ৰূপালীম ঠাকুৰ আৰু অদিতি কোঁৱৰ বাইদেউলৈ।
- কানৈয়ানক হৃদয়ৰ নিৰ্যাসেৰে সিক্ত কৰা প্ৰতিজন লেখক-লেখিকালৈ।
- বেটুপাতৰ শিল্পী বিভূতি ভূষণ বৰুৱা আৰু সদস্যা পপী বুঢ়াগোঁহাইলৈ।
- স্বাধীনতা অফচেটৰ সমূহ কৰ্মকতালৈ।
- সদৌ শেষত, শত-সহস্ৰ 'কানৈয়ান'ৰ শুভাকাংক্ষীলৈ।

সম্পাদিকা

কানৈয়ানৰ প্ৰাঙ্গণত

# আহ্বান

'হে নতুন প্ৰজন্ম আঁহা আমি প্ৰতিজ্ঞাবদ্ধ হওঁ,
এই বিবেক শূন্য সমাজখনৰ পৰা হত্যা,
হিংসা, ধৰ্ষণ আদি বিবেকহীনতাৰ
লেতেৰাবোৰ এজাক নিৰ্মল মানৱীয়
প্ৰমূল্যবোধৰ বৃষ্টিৰ জৰিয়তে ধুৱাই নি মানৱীয়
অস্তিত্ব ৰক্ষা কৰো।

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
**H. O. - GAUHATI UNIVERSITY, GUWAHATI - 781014**


প্ৰসঙ্গ.........................  দিনাংক ঃ.........................

## শুভেচ্ছা বাণী

ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক পত্ৰিকাৰ চলিত সংখ্যাটি প্ৰকাশৰ বাবে ব্যৱস্থা লোৱা বুলি জানিব পাৰি আনন্দিত হলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, আৰ্থ-সামাজিক, বৌদ্ধিক, সাংস্কৃতিক লগতে বিভিন্ন জ্ঞান, অভিজ্ঞতা, অনুভৱ আৰু মহাবিদ্যালয়ৰ গৌৰৱ প্ৰকাশৰ অন্য এক মাধ্যম হৈছে মহাবিদ্যালয়ৰ আলোচনীখনি। সেয়েহে আলোচনীখনৰ প্ৰতিটো দিশেই ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ গৌৰৱ সকলোৰে বাবে মনোগ্ৰাহী আৰু এক বাস্তৱ প্ৰতিচ্ছবিৰ এই আলোচনীৰ জৰিয়তে মূল্যাঙ্কন হ'ব বুলি আশা কৰিলো। আলোচনীখনিৰ লগত জড়িত সকলোলৈকে শুভেচ্ছা জনালোঁ।

বিনীত -

(শংকৰপ্ৰসাদ ৰায়)
সভাপতি

(তপন কুমাৰ গগৈ)
সাধাৰণ সম্পাদক

সদৌ অসম ছাত্ৰ সন্থা

OFFICE OF THE PRINCIPAL
DIBRUGARH H. S. KANOI COLLEGE
P. O. DIBRUGARH - 786 001

## MESSAGE

Kanoian, Vol. 62 is ready for publication. I extend my sincere good wishes towards the creative endeavours of the students of Dibrugarh Hanumabbux Surajmal Kanoi College encapsulated in the volume. This institution has been esteemed as a premiere seat of learning and has turned out scholars, writers and litterateurs of repute. Literature or the written word represents life from the multidimensional prespective of creative writers. The youth of a nation need to respond various contemporary issues and articulate the same through intellectual platforms. The students' magazine provides one such platform for articulation of contemporary concerns while offering an opportunity for the blossoming of creative potential of the Kanoians. I sincerely beliveve that the students of Kanoi College have put in their best efforts to ensure the qualitative excellence of the magazine. I hope that Kanoian shall be able to capture the essence of the kaleidoscopic vibrancy of students' educative journey and their experience in college that acts as a formative influence in shaping their future.

R. Konwarh

(Dr. Rajee Konwarh)
Principal
D.H.S.K. College
Dibrugarh

# যাৰ নেতৃত্বত আমি খোজ দিছো আগলৈ...



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ৰাজী কোঁৱৰ



মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা একাংশ



অধ্যাক্ষা মহোদয়াসহ মহাবিদ্যালয়ৰ সহায়ক আৰু অন্যান্য কৰ্মচাৰী সকল



কানৈয়ানৰ এই সংখ্যাৰ সম্পাদনা সমিতি

# ২০১০-১১ বৰ্ষত আয়োজিত বিভিন্ন অনুষ্ঠানৰ একাংশ দৃশ্য

















# ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



সন্দিপন গগৈ
সাধাৰণ সম্পাদক



ডেভিদ ৰাজখোৱা
সহকাৰী সাধাৰণ সম্পাদক



কৃষ্ণনাৰায়ন বৰুৱা
উপ-সভাপতি



শান্তনুকৌশিক গগৈ
মুখ্য খেল বিভাগৰ সম্পাদক



অংশুমালী চেতীয়া
আলোচনী বিভাগৰ সম্পাদিকা



পংকজ কোঁৱৰ
শৰীৰচৰ্চা বিভাগৰ সম্পাদক



দিপালী বৰুৱা
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা



দিপাংকৰ দত্ত
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক



জোনমণি শেনচোৱা
সাংস্কৃতিক বিভাগৰ সম্পাদিকা



চিত্ৰৰঞ্জন সোনোৱাল
সংগীত বিভাগৰ সম্পাদক



ভৰেন দাস
সাধাৰণ খেল বিভাগৰ সম্পাদক

# সময় বালিত এখোজ...



সাজপাৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ আৰু শ্ৰেষ্ঠা প্ৰতিযোগীৰ সৈতে কেইগৰাকীমান প্ৰৱক্তা



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ বিহুৱা দল



মহাবিদ্যালয়ৰ এন. চি. চি ৰ দল



মহাবিদ্যালয়ৰ এন. চি. চি. ৰ প্ৰশিক্ষনৰত অৱস্থাত



আন্তঃ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ গীতাৰ বাদক কৃষ্ণনাৰায়ন বৰুৱা

# সূচীপত্ৰ


| | | |
|---|---|---|
| 'ছবি, শিক্ষক আৰু সমাজ' — কৰ্তব্য আৰু ভূমিকা | ১ | ড °জয়কৃষ্ণ মহন্ত |
| মাধৱদেৱৰ নাটক | ৪ | ড° উষাৰাণী বৰুৱা |
| সংস্কাৰোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি ঃ এক চমু পৰ্যালোচনা | ১০ | ড° আতিকুদ্দিন আহমেদ |
| Depletion of Stratospheric Ozone, its grim consequences and global response | ১২ | Dr. Bharati Dutta |
| Assamese struggle for Swaraj | ১৫ | Tintus Bhugra |
| THE ENGULFING TENTACLES OF THE MONSTER IN INDIA | ১৮ | Runjun Borah |
| GEO - WARNING ........... | ২২ | Himangshu Bailung |
| My experience in NCC | ২৫ | Suo Pappu Thakur |
| To have a successful life | ২৬ | Tulbul Gogoi |
| Dadabhai naoroji -The Grand oid Man of India | ২৭ | Sukalyan Chetia |
| Work at Progress | ২৮ | Jibon |
| The Poor Little Rag Pickr Girl | ২৯ | ........... |
| Sankhya 20 "Making a puppet threatre" | ৩১ | ........... |
| গদ্যলেখক হিচাপে লক্ষ্মীনাথ বেজবৰুৱা | ৩২ | পংকজ শইকীয়া |
| বৰ্তমানৰ শিক্ষা ঃ এক চমু আৰু কেতবোৰ প্ৰশ্ন | ৩৩ | খিলনজ্যোতি ধাদুমীয়া |
| কোন বাটেদি অসমীয়া যুব শক্তি গমন | ৩৫ | চম্পল সোনোৱাল |
| অসমীয়া গাঁৱলীয়া সমাজ আৰু শিক্ষা ব্যৱস্থাত মদৰ কু-প্ৰভাৱ | ৩৭ | ৰমনদীপ গগৈ |
| ছবি অঁকা বিজ্ঞানী-লিওনাৰ্দো দা-ভিঞ্চি | ৩৮ | মিচ্ মনালিচা গগৈ |
| সংক্ষেপতে বিশ্বব্ৰহ্মাণ্ড | ৪০ | ইন্দুকল্প দিহিঙীয়া |
| মোৰ কাৰ্নে হোষ্টেল | ৪২ | পপী বুঢ়াগোহাঁই |
| নাম-খুন্ (দিচাং) এক নষ্টালজিক অনুভৱ | ৪৫ | বেদান্ত বিকাশ গগৈ |
| দুধাৰি অশ্ৰুৰ লগতে স্মৃতিসহ অনুভূতিৰ .. এক বিশাল টোপোলা | ৪৭ | ৰিস্মৃতা কুমাৰ |
| আত্মকথন-বৰ্ষামুখৰ এটি উদাৰ কবিতা | ৪৮ | সৌৰভ গাৰ্গ |
| প্ৰেম-ভালপোৱা আৰু ঠগ-প্ৰবঞ্চনা | ৫০ | ৰমনদীপ গগৈ |
| জামুৰ গছজোপা | ৫১ | কৃষ্ণকান্ত বৰদলৈ |
| স্বপ্নভংগ | ৫৫ | ভূৱন জ্যোতি বৰুৱা |
| অপেক্ষাটো মৃত্যুৰ নাছিল | ৬১ | জয়ন্ত গগৈ |
| মানুহ আৰু অমানুহ | ৬৫ | ঋতুপৰ্ণ ভূঞা |
| 'বিলাপ' আৰু 'বিধাতা' | ৬৬ | সুকল্যাণ চেতিয়া |

| | | |
|---|---|---|
| মৃত্যুৱে সৃষ্টি কৰা এটি জীৱন | ৬৭ | পল্লৱী গোহাঁই |
| প্ৰতিক্ষাৰ অন্তত | ৭০ | বন্তী সোনোৱাল |
| ভাড়াঘৰ | ৭২ | সুদৰ্শন গগৈ |
| মৃত্যু এটি ক্ষণিকৰ ধুমুহাহে | ৭৪ | পৰাগমণি বুঢ়াগোহাঁই |
| গ্ৰন্থ, গ্ৰন্থাগাৰ আৰু পঢ়ুৱৈ | ৭৬ | নিৰদা দত্ত |
| সপ্তাচৰ্য - মাছু - পিছু | ৭৯ | মনোৰঞ্জন হাজৰিকা |
| মুনীন শৰ্মা ছাৰৰ সৈতে অন্তৰংগ আলাপ | ৮০ | অংশুমালী চেতিয়া |
| ড° জয়কৃষ্ণ মহন্ত ছাৰৰ সৈতে অন্তৰংগ আলাপ | ৮২ | অংশুমালী চেতিয়া |
| ড° উষাৰাণী বৰুৱা বাইদেউৰ সৈতে অন্তৰংগ আলাপ | ৮৪ | অংশুমালী চেতিয়া |
| **কবিতা সম্ভাৰ** | | |
| "নষ্টালজিয়াৰ কানৈ কলেজ" | ৮৮ | সৌৰভ গাৰ্গ |
| বৰষুণ | ৮৯ | দিপাঙ্কৰ কৌশিক শইকীয়া |
| দুখবোৰ | ৯০ | অংশুমালী চেতিয়া |
| কলেজীয়া আড্ডা নষ্ট গদ্য | ৯০ | প্ৰাঞ্জল প্ৰতীম শৰ্মা |
| দিচাং নষ্টালজিয়া মোৰ | ৯১ | সুমনা দুৱৰি |
| সোৱণশিৰিৰ পাৰৰ মোৰ ঘৰখন | ৯২ | বেদান্ত বিকাশ গগৈ |
| বিড়িকীৰ মাজেৰে ব্ৰহ্মপুত্ৰ | ৯২ | সঞ্জয় গগৈ |
| ভালপোৱাত বিশ্চেদৰ অনুভৱ | ৯৩ | বীথিকা কাশ্যপ |
| এটি কবিতাৰ জন্ম কাহিনী | ৯৩ | পৰশা গগৈ |
| অ' অচিনাকী বাটৰুৱা | ৯৪ | দীক্ষামণি কুলি |
| সময় | ৯৪ | স্মৃতিৰেখা গগৈ |
| তোমাৰ বাবে | ৯৫ | ইন্দু কল্প দিহিঙীয়া |
| তোমাৰ স্মৃতিয়ে | ৯৫ | চম্পল সোনোৱাল |
| হৃদয়ত এক অসহ্য যন্ত্ৰনা | ৯৬ | পৰশমণি বুঢ়াগোঁহাই |
| আঘোনতে আহিব | ৯৬ | তিলক ডেকা |
| মই | ৯৭ | ফটিক নেওঁগ |
| স্বাধীনতা | ৯৭ | প্ৰিয়ংকা দেউৰী |
| Memories with you | ৯৮ | Phoni Chakma |
| FAITH | ৯৮ | HIMANGSHREE BAILUNG |
| অভিমান্যু (নাটক) | ৯৯ | প্ৰদীপ বড়া |
| কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলৰ প্ৰতিবেদন | ১০৪ | |

# সম্পাদকীয়



'সৃষ্টিৰ দিনাৰে পৰা নিয়তিৰ স'তে হেৰা
মানুহৰ সংগ্ৰাম অক্ষয়,
আমি তাৰ স্তম্ভ সোঁৱৰাই মানুহৰ
বীৰ্য আৰু নিয়তিৰ জয়"

বিধাতাৰ সৃষ্টি সৰ্বশ্ৰেষ্ঠ জীৱ মানৱৰ মন কল্পনাৰে ভৰা। জীয়াই থকাৰ দুৰ্বাৰ আকাঙ্খাৰ মাজত আছে সৌন্দৰ্যৰ প্ৰতি মোহ। এই মোহতাক ম্লান কৰিবৰ বাবে চেষ্টা কৰে ৰোগ, ব্যাধি আৰু প্ৰাকৃতিক দুৰ্যোগকে ধৰি বিভিন্ন বাধা বিঘিনিয়ে। এই বিলাকৰ বিৰুদ্ধে মানৱে অপাৰ সংগ্ৰাম কৰিব লগা হয়। প্ৰকৃতিৰ সৈতে সৃষ্টিৰ আদিৰে পৰা মানৱ সংগ্ৰামৰ যি অসীম বীৰ্য, তাৰ স্মৃতিস্তম্ভ যুগ যুগ ধৰি পৃথিৱীৰ বুকুত অক্ষয় কীৰ্তি হৈ ৰৈ গৈছে। মানুহৰ কৰ্মশক্তিৰে জীৱন সংগ্ৰামত বীৰদৰ্পে যুঁজি মানৱ পৰিচয় দিব পৰাটোৱেই জীৱনৰ সাৰ্থকতা। কিন্তু ক্ষুদ্ৰ ব্যক্তিস্বাৰ্থ আৰু বিচ্ছিন্নতাবাদী মনোভাৱে, আমাৰ সমাজক কিমান তললৈ নমাই নিছে তাৰ বিষয়ে সমীক্ষা চলোৱাৰ আৱশ্যক নাই। প্ৰত্যেক চুবুৰিৰ পৰা আৰম্ভ হোৱা এই ভয়াৱহ আদৰ্শই, অসমৰ সমাজ জীৱনৰ গাঁঠনি থৰক-বৰক কৰি পেলাইছে। শিক্ষিত মানুহৰ সমাজবোৰ বিবেকশূণ্য হৈ পৰিছে। অৱশ্যে সমস্ত বিশ্ব প্ৰকৃতিৰ এটা অদৃশ্য নিয়ম-শৃংখলাৰ অধীন। মানুহৰ জীৱন সুন্দৰকৈ গঢ়িবলৈ, মধুময় কৰিবলৈ সৰ্বাঙ্গে প্ৰয়োজন শৃখলাবোধ। সেয়েহে মানৱ সভ্যতাৰ অৱস্থান, লক্ষ্য বা উদ্দেশ্য কি বুলিলে, 'আমি জীৱ শ্ৰেষ্ঠ' বুলি গগন-ফলা গৰ্বিত মানৱৰ পৰা নিশ্চয় সমাধান আহিব, আমাৰ অৱস্থান, ধন, জন, ক্ষমতা তথা উচ্চ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে পুষ্ট একবিংশ শতিকাৰ এক উজ্জ্বল পুৱাত। আমাৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল এই বিশাল বিশ্বৰ প্ৰতিটো প্ৰান্তত মানৱ বিজয়ৰ ধ্বজা উৰুওৱা। প্ৰকৃতি তথা যিকোনো অজান শত্ৰুৰ পৰা অহা প্ৰত্যাহ্বান ভৰিৰে মোহাৰি, মানৱ জাতিক অমৰত্ব প্ৰদান কৰা। কিন্তু নিজা সৃষ্টি শক্তিত অটল বিশ্বাসী প্ৰতিজন সভ্যই জনা উচিত, আমি ক'লৈ গৈ আছো? এই বিশ্বৰ কোন প্ৰান্তত আমি থিয় দি আছো? সেইটো জনাটো বেছি গুৰুত্বপূৰ্ণ কথা নহয়। আমি কোন দিশে গৈ আছো সেইটো জনাটোহে বেছি গুৰুত্বপূৰ্ণ কথা।

অতীজৰে পৰা প্ৰচলিত হৈ অহা অতি প্ৰাচীন বিৱৰণ বোৰত আমি যথেষ্ট নিদৰ্শন দেখিবলৈ পাঁও যে নীতিশাস্ত্ৰৰ সাধাৰণ জ্ঞান বিচাৰ তথা ধাৰণা মানৱতাৰ মহানুভৱ; নৈতিকতাৰ স্বীকৃত মান আৰু সেইবোৰৰ পৰা উদ্ভৱ হোৱা আচৰণ, বৰ্তমান প্ৰচলিত আচৰণতকৈ বহুগুণে উৎকৃষ্ট আছিল। পৃথিৱীৰ সকলোতে বিৰাজ কৰিছিল দয়া, ক্ষমা, প্ৰেম, ভক্তি, সংযম, সত্যবাদিতা, নিস্বাৰ্থতা, মানৱতাবোধ আদি সনাতন সৌন্দৰ্য। যিয়েনেকি পৃথিৱীখনক ৰঙীণ আভাৰে আলোকিত কৰিছিল। কিন্তু এই ৰঙীণ পৃথিৱীত আজি দয়া, ক্ষমা, নিস্বাৰ্থতা, মানৱতাবোধ লোপ পাইছে। ইয়াৰ ঠাইত

# সম্পাদকীয়

খোপনি পুতিছে হত্যা, সন্ত্ৰাস, ধৰ্ষণ, বিস্ফোৰণ আদি অনৈতিক কাৰ্যই।

অতীতক বাদ দি যিদৰে বৰ্তমান হব নোৱাৰে, তেনেদৰে পুৰণিক বাদ দি কেৱল নতুনেৰেই একো কৰিব নোৱাৰি। কিন্তু আওপুৰণি চিন্তা, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ প্ৰভাৱৰ পৰা আমি মুক্ত হ'বই লাগিব। নতুন প্ৰজন্মৰ এচাম যুৱক-যুৱতীৰ দুই নাওত দুই ভৰিৰ দৰে অৱস্থা। এনে দুদোল্যমান অৱস্থাই নতুন প্ৰজন্মক এটা নতুন বোঁৱতী-সুঁতিত পৰিণত কৰিছে, যাৰ এটা পাৰত হৈছে নৈতিক অৱক্ষয় আৰু আনটো পাৰত তৰপে তৰপে জমা হৈছে মানৱীয় মূল্যবোধ, অধ্যৱসায়, পুৰণিৰ অৱলম্বনত নতুন চিন্তা। নতুন প্ৰজন্মৰ এটা ক্ষুদ্ৰ ভাগে আধুনিক চিন্তাৰে অগ্ৰসৰ হৈছে আৰু তাত সফলো হৈছে। ইয়াৰ বৃহৎ অংশটোত মূলতঃ আছে চিন্তাৰ দৈন্য, অপৰাধ প্ৰৱনতা, কৰ্ম বিমুখতা আৰু ৰাগিয়াল দ্ৰব্যৰ প্ৰতি আসক্তি।

এইবোৰৰ পৰা দেখা যায় যে পৃথিৱীখন ভৰি পৰিছে বিবেকহীনতাৰ লেতেৰা আৱৰ্জনাৰে। এই আৱৰ্জনাবোৰ ধোঁৱাই নিবলৈ প্ৰয়োজন হৈছে, এজাক বৃষ্টিৰ, মানৱীয় প্ৰমূল্যবোধৰ। নহলে মানুহৰ পৃথিৱীত এদিন মানুহৰ অস্তিত্ব নোহোৱা হ'ব।

গতিকে নৱপ্ৰজন্মৰ সচেতনতাৰ জৰিয়তে এখন দেশৰ আৰু সমাজৰ বৃহৎ পৰিবৰ্তন আনিব পাৰে। যাৰদ্বাৰা নৱপ্ৰজন্ম হৈ উঠিব লাগিব সৃষ্টিকামী। সমাজ আৰু দেশে ইয়াকেহে কামনা কৰিব পাৰে। □□

# 'ছবি, শিক্ষক আৰু সমাজ' — কৰ্তব্য আৰু ভূমিকা

ড° জয়কৃষ্ণ মহন্ত
প্ৰাক্তন অধ্যক্ষ

"Thre i no royal road to learning; no short cut to the acquirment of any valuable art ...."
– Anthony Trollope

শিক্ষা লাভ কৰিলেই জ্ঞানো লাভ কৰিব পাৰি বুলি কোৱা হয় যদিও প্ৰকৃতাৰ্থত 'শিক্ষা' আৰু 'জ্ঞান' শব্দ দুটাৰ অভিপ্ৰেত অৰ্থৰ মাজত আকাশ পাতাল প্ৰভেদ আছে। সাম্প্ৰতিক সময়ত শিক্ষা আৰু জ্ঞানৰ অৰ্থ একাকাৰ কৰা হৈছে। প্ৰকৃত শিক্ষাই মানুহক বৃত্তিগত অৰ্হতা লাভত সহায়ক হৈ সমাজ জীৱন সুন্দৰ কৰি তুলিব পৰা মানৱ সম্পদৰ সৃষ্টি কৰে। ই মানুহক শৃংখলিত জীৱন যাপন কৰাৰ সুযোগ দিব পৰা সম্পদ ৰূপেও প্ৰতীয়মান হ'ব পাৰে। Diogenes Laertius নামৰ গ্ৰীক সমাজ বিজ্ঞানীজনৰ এষাৰ কথা প্ৰাসঙ্গিক ভাৱে উদ্ধৃত কৰা হ'ল ঃ

Education is a controlling grace to the young, consolation to the old, Wealth to the poar and ornament to the rich."

আনহাতে জ্ঞান লাভৰ বাবে মানুহক সাধনাৰ প্ৰয়োজন হয়। জ্ঞান আহৰণৰ কোনো সেন্দুৰীয়া আলি নাই। কোনো চমু পন্থা নাই। আছে কঠোৰ শ্ৰম, একাগ্ৰতা, ঐকান্তিকতা আৰু কৃচ্ছ্ৰসাধনাৰ কণ্টকাবৃত পথ। সেই পথত খোজ পেলাই প্ৰতিমুহূৰ্ততে থমকি ৰ'ব লগা হয়। এনে পথ কণ্টক ভীত জ্ঞান পিপাসু ছাত্ৰৰ উদ্দেশ্যে হয়তো বলদেৱ মহন্তই তাহানিতে লিখিছিল ঃ

"বহু দূৰ বাট দেখি ৰ'লা কিয় ল'ৰা
মূৰ কপালত হাত থৈ।
কাঁইট দেখি উলটিব খোজা কিয় ল'ৰা
নিছিঙি গোলাপ আছা বৈ।।"

কবিতাফাঁকি নিচেই সাধাৰণ যেন লাগিলেও কিন্তু ইয়াৰ তাৎপৰ্য অপৰিসীম। কাঁইটে বিন্ধিব বুলি গোলাপ ফুল নিছিঙিলে তাৰ সৌৰভ গ্ৰহণ যেনেদৰে কৰিব নোৱাৰে, একেদৰে জ্ঞান সমুদ্ৰত অৱগাহন কৰিবলৈ যাওঁতাজনে আপদ বিপদৰ কথা চিন্তা কৰিলে তেওঁৰ আৰু জ্ঞান সাগৰত ডুব দিয়াৰ স্বপ্ন বৃথা বুলিহে পৰিগণিত হ'ব।

প্ৰান্সিসে বেকনে কৈছিল, "Knoeledge is power"

অৰ্থাৎ জ্ঞানেই শক্তি। এই জ্ঞান এনে এবিধ শক্তি যি সকলোপ্ৰতিকূল পৰিৱেশ অথবা প্ৰতিকূল পৰিস্থিতিক অনুকূল্য প্ৰদান কৰি মানুহক জীৱন সংগ্ৰামত জয়ী কৰি তুলিব পাৰে। সেয়ে হয়তো শঙ্কৰাচাৰ্যই কৈছিল ঃ

"ঋতে জ্ঞানাৎ ন মুক্তিঃ"

অৰ্থাৎ জ্ঞানৰ অবিহনে মানুহৰ মুক্তি অসম্ভৱ। এই 'মুক্তি'ক আমি বিভিন্ন প্ৰকাৰে ব্যাখ্যা কৰিব পাৰো। একে আষাৰতে ইয়াক বন্ধন বিমোচন বুলিব পাৰি। অৰ্থাৎ জ্ঞানে আমাক সকলো বন্ধন বিমুক্ত কৰে। বন্ধন মনৰ হ'ব পাৰে, দেহৰ হ'ব পাৰে, বুদ্ধিৰ হ'ব পাৰে, হৃদয়ৰ হ'ব পাৰে, দাৰিদ্ৰ্যৰ হ'ব পাৰে, শঙ্কাৰ হ'ব পাৰে, ভয়ৰ হ'ব পাৰে অথবা সমস্যাৰো হ'ব পাৰে। এতেকে মানুহক সংকটৰ অপাৰ সমুদ্ৰ পাৰ হ'ব পৰা শক্তি প্ৰদায়িনী জ্ঞানক ব্যাখ্যা কৰি ভগৱৎ গীতাত এইবুলি ক'লে —

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমহ ৱিদ্যত।।"

অৰ্থাৎ এই পৃথিৱীত মানুহৰ বাবে জ্ঞানত কৈ পবিত্ৰ আৰু আন একো নাই। জ্ঞানক শক্তি বুলি আগতে উল্লেখ কৰি অহা প্ৰাসংগ বেকনে সম্ভৱতঃ এই কথাকে বুজাইছে যে জ্ঞানী লোকে একেলৈকে ভয় নকৰে। অৰ্থাৎ প্ৰত্যেকটো ঘটনা পৰিঘটনাৰ আঁতিগুৰি জনাজনে ভয় কৰিব কাক? তেওঁ প্ৰৱল আন্তৰিক শক্তিৰে শক্তিমান আৰু সেইবাবে তেওঁ কাকো ভয় কৰিব লগতে নাথাকে।

'পষ্ট মডাৰ্নিজিম' বা উত্তৰ আধুনিক চিন্তাধাৰাৰ দুৰাৱদলিত খপজপাই থকা আমাৰ সাম্প্ৰতিক নতুন পুৰুষে এতিয়া নিৰ্ণয় কৰিব পৰা নাই তেওঁলোকৰ ভৱিষ্যৎ কৰ্মপন্থা। নৈতিকতাৰ নিৰ্মূল কৰি ক্ৰমাগতভাৱে গা কৰি উঠা ভোগবাদ আৰু বস্তুবাদী চেতনা অধ্যুষিত চাৰিআলিত ঠিয় দি বৰ্তমানৰ নতুন পুৰুষে জানো আওঁৰাব পাৰিব উপনিষদৰ সেই অমৰ অথচ সৰ্বকালৰ শ্ৰেষ্ঠ উপদেশ —

"তেন ত্যক্তেন ভূঞ্জীথা মা গৃধ কস্যশিচদ্ ধনম্"

[তোমাক ত্যাগৰ মাজেৰে ভোগ কৰাৰ দে অধিকাৰ দিয়া হৈছে, এতেকে আনৰ সম্পদ বা শ্ৰী দেখি কাতৰ নহবা]

অতি সাপ্ৰতিক কালত শিক্ষা পৰ্ণলৈ ৰূপান্তৰিত হৈছে। বিশ্বৰ বিভিন্ন নামী-দামী শিক্ষানুষ্ঠানবোৰ আগবাঢ়ি আহিছে পৃথিৱীৰ চুকে কোণে তেওঁলোকৰ শিক্ষাৰ পোহাৰ মেলিবলৈ। ছাত্ৰসকলক প্ৰলোভিত কৰিছে মনোহাৰী 'পেকেজ'ৰ পয়োভৰেৰে। এনে ধামখুমীয়াত শিক্ষাৰ প্ৰকৃত উদ্দেশ্য বহু দূৰতে এৰি আজিৰ ছাত্ৰ সমাজে ঢপলিয়াইছে অৰ্থকৰী বৃত্তিৰ সন্ধানত।

অৱশ্যে এটা কথা ক'ব লাগিব যে অৰ্থকৰী বৃত্তিৰ উন্মাদ অন্বেষণৰ বাবে ছাত্ৰ সমাজক আমি জগৰীয়া কৰিব নোৱাৰো। এয়া হয়তো সময়ৰ দাবী অথবা সমাজৰ প্ৰয়োজন। কিন্তু আমি এটা দিশৰ প্ৰতি চকু দিয়া প্ৰয়োজন হৈ পৰিছে। সেই দিশটো হ'ল নতুন পুৰুষৰ মূল্যবোধ শিক্ষা আৰু নৈতিকতাক সবল কৰি গঢ়ি তুলিব পৰা প্ৰচেষ্টা।

শিক্ষাৰ লগত জ্ঞানৰ সংমিশ্ৰণ ঘটাই পৰীক্ষাত ভাল নম্বৰ পাই উত্তীৰ্ণ হোৱাৰ উপৰিও মূল্যবোধ শিক্ষাৰ পাঠেৰে যদি প্ৰত্যেকটি ছাত্ৰকে মানসিকভাৱে বলীয়ান কৰি তুলিব পৰাৰ ব্যৱস্থা কৰিব পাৰি তেতিয়া আমি এটা সৰ্বাঙ্গসুন্দৰ জাতি লাভ কৰিব পাৰিম। আমাৰ দেশৰ সমাজৰ প্ৰতি কোঁহে কোঁহে গা কৰি উঠা দুৰ্নীতি আৰু অসাধু মনোভাৱৰ অমঙ্গলীয়া ছাঁয়া দূৰ কৰাৰ একেটা মাত্ৰ উপায় আমাৰ হাতত আছে। আৰু সেইটো হ'ল আমি গঢ়ি তুলিব লাগিব এনে এক প্ৰজন্ম যি কোনোধৰণৰ অন্যায় অবিচাৰ অথবা অসাধুমনোভাৱৰ লগত আপোচ নকৰে। আৰু তাৰ বাবে আমাৰ উঠি অহা পুৰুষটোক বলীষ্ঠ আৰু সৎ মনোভাৱৰ একো একোজন সু-নাগৰিক ৰূপে গঢ় দিয়াৰ দায়িত্ব সমাজৰ। সেই দয়িত্ব শিক্ষকৰ। সেই দায়িত্বৰ পৰা অভিভাৱকেও অব্যাহতি পাব নোৱাৰে।

সমাজ, অভিভাৱক আৰু শিক্ষক সকলোৱে মিলি আমাৰ নতুন পুৰুষক সততাৰ জ্যোতিৰে জ্যোতিষ্মান কৰি গঢ়ি তোলাৰ প্ৰচেষ্টা যদি হাতত লোৱা নহয় তেনেহ'লে হয়তো আৰু এশ বছৰৰ পিছৰ সমাজখনে এটি ছিন্নমূল জাতিসত্ত্বাৰ ফোপোলা অহঙ্কাৰ আৰু অৰ্থহীন দম্ভহে প্ৰত্যক্ষ কৰিব। চৰিত্ৰৰ আদিপাঠ হ'ল সততা। এই সততাই মানুহক অনাৱশ্যক ভীতিৰ পৰা মুক্ত কৰে। সংযত আৰু সুৰুচি সম্পন্ন হৃদয়ৰ জন্ম দিয়ে। শ্বেইকচ্পীয়েৰে 'জুলিয়াচ চীজাৰ' নাটকত কথাষাৰ এনেদৰে কৈছে ঃ

"There is no terror, cassius, in your threats,
For I an arm'd so strong in honesty
That they pass by me as the idle wind,
Which I respect not."

এতেকে এই সততা, সংযম, সজব্যৱহাৰ আৰু শ্ৰদ্ধা অৰ্জন কৰিব পৰাকৈ আমাৰ উঠি অহা চামটোক শিক্ষা দান কৰিলেহে সমাজ আৰু সময়ৰ দায়িত্ব যথাযথভাৱে পালন কৰা হৈছে বুলি আমি বুকুত হাত দি ক'ব পাৰিম।

আজিকালি স্কুল কলেজত কেৱল পাঠ্যপুথিৰ নিয়মমাফিক কেৰিকুলাম আৰু চিলেবাচ শেষ কৰিয়েই সকলোৱে নিজৰ দায়িত্ব শেষ হোৱা বুলি সন্তুষ্টি লাভ কৰে। কিন্তু পৰিৱৰ্তিত পৰিস্থিতি আৰু গোলকীকৰণৰ আওতাত ঠিয় দি আমি কেৱল তেনেদৰে চিন্তা কৰিলে আমাৰ লোকচান হোৱাৰেই সম্ভাৱনা সৰহ। কেৱল পাঠ্যপুথিৰ জ্ঞান যে আমাৰ জীৱনৰ বৃহত্তৰ স্কুলখনত পৰ্যাপ্ত নহয় সেইকথা জৰ্জ বাৰ্ণাৰ্ড শ্বই তেওঁৰ ঙলাইফ এণ্ড লাৰ্নিং' নামৰ ৰচনাখনত তন্নতন্নকৈ আলোচনা কৰিছে। পৃথিৱীখন বৰ্তমান 'গ্লবেল ভিলেজ'লৈ ৰূপান্তৰিত কৰা ইলেক্ট্ৰনিক

মাধ্যম, ইণ্টাৰনেটৰ সহায়ত উন্মুক্ত কৰা হৈছে অপাৰ জ্ঞান সমুদ্ৰৰ বিস্তীৰ্ণতা। এই পাৰাপাৰহীন সমুদ্ৰৰ পাৰত আমাৰ নতুন পুৰুষক ঠিয় কৰোৱাৰ দায়িত্ব সমাজৰ। সেই দায়িত্বৰ গুৰি ধৰিব লাগিব শিক্ষকসকলে। সেই সমুদ্ৰ মন্থন কৰিবৰ বাবে অনুপ্ৰেৰণা দি 'কালকূট'ৰ সলনি উলিয়াই আনিব লাগিব অমৃত। বিশাল জ্ঞান সমুদ্ৰত অৱগাহন কৰি অমৃত ফলৰ সন্ধান কৰা অমৃতৰ সন্তান জন্ম দিয়াৰ প্ৰচেষ্টা আৰু দায়িত্ব আমাৰ অভিভাৱকসকলৰ। আমাৰ নতুন পুৰুষৰ শ্ৰমবিমুখ মনোভাৱ আঁতৰাই তেওঁলোকক কঠোৰ পৰিশ্ৰম কৰিবলৈ শিকাব লাগিব। কাৰণ কঠোৰ শ্ৰমৰ বিকল্প নাই। পৰিশ্ৰমৰ লগতে আনটো প্ৰয়োজনীয় বস্তু হ'ল শ্ৰদ্ধা। প্ৰত্যেক কাম কৰোতে মনযোগ আৰু শ্ৰদ্ধাৰে কৰিলেহে কামৰ বাঞ্চিত ফল পাব পাৰি। ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থ ভগৱদ্‌গীতাত সেই কথাও কোৱা হৈছে যে ঃ

"শ্ৰদ্ধাৱান্ লভতে জ্ঞানম্"

অৰ্থাৎ শ্ৰদ্ধা (Devotion) নাথাকিলে কৰ্মত সফলতা লাভ কৰিব নোৱাৰি। পাঠ্যপুথিৰ প্ৰতি শ্ৰদ্ধা আৰু আদৰ নাথাকিলে শিক্ষা আৰু তাৰে ফলশ্ৰুতি জ্ঞান লাভ কৰিব পাৰি বুলি মনে নধৰে। বৰ্তমানৰ নতুন পুৰুষৰ সৰহভাগৰে যে পাঠ্যপুথিৰ প্ৰতি শ্ৰদ্ধা নাই তাৰ প্ৰমাণ স্কুল কলেজৰ 'ইউৰিনেল' বিলাকত চকু দিলেই বুজিব পাৰি। ছাত্ৰসকলে এনে মনোভাৱ সলনি কৰিবৰ হ'ল। শিক্ষক আৰু সমাজেও তেওঁলোকক ভালদৰে পতিয়ন নিয়াবলৈ চেষ্টা কৰিব লাগে যে পঢ়া কিতাপ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ নিবাস। সেয়ে তাক অনাদৰ কৰিব নালাগে।

এনেদৰেই সুসংস্কৃত মন এটাৰ অধিকাৰী হ'লেহে জীৱনত সাফল্য লাভ কৰি নিৰুদ্বেগ আৰু নিৰুপদ্ৰৱ জীৱন এটা যাপন কৰিব পাৰি। আৰু এইদৰে যাপন কৰিব পৰা সুন্দৰ জীৱনটোৰ চাবিকাঠি জীৱনৰ আৰম্ভণীতে তৈয়াৰ কৰি ল'বৰ বাবে মূল্যবোধ শিক্ষা আৰু জ্ঞানৰ সমাহাৰ ঘটাব পৰা শিক্ষাৰে আমি শিক্ষিত হ'ব লাগিব। Lord Chesterfield এ কৈছে ঃ "Knowledge is a comfortable and necessary retreat and shelter for us in an advanced age; and if we do not plant it while young, it will give us no shede when we grow old."

উপনিষদত কৈছে ঃ "চৰন্ বৈ মধু ৱিন্দতি" — অৰ্থাৎ তুমি গৈ থাকা, তেহে জীৱনৰ মধু ভাণ্ড উদ্‌ঘাটন কৰিব পাৰিবা। ইয়াত 'মধু' শব্দটি প্ৰতীকি অৰ্থত ব্যৱহৃত হৈছে। 'মধু' মানে জীৱনৰ সাফল্য আৰু প্ৰতিষ্ঠা। অৰ্থাৎ যিজনে কঠোৰ পৰিশ্ৰমৰ মাজেৰে প্ৰকৃত জ্ঞান আৰু শিক্ষা অৰ্জন কৰিবলৈ যত্নশীল হয় তেওঁৰ হাতত সাফল্য প্ৰতিষ্ঠা আৰু সম্পদ উভৈনদী হৈ পৰে আৰু তেওঁ আনৰ তুলনাত কায়িক মানসিক আৰু বৌদ্ধিক ভাৱে উৰ্দ্ধগামী হয়। Joseph Addison এ সেই কথাকে এনেদৰে কৈছে ঃ

"Knowledge is, indeed, that which, next to virtue
Truely and essentially raises one man above another." □□

☞ সৎ উপদেশতকৈ কোনো উপহাৰেই বেছি মূল্যবান হ'ব নোৱাৰে।

- ইৰাছমাছ

☞ মই কেৱল এটা কথাকে জানো, সেয়া হ'ল মই একো নাজানো।

- চক্রেটিছ

☞ ভুলকৈ জনাতকৈ একো নজনাই ভাল।

- শ্বেক্সপীয়াৰ

# মাধৱদেৱৰ নাটক

ড° উষাৰাণী বৰুৱা
প্ৰাক্তন অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা

মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া নাটৰ যোগেদি অসমীয়া নাট্য সাহিত্যৰ পাতনি মেলি থৈ গ'ল। তেখেতে চিহ্নযাত্ৰাৰ যোগেদি অসমীয়া নাটৰ শুভাৰম্ভ কৰি পৰৱৰ্তীসময়ত পত্নীপ্ৰসাদ, কেলিগোপাল, কালিয়দমন, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ, ৰাম বিজয় এই ছখন অঙ্কীয়া নাট ৰচনাৰে অসমীয়া নাটকৰ বিকাশৰ বাট মুকলি কৰি থৈ যায়। গুৰুজনাৰ পৰম্পৰাকে অনুসৰণ কৰি মাধৱদেৱেও নাটক ৰচনা কৰিলে। প্ৰতিভাই সদায় নতুন বাট মুকলি কৰি লয়। মাধৱদেৱৰ সৃষ্টিশীল প্ৰতিভাই শংকৰদেৱৰ নাটকক নতুন ৰূপত সজাই তুলিলে। মাধৱদেৱৰ নাটকসমূহৰ ঝুমুৰা বুলিহে কোৱা হয়।

শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শ গ্ৰহণ কৰি মাধৱদেৱ নৱ-বৈষ্ণৱ ধৰ্মৰ একনিষ্ঠ সেৱক হৈ পৰিছিল। তেওঁৰ পাণ্ডিত্য প্ৰতিভা আৰু যোগ্যতাত স্বয়ং শঙ্কৰদেৱ মুগ্ধ হৈ নিজৰ পুত্ৰ থকা সত্বেও বৈষ্ণৱ ধৰ্মৰ গুৰুদায়িত্ব মহাপুৰুষ শঙ্কৰদেৱে মাধৱদেৱৰ হাততহে সমৰ্পণ কৰি থৈ গৈছিল। আৰু মাধৱদেৱেও গুৰুজনাৰ আস্থাক সম্পূৰ্ণ মৰ্যাদা সহকাৰে সফলৰূপত কাৰ্যকৰী কৰি তুলিছিল। শঙ্কৰদেৱে মাধৱদেৱৰ ওপৰত ইমানেই আস্থা কৰিছিল যে পূৰ্বকবি মাধৱ কন্দলিৰ ৰামায়ণখন সম্পূৰ্ণ কৰিবৰ বাবে আদি আৰু উত্তৰাকাণ্ড অনুবাদ কৰিবৰ সময়ত নিজে উত্তৰাকাণ্ড অনুবাদ কৰিবলৈ লৈ মাধৱদেৱক আদিকাণ্ড কৰিবলৈ দিছিল। তদুপৰি বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তিৰত্নাৱলী পুথিখনো নিজে অনুবাদ নকৰি মাধৱদেৱকহে সেই কামৰ দায়িত্ব দিছিল। শঙ্কৰদেৱে এনেদৰে মাধৱদেৱৰ যোগ্যতাক স্বীকৃতি দিছিল। মাধৱদেৱেও নিজৰ যোগ্যতাৰ পৰিচয় দি শঙ্কৰদেৱৰ পদানুসৰণ কৰি গীত নাট কাব্য আৰু অন্যান্য ভক্তিমূলক পুথি ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি তুলিছিল। মাধৱদেৱৰ ৰচনাৰাজীৰ ভিতৰত ৰাসজুৱ কাব্য, বৰগীত, গুৰু ভটিমা, ৰামায়ণৰ আদিকাণ্ডৰ ভাঙনি, ভক্তিৰত্নাৱলী, জন্ম ৰহস্য, নাম মালিকা, নামঘোষা আৰু নাট বা ঝুমুৰাসমূহ। বৈষ্ণৱৰ সমাজত শঙ্কৰদেৱৰ কীৰ্তন দশমৰ দৰে নামঘোষা আৰু ৰত্নাৱলীৰ সমাদৰ সকলোতকৈ বেছি। আনহাতে সাহিত্য কৃতি হিচাপে নামঘোষাৰ শ্ৰেষ্ঠত্ব সৰ্বজন স্বীকৃত। সেইদৰে মাধৱদেৱৰ নাট্যকৃতি সমূহৰো এক সুকীয়া মৰ্যাদা আছে অসমীয়া সাহিত্যৰ ইতিহাসত।

মাধৱদেৱৰ নাটসমূহৰ ভিতৰত একমাত্ৰ অৰ্জুন ভঞ্জনৰ বাহিৰে বাকীবোৰক ঝুমুৰা বুলি কোৱা হয়। মাধৱদেৱৰ নাটবিলাকত শঙ্কৰদেৱৰ নাটসমূহৰ দৰে এটা পূৰ্ণাঙ্গ কাহিনী পোৱা নাযায়। একমাত্ৰ অৰ্জুন ভঞ্জনতহে কাহিনী বুলি ক'ব পৰাকৈ ঘটনাৰ কিছু বিস্তৃতি আছে। তাৰ বাহিৰে বাকী আটাইকেইখন নাটতে মাত্ৰ এটা সৰু পৰিস্থিতিকে নাট্যৰূপত দাঙি ধৰিছে। এটা ক্ষুদ্ৰ আকৃতিৰ ঘটনাৰ নাট্যৰূপৰ বাবেই সম্ভৱত এইবোৰক নাট বা যাত্ৰা নুবুলি ঝুমুৰা বোলা হ'ল। পুৰণি অসমীয়াত ঝুমুৰা বুলি এটি ক্ষুদ্ৰ ছন্দসজ্জা আছে। এই ছন্দসজ্জাত এটা চৰণত মাত্ৰ দুটা সৰু সৰু পৰ্ব থাকেৰ। পৰ্বৰ মাত্ৰা সংখ্যা ৪, ৪। সম্ভৱতঃ ঝুমুৰা ছন্দৰ ক্ষুদ্ৰপাকৃতিৰ সাদৃশ্যতে মাধৱদেৱৰ চমু কলেৱৰৰ নাটবোৰক ঝুমুৰা আখ্যা দিয়া হ'ল।

মাধৱদেৱে শঙ্কৰদেৱৰ পদাঙ্ক অনুসৰণ কৰি ছখন নাটক লিখিছিল বুলি প্ৰবাদ আছে। আনহাতে মাধৱদেৱৰ ভণিতা থকা নখন নাট পোৱা যায়। সেইসমূহ হ'ল — অৰ্জুন ভঞ্জন (দধি মথন), চোৰধৰা, ভূমি লুটিয়া, পিম্পৰা গুচুৱা, ভোজনবিহাৰ, ব্ৰহ্মামোহন, কোটোৰা খেলা, ৰাস ঝুমুৰা আৰু ভূষণ হৰণ। এই নাটসমূহৰ প্ৰথম পাঁচখন অৰ্থাৎ অৰ্জুন ভঞ্জন, চোৰধৰা, ভূমি লুটিয়া, পিম্পৰা গুচুৱা আৰু ভোজন বিহাৰ নাট মাধৱদেৱৰ ৰচনা বুলি সন্দেহাতীতভাৱে সকলোৱে একেমুখে মানি লৈছে। পাছৰ চাৰিখন অৰ্থাৎ ব্ৰহ্মামোহন, কোটোৰাখেলা, ৰাস ঝুমুৰা আৰু ভূষণ হৰণ নাটত মাধৱগেৱৰ ভণিতা থাকিলেও এইকেইখন মাধৱদেৱৰ ৰচনা নহয় বুলি পণ্ডিত সমালোচকসকলে সন্দেহ প্ৰকাশ কৰিছে। এই কেইখন নাট মাধৱদেৱৰ নহয় বুলি কোৱাৰ প্ৰধান কাৰণ হ'ল ৰাস ঝুমুৰা, টোকোৰা খেলা ভূষণ হৰণত ৰাধা চৰিত্ৰক গুৰুত্ব দিয়া হৈছে। অসমৰ বৈষ্ণৱ ধৰ্মত ৰাধা চৰিত্ৰৰ প্ৰাধান্য নাই। তেনেস্থলত একনিষ্ঠ বৈষ্ণৱসেৱক মাধৱদেৱে এই চৰিত্ৰক প্ৰাধান্য দি নাটক ৰচনা কৰা

কথাটো সন্দেহজনক। তদুপৰি মাধৱদেৱৰ আন কেইখন নাটকত ক'তো ৰাধা নামৰ উল্লেখ নাই।

দ্বিতীয়তে কোটোৰা খেলা নাটক এনে কিছুমান নিম্নৰুচিৰ কথা সন্নিৱিষ্ট হৈছে যিবোৰ মাধৱদেৱৰ ৰচনা বুলি ভাবিব নোৱাৰি। উদাহৰণ হিচাপে,

কৃষ্ণ বোল।। তুহু গোৱালি হামু গোৱাল।
পৰ্বত বনত খপহোঁ কাল।।
এনুৱা কত কত খাই আছো দই।
সি সোধ তোৰ মায়েৰ পৈ।।

.........................................

ৰাধা বোল।। কি বোল গোৱা জাতি।
একো ঠাইত নবঞ্চো ৰাতি।।
দধি দুগ্ধ বিকি ঘৰে জাএ।
কি সোধ তোৰ মায়েৰ নাউ।।"

(কোটোৰা খেলা ঝুমুৰা)

তৃতীয়তে সন্দেহযুক্ত ঝুমুৰা কেইখনত নান্দী খেলাকৰ প্ৰয়োগ নাই। নাটকৰ মাজতো কোনো শ্লোকৰ প্ৰয়োগ নাই। নাটকৰ মাজতো কোনো শ্লোকৰ ব্যৱহা দেখা নাযায়। অথচ মাধৱদেৱৰ সন্দেহমুক্ত আটাইকেইখন নাটতে হিন্দী শ্লোক আৰু নাটৰ মাজতো শ্লোকৰ প্ৰয়োগ সংখ্যাত কমকৈ হ'লেও ব্যৱহাৰ কৰা হৈছে। সংস্কৃতত বিদগ্ধ পণ্ডিত মাধৱদেৱে নান্দী শ্লোক প্ৰয়োগ নকৰা কথা ভাবিব নোৱাৰি।

ব্ৰহ্মামোহন নামৰ ঝুমুৰাখনত ৰাধা চৰিত্ৰৰ উল্লেখ নাই যদিও ইয়াৰ আৰম্ভণিতে নান্দী শ্লোকৰ ব্যৱহাৰ নাই। ইয়াত ব্যৱহাৰ কৰা প্ৰথম ভটিমাটি ভোজন বিহাৰ নাটৰ প্ৰথম ভটিমাটিকেই হুবহু একে ৰূপত গ্ৰহণ কৰিছে। তদুপৰি ভোজন বিহাৰ নাটকৰ গীত আৰু কথাকে ধৰি আধিকাংশই ব্ৰহ্মামোহনতো ব্যৱহৃত হৈছে। মাধৱদেৱৰ দৰে প্ৰতিভাসম্পন্ন ব্যক্তিয়ে একেখিনি কথাকে হুবহু দুখন নাটকত ব্যৱহাৰ কৰা কথাটো মানি ল'বলৈ টান। এনেবোৰ কাৰণতে মাধৱদেৱৰ সন্দেহযুক্ত নাটকেইখন কোনো অখ্যাতলোকে ৰচনা কৰি মাধৱদেৱৰ নামত ভণিতা পেলাইছিল বুলি ভাবিব পাৰি।

মাধৱদেৱে ৰাম যাত্ৰা আৰু গোবৰ্দ্ধন যাত্ৰা নামৰ দুখন নাট ৰচনা কৰাৰ কথাও চৰিত পুথিৰ পৰা জানিব পৰা যায়। এই দুয়োখন নাট ৰচনা কৰাৰ উপৰিও দুয়োখনতে মাধৱদেৱে অভিনয় কৰাৰ কথাও জনা যায়। চৰিত পুথিৰ পৰা জানিব পৰা যায় যে ৰাম চাত্ৰাখন অতি দীঘল হোৱাৰ বাবে এইখন নষ্ট কৰা হয়। আনহাতে গোবৰ্দ্ধন যাত্ৰা নাটখন পিছত কি হ'ল তাৰ কোনো সন্ধান পোৱা নাযায়।

অৰ্জুন ভঞ্জন নাটৰ বিষয়বস্তু ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ আৰু বিলবমঙ্গলৰ কৃষ্ণস্তোত্ৰৰ পৰা লোৱা হৈছে। ভাগৱত পুৰাণৰ দশম স্কন্ধৰ নৱম অধ্যায়ত অৰ্জুন ভঞ্জনৰ কাহিনী বৰ্ণিত হৈছে। সেইদৰে হৰিবংশ পুৰাণৰ বিষ্ণুপৰ্ব ৬৩ তম অধ্যায়ত যমলাৰ্জুন ভঙ্গৰ কথা পোৱা যায়। আনহাতে অৰ্জুন ভঞ্জন নাটত ব্যৱহৃত নান্দী শ্লোককে ধৰি অধিকাংশ শ্লোকেই বিলবমঙ্গল স্তোত্ৰৰ পৰা সংগৃহীত, কেৱল শেষৰ শ্লোকটো হৰিবংশ পুৰাণৰ। ইয়াৰ পৰাই বুজিব পাৰি যে মাধৱদেৱে উক্ত তিনিটা মূলৰ পৰা নাটৰ কথাবস্তু সংগ্ৰহ কৰিছে।

অৰ্জুন ভঞ্জনৰ কাহিনী ভাগ এনেধৰণৰ — এদিন যশোদাই গোপীসকলক অন্য কাম কৰিবলৈ দি নিজে সাজিকাচি দধি-মথন কৰিবলৈ ল'লে। এনে সময়ত বালক কৃষ্ণ আহি মাকৰ মথনি মাৰিত ধৰি কামত বাধা দিলেহি। মাকে মথনি মাৰি এৰি দিবলৈ ক'লত কৃষ্ণই মাকৰ পিয়াহ খাবলৈ বিচাৰিলে। যশোদায়ো পুত্ৰস্নেহত কৃষ্ণক কোলাত তুলি লৈ পিয়াহ খুৱাবলৈ ধৰিলে। তেনেতে জুইৰ ওপৰত দি থোৱা গাখীৰ উতলি পৰিবলৈ ধৰাত যশোদাই কৃষ্ণক পিয়াহ খাবলৈ এৰি দিবলৈ ক'লে। কিন্তু কৃষ্ণই মাকৰ কথালৈ কাণ নকৰাত যশোদাই জোৰ কৰি কৃষ্ণক কোলাৰ পৰা নমাই গাখীৰৰ পাত্ৰৰ ওচৰলৈ গ'ল। তাতে কৃষ্ণৰ খং উঠিল। তেওঁ মাকৰ ওপৰত পোতক তুলিবলৈ পটাগুটি এটা আমি মাকৰ মথনি মাৰিও ভাঙিলে, গাখীৰৰ পাত্ৰও ভাঙিলে আৰু ক্ষীৰ লৱণু দি যি য'ত পালে নিজেও খালে, বান্দৰ আদিকো খুৱালে আৰু

বাকীবোৰ পেলাই মেলি নষ্ট কৰিলে। ইফালে যশোদাই গাখীৰ নমাই থৈ আহি কৃষ্ণৰ কাণ্ড দেখি হাতত এচাৰি লৈ কৃষ্ণক খেদি গ'ল। কৃষ্ণয়ো মাকৰ ভয়ত পলাবলৈ ধৰিলে। কৃষ্ণক খেদি খেদি যশোদা ভাগৰি পৰিল। মাকৰ দুখ দেখি কৃষ্ণই মাকৰ হাতত ধৰা দিলে। পুতেকক ধৰিবলৈ খেদি খেদি ভাগৰি পৰা যশোদাই কৃষ্ণক এসেকা দিবৰ মনেৰে ৰচী এডাল আনি কৃষ্ণক বান্ধি থচবলৈ ল'লে। কৃষ্ণক বান্ধিবলৈ লৈ যশোদাই দেখিলে ৰচীডাল দুই আঙুল চুটি হ'ল। তেওঁ আৰু এডাল ৰচী আনি আগৰডালৰ লগত জোঁটি ল'লে। তথাপিতো কৃষ্ণক বান্ধিবলৈ নুজুৰিলে। এইদৰে তেওঁ ৰচী জোৰা দিয়েহে দিয়ে তথাপিতো দুআঙুলৰ নাটনি হয়। তেওঁ ভাগৰি পৰিল। মাকৰ কষ্ট দেখি কৃষ্ণই শেষত আপুনি বন্ধন ল'লে। কৃষ্ণক বান্ধিব পাৰি যশোদাই সন্তুষ্ট হ'ল আৰু কৃষ্ণক নি ৰচীডালেৰে সৈতে উড়লৰ লগত বান্ধি থ'লে। তাৰ পিছত তেওঁ নিজৰ কামত লাগিলগৈ। মাক যোৱাৰ পিছতে কৃষ্ণই উড়লৰ সৈতে চুঁচৰি চুঁচৰি গৈ চোতাল পালেগৈ। চোতালতে দুজোপা যঁজা অৰ্জুন গছ আছিল। দুয়োজোপা গছৰ মাজৰ ফাকেদি কৃষ্ণ সৰকি পাৰ হৈ গ'ল। পিছে উড়লটো পথালি হৈ লাগি ধৰিল। কৃষ্ণই গাৰ জোৰেৰে উড়লটো টান মাৰি দিয়াত অৰ্জুন দুজোপা উঘাল খাই পৰিল। গছ দুজোপাৰ পৰা দুজন দেৱতা নলকুবেৰ আৰু মণিগ্ৰীৱ ওলাই আহিল। এওঁলোক নাৰদৰ শাপত এইদৰে অৰ্জুন গছ হৈ আছিল। কৃষ্ণৰ কৃপাত মুকতি পাই তেওঁলোকে কৃষ্ণক প্ৰণাম কৰি নিজৰ ঠাইলৈ গুচি গ'ল। ইফালে অৰ্জুন গছ ওঘালি পৰাৰ শব্দ শুনি গোৱালসকল দৌৰি আহিল। কৃষ্ণৰ পিতৃ নন্দই কৃষ্ণক ওঘালি থকা গছ দুজোপাৰ মাজত দেখি লৰালৰিকৈ আহি কৃষ্ণৰ বান্ধোন খুলি দি কোঁচত তুলি ল'লে। তাৰ পিছত কৃষ্ণক এনেকৈ বান্ধি থোৱাৰ বাবে নন্দই যশোদাক ভালকৈ এজাউৰি গালি শোধালে। যশোদাও কম নহয়। তেৰোঁ মুখে মুখে এনেকৈ উত্তৰ দিলে যে নন্দই সেইফালেই তাপ মাৰিলে। অৰ্জুন ভঞ্জনৰ কাহিনী ইমানতে সামৰণি পৰিছে।

অৰ্জুন ভঞ্জনত বালক কৃষ্ণ আৰু যশোদা, নন্দ আৰু গোপ-গোপীসকলৰ চৰিত্ৰ সন্নিৱিষ্ট কৰা হৈছে। নাটখনত বিশেষভাৱে শিশুকৃষ্ণ আৰু মাতৃ যশোদাৰ চৰিত্ৰ দুটি অতি সুন্দৰকৈ ৰূপায়ণ কৰা হৈছে। সাধাৰণ মানৱ শিশুৰ দৰেই কৃষ্ণৰ মান অভিমান দুষ্টালি আদি ফুটাই তোলা হৈছে। আনহাতে সাধাৰণ বালকৰ দৰে দুষ্টালি কৰিলেই তেৱেঁই যে জগতৰ অধিপতি এই ধাৰণাটোও নাটখনত স্পষ্ট হৈ পৰিছে। শিশু কৃষ্ণৰ এই দ্বৈতৰূপ নাটকখনত প্ৰকাশ পাইছে। আনহাতে মাতৃৰূপত যশোদাৰ পুত্ৰস্নেহ যিদৰে ফুটাই তুলিছে সেইদৰে পুত্ৰৰ অতপালিত অতীষ্ঠ মাতৃৰ কঠোৰ ৰূপটোও প্ৰতিফলিত কৰা হৈছে। তদুপৰি স্বামী আৰু গোপীসকলক শাসন কৰিব পৰা মুখৰা যশোদাৰ দন্দুৰী স্বভাৱটোও ফুটি উঠিছে। এই দুয়োটা চৰিত্ৰৰ কাৰ্যকলাপে সকলো শ্ৰেণীৰ দৰ্শক পাঠকক আকৃষ্ট কৰিবলৈ সক্ষম হৈ পৰিছে। গোপ-গোপীসকলৰ চৰিত্ৰৰ বিশেষ ভূমিকা নাটখনত দেখা নাযায়। নন্দ ৰজাক এজন পুত্ৰ বৎসল পতি আৰু পত্নীৰ ওচৰত সেও হৈ পৰা পুৰুষ হিচাপে নাটকখনত দেখা যায়।

অৰ্জুন ভঞ্জনত সংঘাত আৰম্ভ হৈছে কৃষ্ণৰ গাখীৰ খোৱাত বাধা পোৱাৰ পৰা। এই সংঘাতৰ পৰাই কাহিনীৰ বিকাশ হৈ নন্দ-যশোদাৰ কাজিয়াৰ মাজেৰে নাট্য কাহিনীৰ সামৰণি মৰা হৈছে। অঙ্কীয়া নাটত সংঘাতত বিশেষ গুৰুত্ব দিয়া নহয়। ইয়াৰ মূল লক্ষ্য হৈছে কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ। অৰ্জুন ভঞ্জনত এই উদ্দেশ্য সফল ৰূপত প্ৰকাশ পাইছে।

চোৰ ধৰা ঝুমুৰাৰ কাহিনী বিলব মঙ্গল স্তোত্ৰৰ পৰা সংগৃহীত কৰা হৈছে। এইখন ঝুমুৰাত দুটা ক্ষুদ্ৰ পৰিস্থিতিক একত্ৰ কৰি নাট্যৰূপত দিয়া হৈছে। শিশু কৃষ্ণই এগৰাকী গোনাৱিনীৰ ঘৰত কোনো মানুহ নথকাৰ সুযোগ লৈ লৱণু চোৰ কৰিবলৈ সোমাল। পিছে তেওঁ গৃহিণীৰ হাতত ধৰা পৰিল। গোৱালিনীয়ে চিঞৰ-বাখৰ কৰাত অন্যান্য গোৱালিনীসকলো আহি কৃষ্ণক চোৰ ধৰিলে। কৃষ্ণয়ো লগৰীয়াসকলক চিঞৰি মাতি আনিলে। লগৰীয়াসকল আহিলত কৃষ্ণইহে ওভোটাই গোৱালিনীকহে ভীতি প্ৰদৰ্শন কৰিলে। তেওঁ ক'বলৈ ধৰিলে যে কৃষ্ণই লগৰীয়াসকলৰ সৈতে ৰাজপথত খেলি আছিল। গোৱালিনীয়ে মিছাকৈয়ে তেওঁক চোৰ ধৰিছে। তেওঁ মাক যশোদাক লগাই গোৱালিনীক বাৰুকৈ এসেকা দিয়াব। কৃষ্ণৰ কথাত ভয় খাই গোৱালিনীয়ে কৃষ্ণক ঘৰলৈ যাবলৈ এৰি দিলে। পিছে কৃষ্ণও সুদাই এৰা ভকত নহয়। তেওঁক লৱণু খাবলৈ দিলেহে ঘৰলৈ যাব বুলি ওভতি ধৰিলে। গোৱালিনীয়েও উপায় নাপাই কৃষ্ণক লৱণু দিম বুলি কথা দিলে। পিছে তাৰ বিনিময়ত কৃষ্ণই তেওঁলোকক নৃত্য কৰি দেখুৱাব লাগিব। সেইমতে কৃষ্ণই নৃত্য কৰি গোৱালিনীৰ মনোৰঞ্জন কৰি লৱণু আদায় কৰি ল'লে।

ইফালে কৃষ্ণ ঘৰলৈ নহা দেখি যশোদাই পোৱালি হেৰুৱা গৰুৰ দৰে কৃষ্ণক বিপচাৰি হাবাথুৰি খাই হাটৰুৱা বাটৰুৱাক কৃষ্ণৰ কথা সুধি

ফুৰিছে। এগৰাকী গোৱালিনীয়ে কৃষ্ণক দেখি অহাৰ কথা ক'লত তেওঁক লৈ যশোদা কৃষ্ণই নৃত্য কৰা ঠাইত উপস্থিত হ'লগৈ। মাকক দেখাৰ লগে লগে কৃষ্ণই দৌৰি গৈ মাকৰ কোলাত উঠি পিয়াহ খাই কান্দি কান্দি মাকক গোচৰ দিলে গোৱালিনীৰ বিৰুদ্ধে। কৃষ্ণৰ কথা শুনি যশোদাই গোৱালিনীসকলক নানান তিৰস্কাৰ কৰি খেদি পঠালে। তাৰ পিছত কৃষ্ণক ঘৰলৈ আনি ধুৱাই পখলাই পঞ্চামৃত খাবলৈ দি সন্তুষ্ট হ'ল।

দুটা ক্ষুদ্ৰ পৰিস্থিতিৰ প্ৰকাশত নাট্য কাহিনীৰ সংঘাত বা বিকাশ চোৰ ধৰাত দেখা নাযায়। চৰিত্ৰ অঙ্কনত কৃষ্ণৰ চাতুৰী আৰু শিশুসুলভ দুষ্টালি সফলভাৱে ফুটি উঠিছে। সেইদৰে যশোদাৰ চৰিত্ৰত পুত্ৰ স্নেহত অন্ধ হৈ আনৰ কথালৈ কাণ নিদিয়া মতগৰ্বী ৰূপৰ প্ৰকাশ ঘটিছে।

ভূমি লুটিয়া ঝুমুৰাত মাত্ৰ এটি ক্ষুদ্ৰ পৰিস্থিতি সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ কাহিনী বিলবমঙ্গল স্তোত্ৰৰ আধাৰত নিৰ্মাণ কৰিছে। এদিন কৃষ্ণই ঘৰতে লৱণ চুৰ কৰি খাওঁতে মাক যশোদা আহি তাত উপস্থিত হ'ল। মাকক দেখাৰ লগে লগে কৃষ্ণই নিজৰ হাতৰ বাঁহীটো লুকুৱাই থৈ মাটিত বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। মাকে কৃষ্ণক কিয় কান্দিছে বুলি সুধিলত মাকক ফাকি দি কৃষ্ণই ক'বলৈ ধৰিলে মোৰ বাঁহীটো ইয়াতে থৈছিলো কোনোবা চুৰ কৰি নিলে। আৰু মোৰ ক্ষীৰ লৱণু এইবোৰো কোনোবাই খাই শেষ কৰিলে। কৃষ্ণই পুনৰ মাটিত বাগৰি কান্দিবলৈ ধৰাত যশোদাই কৃষ্ণৰ চাতুৰী বুজিব নোৱাৰি কৃষ্ণক ফুচুলাবলৈ ধৰিলে। তোমাৰ ক্ষীৰ লৱণু হয়তো ঘৰৰ পোহনীয়া বান্দৰে খালে। সেইবোৰ সিহঁতে খালেও মই তোমাক নতুন লৱণু, ক্ষীৰৰ লাডু তৈয়াৰ কৰি দিম, তুমি নাকান্দিবা। মাকৰ কথা শুনি কৃষ্ণই মাটিৰ পৰা উঠিল। মাকৰ কোলাত উঠি হেঁপাহ পলুৱাই পিয়াহ খালে। তাৰ পিছত মাকক আকৌ আমনি কৰিবলৈ ধৰিলে ক্ষীৰ আৰু লৱণু বিচাৰি। কৃষ্ণৰ উৎপাতত তত নাপাই যশোদাই হৰি পূজালৈ বুলি বেলেগে থোৱা লৱণুখিনিকে আনি কৃষ্ণক দিহে তত পাইছে। এইদৰে মাকক ছলনা কৰি ক্ষীৰ, লৱণু খাই কৃষ্ণই আনন্দত নাচিবলৈ ধৰিলে।

এই এটা পৰিস্থিতিৰ মাজেৰেই মাধৱদেৱে চুৰ-চাতুৰীয়ে মাকক ছলনা কৰা দুষ্টৰ শিৰোমণি কৃষ্ণ আৰু পুত্ৰবৎসলা যশোদাৰ চৰিত্ৰ মন পৰশাকৈ ফুটাই তুলিছে।

পিম্পৰা গুচুৱা ঝুমুৰা কাহিনী চোৰধৰা ঝুমুৰাৰ সৈতে বহুখিনি মিল আছে। কৃষ্ণই গোৱালিনীৰ ঘৰত লৱণু চোৰ কৰিবলৈ গৈ ধৰা পৰিল। বাকচতুৰ কৃষ্ণই ওভতি গোৱালনীকহে কথাৰে বান্ধ খুৱালে। উপায়হীন হৈ গোৱালনীয়ে চুবুৰীয়া গোৱলনীসকলক মাতি আনি যশোদাৰ আগত কৃষ্ণৰ বিৰুদ্ধে গোচৰ দিলেগৈ। গোৱালিনীৰ গোচৰ পাই যশোদাই কৃষ্ণক তিৰস্কাৰ কৰিলে। মাকৰ গালি শপনি খাই কৃষ্ণয়ো মাকক ওভতি ধৰিলে। মাকক নিদাৰুণী কাঠচিতীয়া আদি বুলি কৈ মথুৰালৈ গুচি যোৱাৰ ভাবুকি দিলে। কৃষ্ণই নিষ্ঠুৰ কথাৰে আঘাত দিয়া দেখি গোৱালিনীসকলৰ যশোদালৈ বেয়া লাগিল। তেওঁলোকে মাকক আৰু গালি-গালাজ নকৰিবলৈ কৃষ্ণক অনুৰোধ কৰিলে। এইখিনি কথাকে মাধৱদেৱে পিম্পৰা গুচুৱা ঝুমুৰাত সন্নিবিষ্ট কৰিছে।

পিম্পৰা গুচুৱা ঝুমুৰাত কৃষ্ণৰ বাক চতুৰালি আৰু থিতাতে বুদ্ধি উলিয়াই বাগি মাৰিব পৰা দুষ্টালি প্ৰকাশ পাইছে। গোৱালনীৰ ঘৰত লৱণু কলহত হাত ভৰাই থাকোতেই ধৰা পৰিও কৃষ্ণই সৈ নাকাঢ়ি যিদৰে উত্তৰ দিছে তাতেই কৃষ্ণৰ ধূৰ্তালি ফুটি উঠিছে —

"গোপি বোলে এথা তুমি আইলা কি কাৰণে।
মোৰ ঘৰ বুলি আইলো বোলে নাৰায়ণে।।

..............................................

জদানিলো আসিলা তুমি ঘৰ নজানিয়া।
লৱণু কলযে কেনে আচ হাত দিয়া।।

..............................................

হৰি বোলে গোপি বড় দোষ পাইলি বাছি।
পিম্পৰা গুচাইতে লাগি হাত দিয়া আছি।।
গোপি বোলে উপকাৰ কৰি আচ ভাল।

কিসক জগাইলি মোৰ নিন্দেৰ চৱাল।।

..................................................

কানু বোলে বৎস মঞি খুজিয়া নপাইলোঁ।

তাৰে পুচিবাৰে তোৰ চৱাল জগাইলোঁ।।

গোপি বোলে সুন অৰে টেণ্টন কানাই।

তোহোৰ মুখত দেখো লবনু গন্ধাই।।

..................................................

কানু বোলে সুন অৰে গোপিন নিদাৰুনি।

তোহোৰ মুখত গন্ধ তইসে চুৰুনি।।

সুনিয়া গোপিনী খুজি নপাইলা উত্তৰ।

মিছা মাতি গোপিৰে ভাণ্ডিলা দামোদৰ।।"

(পিম্পৰা গুচুৱা ঝুমুৰা)

ধূৰ্ত কৃষ্ণই কাক কেনেকৈ জব্দ কৰিব পাৰি সেইকথা ভালকৈয়ে জানে। মাকৰ গালি খাই কৃষ্ণই মাকক যিদৰে ওভতি ধৰিছে তাৰ পৰা মাকৰ আদৰ পাই আলসুৱা ল'ৰাই কালেকো ভয় নকৰা স্বৰূপটো ওলাই পৰিছে। একমাত্ৰ আদৰুৱা ল'ৰা বাবেই মাকৰ দুৰ্বলতা কোনখিনিত সেয়া বুজি পাই মাকক ভয় খুৱাইছে ঘৰ এৰি মথুৰালৈ গুচি যাব বুলি। কৃষ্ণৰ এনেবোৰ কথাই চৰিত্ৰটোৰ শিশুসুলভ দুষ্টালি আৰু বেচি আদৰত নষ্ট হোৱা ল'ৰাৰ ৰূপটো ফুটাই তুলিছে। যশোদাৰ চৰিত্ৰত এহাতেদি গোৱালৰ ৰাণীৰ গৰ্বিতা ৰূপ আৰু অন্যহাতেদি পুত্ৰৰ দুষ্টামিত অতীষ্ঠ হোৱা মাতৃৰূপ এই দুয়োটা দিশ প্ৰকাশ পাইছে।

ভোজন বিহাৰ ঝুমুৰাৰ বিষয়বস্তু ভাগৱতৰ দশমস্কন্ধৰ দ্বাদশ অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে। এই ঝুমুৰা মাত্ৰ এটা পৰিস্থিতিৰ আধাৰতে নিৰ্মিত হৈছে। কৃষ্ণই লগৰ গোপবালকসকলৰ সৈতে বৃন্দাবনত গৰু চৰাবলৈ গৈ তাতেই লগৰীয়াসকলৰ লগত ধেমালি ধুমুলা কৰি যমুনাৰ পাৰৰ বালিত একেলগে ভোজন কৰিবলৈ ল'লে। খাই থাকোতে হঠাৎ এজনৰ চকুত পৰিল তেওঁলোকৰ গৰু গাইবোৰ দেখোন নাই। কথাটো তেওঁ বাকীসকলক জনালত কৃষ্ণই লগৰ লগৰীয়াসকলক খাই থাকিবলৈ কৈ নিজে গৰু বিচাৰি ওলাল। বহু বিচাৰ খোচাৰ কৰি তেওঁ গৰু গাইবোৰ নাপাই ভোজন কৰা ঠাইলৈ ওভতি আহিল। কিন্তু এইবাৰ আহি তেওঁ লগৰ লগৰীয়াসকলকো নাপালেহি। অকলশৰীয়া হৈ কৃষ্ণৰ চিন্তা হ'ল তেওঁ এতিয়া গোকুললৈ কেনেকৈ ওভতি যাব। নন্দ আৰু যশোদাই আজি তেওঁক নিশ্চয় ভালকৈ এজাউৰি দিব। বনভোজেই তেওঁৰ বাবে ঘোৰ শত্ৰুস্বৰূপ হ'ল। শেষত ধ্যান কৰি তেওঁ গম পালে যে ব্ৰহ্মাই তেওঁক পৰীক্ষা কৰিবৰ বাবেহে গৰু গাই সমন্বিতে তেওঁৰ লগৰীয়াসকলকো লুকুৱাই থৈছে। ভোজন বিহাৰৰ কাহিনী বুলিবলৈ মাত্ৰ এইখিনি কথাকেই সামৰা হৈছে।

এইখন ঝুমুৰাত কৃষ্ণক এজন সাধাৰণ গোপবালক ৰূপত অংকন কৰিছে। লগৰ লগৰীয়াৰ লগত আনন্দ ফূৰ্তি কৰি ভালপোৱা সাধাৰণ মানৱ শিশুৰ দৰে কৃষ্ণই গৰু চৰাবলৈ গৈ বনভোজ খাই আনন্দ কৰিছে। সেয়ে হ'লেও কৃষ্ণ ভকত বৎসল অন্তৰ্যামী ভগৱান এই ৰূপটোও ভোজন বিহাৰত যশোদা চৰিত্ৰৰ প্ৰাধান্য নাই। এইখন ঝুমুৰাত যশোদাই ৰাতিপুৱাই কৃষ্ণক বিচনাৰ পৰা জগাই আনি খোৱা-বোৱাৰ যোগাৰ দি গৰু চৰাবৰ বাবে বৃন্দাবনলৈ উলিয়াই দিয়াতে চৰিত্ৰটিৰ ভূমিকা শেষ হৈছে।

মাধৱদেৱৰ আটাইকেইখন নাট শিশুকৃষ্ণৰ বাল্যলীলা আৰু এটি এটি ক্ষুদ্ৰ ঘটনাক লৈ ৰচনা কৰা হৈছে। সেইবাবে অৰ্জুন ভঞ্জনৰ বাহিৰে তেওঁৰ কোনো এখন নাটতে ঘটনাৰ বিস্তৃতি নাই। শংকৰদেৱৰ নাটবিলাকত একোটা পূৰ্ণ পৰিসৰৰ কাহিনী থকা বাবে ঘটনাৰ বিস্তৃতি দেখা যায়। শংকৰদেৱে নাটকৰ বিষয়বস্তু ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ আৰু ৰামায়ণৰ পৰা গ্ৰহণ কৰাৰ বিপৰীতে মাধৱদেৱে ভাগৱত পুৰাণ আৰু বিলবমঙ্গল স্তোত্ৰৰ পৰাহে বিষয়বস্তু সংগ্ৰহ কৰিছে। অৱশ্যে অৰ্জুন ভঞ্জনত হৰিবংশ পুৰাণৰ আশ্ৰয় লৈছে। চৰিত্ৰ অংকনৰ ক্ষেত্ৰত অংকীয়া নাটত বিশেষ গুৰুত্ব দেখা নাযায় যদিও শংকৰদেৱৰ হাতত কৃষ্ণৰ বাহিৰেও অন্যান্য চৰিত্ৰই সীমিত ৰূপত হ'লেও আত্মপ্ৰকাশৰ সুবিধা

লাভ কৰিছে। মাধৱদেৱৰ নাটত শিশুকৃষ্ণ আৰু যশোদা চৰিত্ৰইহে বিশেষত্ব লাভ কৰিছে। শঙ্কৰদেৱে অধিক সংখ্যক নাটতে যুৱাকৃষ্ণৰ চৰিত্ৰ অঙ্কন কৰি কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰোতে তেওঁৰ ঐশ্বৰিক দিশটোত অধিক গুৰুত্ব দিছে। মাধৱদেৱে তেওঁৰ নাটত শিশুকৃষ্ণৰ চৰিত্ৰহে অঙ্কন কৰিছে। মাধৱদেৱৰ কৃষ্ণ সৰ্বসাধাৰণৰ পৰিচিত মানৱ শিশু হ'লেও তেৱেঁই যে জগতৰ অধিপতি পূৰ্ণ ব্ৰহ্ম এইষাৰ কথাও প্ৰতিপন্ন কৰিবলৈ পাহৰা নাই। লৱণুচোৰ, চতুৰ, ঠেহ-পেচ পতা, খং উঠিলে নকৰিবলগীয়া কাম কৰা, বিচৰা বস্তু পালে নাচি বাগি আনক আনন্দ দিয়া মাধৱদেৱৰ কৃষ্ণ সাধাৰণ শিশু হৈয়ো যে অসাধাৰণ তাক প্ৰতিখন নাটতে দৰ্শকক সোঁৱৰাই দিবলৈ পাহৰা নাই। অৰ্জুন ভঞ্জনৰ কৃষ্ণ মাকৰ ওচৰত আপুনি বন্ধন লোৱা, নলকুবেৰ আৰু মণিগ্ৰীৱৰ মক্তিদাতা; চোৰধৰা, পিম্পৰা গুচুৱা আৰু ভূমি লুটিয়াত লৱণু চোৰ কৃষ্ণ জগতৰ অধিপতি, ভক্তৰ মনোৰঞ্জনৰ বাবে মানৱীলীলাৰে সকলোকে মুগ্ধ কৰোতা আৰু ভোজন বিহাৰৰ গো পালক কৃষ্ণ ভক্ত বৎসল অন্তৰ্যামী। মাধৱদেৱৰ কৃষ্ণৰ এই দ্বৈতৰূপ তেওঁৰ নাটসমূহৰ মাজেৰে ব্যক্ত কৰা হৈছে।

শঙ্কৰদেৱে বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিবৰ বাবেই সাহিত্যক এক মাধ্যম হিচাপে লৈছিল। সেয়ে তেওঁৰ নাটসমূহৰ মূল ৰস হ'ল ভক্তি। মাধৱদেৱৰ নাটসমূহতো এই আদৰ্শ নিহিত হৈ আছে। মাধৱদেৱৰ ভক্তিৰস বাৎসল্য প্ৰেমৰ মাজেৰে বিকশিত হৈছে। শঙ্কৰদেৱে তেওঁৰ নাটসমূহত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ কৰিছে। মাধৱদেৱে ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰিলেও মাজে মাজে পুৰণি অসমীয়া ভাষাৰ ব্যৱহাৰ কৰি অসমীয়া নাট্যসাহিত্যক জনগণৰ অধিক ওচৰ চপাই আনিলে। শঙ্কৰদেৱে নাটকত শ্লোক গীত আৰু কথাসূত্ৰ তিনিওটা দিশতে সমানে সমানে গুৰুত্ব দিছিল। তদুপৰি তেওঁৰ নাটত আৰম্ভণি ভটিমা আৰু মুক্তিমঙ্গল ভটিমা অপৰিহাৰ্য ৰূপত ব্যৱহাৰ কৰিছিল। মাধৱদেৱৰ নাটত শ্লোকৰ ব্যৱহাৰ কমি আহিল। মাধৱদেৱে আৰম্ভণি ভটিমা আৰু মুক্তিমঙ্গল ভটিমাৰ ব্যৱহাৰ অপৰিহাৰ্য বুলি ধৰা নাছিল। শঙ্কৰদেৱৰ নাটৰ আৰ্হিৰে নাট ৰচনা কৰিবলৈ লৈ মাধৱদেৱে স্বকীয় প্ৰতিভাৰে অঙ্কীয়া নাট কিছু পৰিৱৰ্তন সাধি ঝুমুৰা সৃষ্টি কৰি মৌলিকতাৰ পৰিচয় দাঙি ধৰিছে।

মাধৱদেৱৰ নাটসমূহক বৰ্তমান যুগৰ শিশু নাটকৰ পূৰ্বসুৰী বুলিব পাৰি। ধৰ্মীয় আদৰ্শ আৰু ভক্তিৰসৰ কথা পৰিহাৰ কৰি ঝুমুৰাবিলাক পৰ্যালোচনা কৰিলে শিশু মানসিকতাৰ সফল প্ৰতিফলনেৰে বৈষ্ণৱ যুগতে মাধৱদেৱে অসমীয়া শিশু নাটকৰ আৰম্ভণি কৰি থৈ গ'ল বুলি ক'ব পাৰি। তদুপৰি বিন্দুতে সিন্ধুৰা ধাৰণা দিব পৰা মাধৱদেৱৰ এই ঝুমুৰাবোৰত আধুনিক সাহিত্যৰ চুটিগল্পৰ গুণ বিশিষ্টতাও নিহিত হৈ থকা দেখা যায়। সি যি কি নহওক মাধৱদেৱৰ ৰচিত নাটসমূহ অসমীয়া সাহিত্যৰ এক অনুপম সৃষ্টি হিচাপে স্বীকৃতি দিব পাৰি। □□

☺ তুমি যদি নিজৰ জীৱনটো ভালদৰে ৰচনা কৰিবলৈ শিকিছা, তেন্তে এখন ভাল কিতাপ ৰচনা কৰা মানুহজনতকৈ তোমাৰ কৃতিত্ব বহুগুণে বেছি। তুমি যদি জীৱনৰ শুদ্ধ পথটো বিচাৰি উলিয়াব পাৰিছা তেনেহলে তোমাৰ এই কৃতিত্ব সাম্ৰাজ্য আৰু মহানগৰ জয় কৰা মানুহজনতকৈ বহুগুণে বেছি।

— মিচেল দ্য মঁতাই

# সংস্কাৰোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি ঃ এক চমু পৰ্যালোচনা

ড° আতিকুদ্দিন আহমেদ
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

যোৱা নব্বৈ দশকৰ প্ৰাৰম্ভতে এক বাধ্য বাধকতাৰ মাজেৰে ভাৰতীয় অৰ্থনীতিৰ সংস্কাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰা হয়। সময়ৰ এক আহ্বান হিচাপে দল-মত নিৰ্বিশেষে প্ৰায় সকলোৱে ইয়াক মানি লয়। নতুন আৰ্থিক নীতিৰ অন্তৰ্গত যিবোৰ পৰিৱৰ্তনৰ সূচনা কৰা হয়, তাৰেই ফলশ্ৰুতিত ভাৰতবৰ্ষত অৰ্থনৈতিক উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ দুৱাৰ মুকলি হয়।

পাৰ হৈ যোৱা দশকটোৰ আধাৰত ভাৰতীয় অৰ্থনীতিলৈ অহা পৰিৱৰ্তনৰ এক খতিয়ান ল'ব পাৰি। প্ৰথমেই ক'ব পাৰি যে তথ্য প্ৰযুক্তিৰ বিস্ফোৰণ আৰু বিকাশ যোৱাটো দশকৰ এক উল্লেখযোগ্য সফলতা। উদ্যোগ, পৰিবহনৰ পৰা আৰম্ভ কৰি যোগাযোগ, চিকিৎসা, শিক্ষা, ব্যৱসায়-বাণিজ্য আদি সকলো ক্ষেত্ৰতে উন্নত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰে চমকপ্ৰদ প্ৰগতি আনি দিবলৈ সক্ষম হৈছে। এতিয়া তথ্য বিনিময় সহজ আৰু সুলভ হৈ পৰিছে যাৰ পৰাই শিক্ষা তথা জ্ঞান বৃদ্ধিৰ নিতে নতুন বাট মুকলি হৈছে।

যোৱাটো দশকত ভাৰতৰ অৰ্থনৈতিক উন্নয়নক গতি দ্ৰুত হৈ পৰা দেখা গৈছে উদ্যোগীক ক্ষেত্ৰত। নতুন প্ৰযুক্তিৰ প্ৰয়োগ, বপজাৰ সম্প্ৰসাৰণ, মুক্ত প্ৰতিযোগিতা, দ্ৰব্যৰ উন্নত গুণাগুণ আৰু মান আদিয়েই এই কৃতকাৰ্যতাৰ মূল মন্ত্ৰ। সেয়েহে আমাৰ ৰপ্তানিজাত দ্ৰব্য সমূহেও অধিক বিদেশী বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। নিৰ্ধাৰিত ক্ষেত্ৰত বিদেশী বিনিয়োগৰ বাবেও আমাৰ দেশীয় বজাৰখন এতিয়া মুকলি কৰা হৈছে।

সেৱাখণ্ডৰ দ্ৰুত সম্প্ৰসাৰণ যোৱাটো দশকৰ এক অন্যতম সফলতা। এই খণ্ডই অভাৱনীয়ভাৱে নিয়োগৰ বাট মুকলি কৰিছে যিটো ভাৰতৰ দৰে বৰ্ধিত জনসংখ্যাৰ দেশ এখনৰ বাবে এক আশাব্যঞ্জক কথা। লগে লগে বংক, বীমা, পৰিবহন আৰু যোগাযোগ ক্ষেত্ৰলৈ এক নতুন গতি আহিছে। পূৰ্বতে সংৰক্ষণ নীতিৰ অন্তৰ্গত থকা এই আনুসঙ্গিক খণ্ডবোৰে এতিয়া যেন প্ৰাণ পাই উঠিছে।

শিক্ষা খণ্ডৰ দ্ৰুত বিকাশেও বিগত দশকত এক আশাৰ বতৰা কঢ়িয়াই আনে। বিশেষকৈ পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ ঠাইত তথ্য প্ৰযুক্তি আৰু ব্যৱস্থাপনা — এই দুটা বিষয়ে সময়ৰ লগত সঙ্গতি ৰাখি অধিক গুৰুত্ব পাবলৈ ধৰে। বিভিন্ন ব্যক্তিগত খণ্ডৰ প্ৰসাৰ আৰু আন্তৰাষ্ট্ৰীয় শিক্ষা কেন্দ্ৰ মুকলি হোৱাটোৱে আমাৰ দেশত শিক্ষাৰ বাণিজ্যিকৰণৰ সূচনা কৰে। যুগৰ চাহিদা অনুসৰি জনপ্ৰিয় হৈ পৰা অভিযান্ত্ৰিক, প্ৰযুক্তি আৰু ব্যৱস্থাপনা শিক্ষা আগবঢ়াবলৈ ব্যক্তিগত খণ্ডৰ অন্তৰ্গত বহুতো অনুষ্ঠান/প্ৰতিষ্ঠান আগবাঢ়ি আহে। অৱশ্যে এনেবোৰ শিক্ষা অধিক ব্যয়বহুল হোৱাটোৱে শিক্ষা ব্যয় এতিয়া বিনিয়োগৰ শাৰীলৈ যোৱাটোকে সূচাইছে। অৱশ্যে শিক্ষাৰ অধিক বাণিজ্যিকৰণে মূল্যবোধৰ শিক্ষাৰ গুৰুত্ব একেবাৰে নোহোৱা কৰিব নেকি? এয়া এক বিচাৰ্য্য বিষয়।

ইফালে বিগত দশকটোত চৰকাৰী ব্যয় অভাৱনীয় হাৰত বাঢ়িবলৈ ধৰে। চৰকাৰৰ ভাৰত নিৰ্মাণ আঁচনিৰ অন্তৰ্গত বুনিয়াদ সৃষ্টিৰ বাবে যোগাযোগ, পৰিবহন, পথ নিৰ্মাণ, শক্তি খণ্ড আদিত অধিক গুৰুত্ব প্ৰদান কৰা হয়। একেদৰে গ্ৰাম্য উন্নয়নৰ শিতানত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিকৰণ আঁচনিৰ অধীনত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহলৈ বৃহৎ মাত্ৰাত পুঁজি যোগানৰ দিহা কৰা হয়। সমগ্ৰ দেশজুৰি আঁচনিবোৰ ৰূপায়িত হৈছে যদিও আঁচনি ৰূপায়ণে সৃষ্টি কৰা অবাধ দুৰ্নীতিয়ে বিতৰ্কৰো সূচনা কৰিছে। আঁচনি ৰূপায়ণত থকা কেতবোৰ সুৰুঙাৰ বাবে পুঁজিৰ অপচয় হৈছে আৰু আঁচনিবোৰো বহু সময়ত পথভ্ৰষ্ট হৈছে বুলি ক'লে বঢ়াই কোৱা নহয়।

অতি সাম্প্ৰতিক কালত সূচনা কৰা অন্য এটি গুৰুত্বপূৰ্ণ বিষয় হৈছে তথ্য জনাৰ অধিকাৰ আইন প্ৰণয়ন। কিন্তু জনসাধাৰণৰ সজাগতাৰ অভাৱত আইনৰ সুবিধা এতিয়াও সহজ হৈ পৰা নাই। এতিয়া এই আইনৰ অধীনত মানুহে যি কোনো বিষয়ৰ তথ্য জানিবৰ বাবে আবেদন

কৰিব পাৰে। অর্থাৎ এই আইনখন জনসাধাৰণৰ বিভিন্ন ধৰণৰ সুৰক্ষাৰ বাবে এক অমোঘ অস্ত্র স্বৰূপ। সদায় শোষণ বঞ্চনাৰ স্বীকাৰ হৈ অহা সর্বসাধাৰণৰ স্বার্থ এই আইনে সুৰক্ষিত কৰিব বুলি ভবাৰ থল আছে। অৱশ্যে এই আইনৰ সুবিধা লাভ কৰিবলৈ যিকোনো লোককে সাধাৰণ শিক্ষা তথা সজাগতাৰ প্রয়োজন হ'ব। ইয়াৰ বাবে তৃণমূল পর্যঙায়ত সজাগতা শিবিৰ পাতিলে সি অধিক ফলপ্রসূ হ'ব।

পৰিৱেশৰ দ্রুত অৱনতিয়ে কঢ়িয়াই অনা জলবায়ু পৰিৱৰ্তন, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰে বিগত দশকটোত অন্যান্য বহুতো দেশৰ লগতে আমাৰ দেশকো পৰিৱেশ সুৰক্ষা সম্পৰ্কে অধিক সজাগ কৰি তোলে। কিন্তু এই সজাগতা সম্পূর্ণকৈ এতিয়াও আহিবলৈ বহু বাকী। ইতিমধ্যে বহুতো আইন কানুন কৰা হৈছে যদিও সেইবোৰ বাস্তৱত সুফল প্রয়োগ হেবাৰা নাই। ফলস্বৰূপে পৰিৱেশৰ মূল আধাৰ যেনে বায়ু, পানী ইত্যাদি দূষিত হৈ মানুহৰ জীৱন ধাৰণৰ প্রতি এক ভাবুকি স্বৰূপ হৈ পৰিছে। বর্ধিত মাত্রাত বাঢ়ি অহা বিভিন্ন ৰোগ-ব্যাধিয়ে পৰিৱেশ দূষিত কৰণৰ সাক্ষকে বহন কৰিছে।

যোৱা দশকত এফালে বন্ধৰ অপসংস্কৃতি আৰু আনহাতে হত্যা-হিংসাৰ পয়োভৰেও আমাৰ ৰাজ্যখন জোকাৰি যায়। অসমৰ সমস্যা বহু। কিন্তু সেইবোৰৰ প্রতিকাৰৰ বাবে সমূহীয়া চিন্তা-চর্চাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা যায়। কাৰণ বর্তমান সমাজত প্রায় মানুহেই সংকীর্ণ ধ্যান-ধাৰণাৰে পৰিচালিত। ফলত মানুহ মানুহৰ পৰা দূৰ হৈ গৈছে। ইয়েই সম্ভাৱ সম্প্রীতি নাইকিয়া কৰি সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। ইফালে যান্ত্রিক সভ্যতা আৰু অর্থব্যৱস্থাৰ বাণিজ্যিকৰণে মানুহৰ মানসিক চাপ বৃদ্ধি কৰিছে। এনে একোটা পৰিৱেশেই মানুহক অসহিষ্ণু কৰিছে। ইয়াতেই আকৌ সৃষ্টি হৈছে নানান সামাজিক সমস্যাৰ।

পাৰ হোৱা দশকটোত মুদ্রাস্ফীতিৰ হাৰ দ্রুত গতিত বৃদ্ধি পোৱা পৰিলক্ষিত হয়। বিশেষকৈ পেট্রলজাত সামগ্রীৰ মূল্য বৃদ্ধিয়ে সামগ্রিকভাৱে মূল্য বৃদ্ধিত ইন্ধন যোগায়। এই ক্ষেত্রত কলা-বজাৰ, চোৰাং ব্যৱসায়, বিতৰণৰ খেলি-মেলি, বর্ধিত উৎপাদন ব্যয়, শক্তিৰ নাটনি, ব্যৱসায়িক চল চাতুৰী আদিত কম জগৰীয়া নহয়। ফলস্বৰূপে ক্ষতিগ্রস্ত হৈছে সাধাৰণ শ্রেণীৰ লোক। বিশেষকৈ খাদ্য সামগ্রীৰ উর্দ্ধমুখী মূল্য মানে মানুহৰ সাধাৰণ জীৱন যাপন অতি কষ্টসাধ্য কৰি তুলিছে। সেয়েহে খাদ্য নিৰাপত্তাৰ হকে দেশত অনতিপলমে এখন আইন প্রণয়ন হোৱা উচিত। তদুপৰি খাদ্য নাটনিৰ পৰিস্থিতিটো উপশম কৰিবলৈ সময়ে সময়ে উদাৰ আমদানি নীতিও গ্রহণ কৰিব লাগিব। অৱশ্যে এয়ে শেষ সমাধান নহয়। দেশীয় উৎপাদনৰ হাৰো অনিবার্যভাৱে বৃদ্ধি পাব লাগিব।

শেহতীয়াকৈ আমাৰ দেশে গ্রহণ কৰা উন্নয়নী কৌশলটো হৈছে 'ইনক্লুচিভ গ্ৰউথ', যাতে সকলো লোকৰ বাবে উন্নয়নৰ সুফলখিনি সুনিশ্চিত কৰিব পৰা যায়। ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আঁচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিছন, সর্বশিক্ষা অভিযান আৰু লগতে ভাৰত নির্মাণ আঁচনিৰ অন্যান্য ক্ষেত্রবোৰলৈ অধিক গুৰুত্ব প্রদান কৰাত বিকাশ প্রক্রি.াচোৰে নিম্নস্তৰলৈকে জনসাধাৰণক সামৰি লৈছে। কিন্তু বহু ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ আৰু দুর্নীতি জড়িত হৈ পৰা বাবে এই আঁচনিবোৰে বিচৰাধৰণে সুফল দিব পৰা নাই। আমি আশা কৰো যে চলিত দশকটোত ভুল-ভ্রান্তিবোৰৰ শুধৰণী হ'ব।

উল্লেখযোগ্য যে বিগত দশকতে ই-কর্মাচ, ই-গভর্নেন্স, ইন্টাৰনেট বেংকিং, অন-লাইন ৰেল-বিমানৰ টিকট সংৰক্ষণ, পুঁজি হস্তান্তৰ ইত্যাদি জনপ্রিয় হৈ পৰে। আজিৰ তাৰিখত এই ব্যৱস্থাবোৰে জনসাধাৰণৰ সময় আৰু অর্থ বহু পৰিমাণে ৰাহি কৰিছে। কিন্তু সুফলখিনিৰ লগতে তথ্য প্রযুক্তিৰ সুযোগ লৈ অপৰাধ প্রৱণতাও বৃদ্ধি কৰিছে। এইবোৰে হৈছে মুক্ত অর্থনীতিৰ অবাধ স্বাধীনতা আৰু উপভোক্তাবাদৰ মিঠা-তিতা সোৱাদ।

যোৱা দশকটোত দেশত বিভিন্ন বিষয়ৰ ওপৰত কিছুমান সুস্থ চিন্তা-চর্চা আৰু বিতৰ্কৰো সূচনা হয়। ইয়াৰে ফলশ্রুতিত মহিলা সবলীকৰণ তথা মহিলাৰ বাবে সংৰক্ষণ বিধেয়ক বিষয়টোৱে অগ্রাধিকাৰ লাভ কৰে। ইয়াৰ পিছতে চৰকাৰে গ্রহণ কৰা শিক্ষাৰ অধিকাৰ আইনখনৰ কথা ক'ব পাৰি। তদুপৰি নাগৰিক পঞ্জীয়ন প্রস্তুতি আৰু ভোটাৰৰ বাবে চিনাক্তকৰণ কার্ড-প্রৱর্তন অন্য দুটি মাইলৰ খুটি স্বৰূপ। যোৱা ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰপৰা বিশ্ব অর্থনীতি মন্দাৱস্থাৰ সন্মুখীন হয়। কিন্তু সৌভাগ্যৰ কথা এই যে আমাৰ দেশে গ্রহণ কৰা বলীষ্ঠ নীতিসমূহৰ বাবে দেশখন মন্দাৱস্থাৰ প্রভাৱৰ পৰা মুক্ত হৈ থাকে। এয়া আমাৰ দেশৰ নীতি নির্ধাৰক সকলৰ এক অন্যতম কৃতকার্যতা। শেহত আমি আশা কৰো যে অনতিপলমে ভাৰতবর্ষ এখন পৃথিৱীৰ উন্নত দেশ তথা এটা বৃহৎ শক্তি হিচাপে আত্মবলেৰে বলীয়ান হ'ব। □□

# Depletion of Stratospheric Ozone, its grim consequences and global response

*Dr. Bharati Dutta*
*Professor, Geography*

Stratospheric ozone depletion is one of the most important environmental problems. Which as threatened the world community due to its catastrophic consequences. The maximum concentration of ozone is found at a height of about 25 km above the earth's surface and the ozonosphere is that layer where there is concentration of ozone gas. The layer lies in the lower portion of the stratosphere (the layer which extends upto 50km). The ozonosphere exists between the altitudes of 12km – 35 km. the ozone layer acts as an umbrella which protects the biosphere from the harmful effect of the solar ultraviolet radiation. The amount of ozone is the atmosphere varies from 0.02 ppm (parts per million) to about 0.07 ppm. However the amount is less in the winter season and the amount of 0.1 ppm is considered to be toxic.

লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ বাবে দি থৈ যোৱা চুটিগল্প উপন্যাস, নাটক গীত, প্ৰবন্ধ আদি তেওঁ যেনেদৰে উপস্থাপনৰ কৰিছিল অৰ্থাৎ তেওঁ ভাব ভাষা, লিখাৰ ষ্টাইল, জতুৱা ঠাঁচৰ প্ৰয়োগ আদি তেওঁ যেনেদৰে প্ৰয়োগ আৰু ব্যৱহাৰ কৰিছিল তেওঁ আগৰ আৰু পাছত তথা বৰ্তমান পৰ্যন্ত তেওঁৰ দৰে গদ্য লিখনি পোৱা নাই আৰু ভৱিষ্যতে ওলাবনে নাই ইয়াত এক সন্দেহৰ স্থল আছে।

> 'আমি আধুনিক বিশ্বৰ লগত সমানে খোজ পেলাব নোৱাৰিম যদিহে আমি ডাঙৰ কাৰখানাৰ ক্ষেত্ৰত হওক নাইবা ক্ষুদ্ৰ উদ্যোগৰ বাবেই হওক শেহতীয়া নিৰ্মাণ শৈলী গ্ৰহণ নকৰো আৰু যদি আজিৰ পৃথিৱীত পাব পৰা নতুন নতুন শক্তিৰ উৎসসমূহৰ উপযুক্ত প্ৰয়োগ নকৰোঁ”
>
> — জৱহৰলাল নেহেৰু

# বৰ্তমানৰ শিক্ষা ঃ এক চমু আৰু কেতবোৰ প্ৰশ্ন

খিলনজ্যোতি ধাদুমীয়া
স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ

বৰ্তমান সময় বিশ্বায়ন তথা প্ৰতিযোগিতাৰ যুগ। এনে সময়ত এনে মানুহ খুউব কমেই পোৱা যায়, যাৰ মনত প্ৰতিযোগিতাৰ ভাৰ নাই। প্ৰতিটো ক্ষেত্ৰতে প্ৰতিযোগিতা, মাথোঁ প্ৰতিযোগিতা; তাক নিশ্চয় বহলাই ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। আজি আনকি প্ৰতিযোগিতা পৃথিৱীখনতেই আৱদ্ধ থকা নাই, মঙল, চন্দ্ৰ আদিলৈকো আগবাঢ়িছে। এনে প্ৰতিযোগিতাৰ সময়ত প্ৰতিটো ক্ষেত্ৰতে আমি হৈ পৰিছো যন্ত্ৰ আৰু আমাৰ মনটো হৈ পৰিছে যান্ত্ৰিক। যিকোনো সময়ত আমি পৰিচালিত হৈ আছো বিজ্ঞানৰ দ্বাৰা। পুথিৰ শিক্ষা লৈ যিকোনো উচ্চ ডিগ্ৰী ল'লেও আজি কোৱা হয় অসম্পূৰ্ণ, যদিহে কম্পিউটাৰ, ইণ্টাৰনেট আদি ব্যৱহাৰিক জ্ঞান নাই। যাৰ এইবোৰৰ জ্ঞান নাই, তেওঁৰ চাহিদাও নাই।



এনে পৰিপ্ৰেক্ষিতত, এনে উন্নত যুগত কিন্তু শিক্ষাখণ্ডৰ বাবে বহুতো প্ৰশ্নৰ উদ্ভৱ হয়। প্ৰথমতেই প্ৰশ্ন হ'ল বৰ্তমান ইমান উন্নত বৈজ্ঞানিক যুগতো আমাৰ অসমৰ শিক্ষাজগতত নানান সমস্যাই দেখা দিছে, এই সমস্যাবোৰ কি কি? অসমৰ শিক্ষাজগতত আজিকালি কেতবোৰ নতুন নতুন শব্দ তথা বিষয়বস্তু বেছিকৈ আলোচনাৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। উদাহৰণস্বৰূপে শিক্ষাৰ ব্যক্তিগতকৰণ, বাণিজ্যিকৰণ, বিশ্বমুখীকৰণ আদিৰ কথাই ক'ব পাৰো। সেয়েহে প্ৰশ্ন হ'ল এইবিলাকৰ পৰা আমাৰ কি কি প্ৰত্যাহ্বানৰ সৃষ্টি হ'ব পাৰে আৰু কিয়? এইবিলাকৰ পৰা আমাৰ সুবিধা কিমান পৰিমাণে হৈছে?

শিক্ষাৰ ব্যক্তিগতকৰণ, বাণিজ্যিকৰণ আৰু বিশ্বমুখীকৰণৰ পৰা ছাত্ৰসমাজ কিমান লাভবান হৈছে তাক নুই কৰিব নোৱাৰি। লক্ষ্য কৰিলে দেখা যায় যে বিগত অসমভিত্তিত হোৱা মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ফলাফলত অতি পুতৌলগা অৱস্থাত উপনীত হৈছে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহ আৰু প্ৰশংসাৰ পাত্ৰ হৈ পৰিছে ব্যক্তিগতখণ্ডৰ বিদ্যালয়সমূহ। আমি বেলেগ ঠাইৰ কথা ক'বলৈ নাযাওঁ, এই বছৰৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত ডিব্ৰুগড়ৰে স্থানীয় ছল্ট ব্ৰুক একাডেমীৰ আঠজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিছৰ ভিতৰত স্থান লাভ কৰি এক অনন্য কৃতিত্বৰ অধিকাৰী হয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে নাম উজ্বলাবলৈ সক্ষম হ'ল। এয়া উজনি অসমৰ বাবে অতিকৈ গৌৰৱৰ কথা। এই ফলাফলৰ আঁৰত আছে শিক্ষক আৰু ছাত্ৰ উভয়ৰে অকুণ্ঠ প্ৰয়াস। সেয়েহে প্ৰশ্ন হ'ল চৰকাৰী বিদ্যালয়ৰে ইমান সুবিধা লাভ কৰা সত্বেও সেইবিলাকৰ ইমান শোচনীয় অৱস্থা কিয়?

আকৌ প্ৰশ্ন উদয় হয়, ব্যক্তিগত খণ্ডত পঢ়ি ছাত্ৰ-ছাত্ৰীসকলো বাৰু ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে নেকি? তেওঁলোকে কেৱল পাঠ্যপুথি তথা বৈজ্ঞানিক শিক্ষাৰ মাজতে আৱদ্ধ আছে নেকি? তেওঁলোকে সাহিত্য, সংস্কৃতি আদিৰ পৰা ক্ৰমাৎ আঁতৰি আহিছে নেকি? অৱশ্যে মই এই কথাটো পোনপটীয়াকৈ ক'বলৈ যোৱা নাই। এইখিনিতে মই এটি সাধাৰণ যদিও গুৰুত্বপূৰ্ণ সঁচা ঘটনাৰ উদাহৰণ দিব বিচাৰিছো। যোৱা বছৰ মই টি ভি চাই থাকোতে নিউজ লাইৰ তৰফৰ পৰা গম পালো যে সেই বছৰৰ লাচিত দিৱসৰ দিনটোত অসমৰ এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ত বন্ধ দিয়া হোৱা

নাছিল। নিউজ লাইভৰ সাংবাদিক তাত উপস্থিত হৈ এই বিষয়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে কথোপকথন কৰিছিল আৰু কিছুমান প্ৰশ্ন কৰা হৈছিল। দশম-দ্বাদশ শ্ৰেণীৰ এগৰাকী অসমীয়া ছাত্ৰীক প্ৰশ্ন কৰা হৈছিল যে, লাচিত বৰফুকন কোন আছিল? এই উত্তৰ দিছিল এনেদৰে — "লাচিত কোন আছিল ভালদৰে নাজানো। শুনিছো তেওঁ নিজৰ কান্ট্ৰিৰ বাবে ফাইট কৰিছিল।"

দৃশ্যটো সাধাৰণ আছিল যদিও মোৰ মনত লগে লগে কিছু প্ৰশ্নৰ উদ্ভৱ হৈছিল। হয়তো অসমীয়া ছাত্ৰ-ছাত্ৰী হিচাপে এই উত্তৰটো অত্যন্ত লজ্জাজনক।

'শিক্ষাৰ ব্যক্তিগত, বাণিজ্যিকৰণ আৰু বিশ্বমুখীকৰণ' — দুখীয়া-গৰীৱ শ্ৰেণীৰ বাবে এক জটিল প্ৰত্যাহ্বান হৈ পৰিছে নেকি? এফালে চৰকাৰী খণ্ডৰ শিক্ষাখণ্ডৰ শোচনীয় অৱস্থা, আনফালে ব্যক্তিগতখণ্ডৰ শিক্ষানুষ্ঠানৰ বাবে অৰ্থৰ অভাৱ। গৰীৱ শ্ৰেণীৰ লোকে এতিয়া কৰিব কি? দুবেলা দুমুঠি কোনোমতে খাই থকা এজন মানুহে সন্তানৰ কথা চিন্তা কৰি আৰু আনক দেখি ব্যক্তিগত তথা ইংৰাজী খণ্ডৰ বিদ্যালয়ত নামভৰ্তিৰ বাবে যাৱতীয় খৰচ তথা প্ৰয়োজনীয় সামগ্ৰীৰ বাবে হুমনিয়াহতে থমকি ৰ'ব লগা হয়। আনহাতে চৰকাৰে বৰ্তমানে শিক্ষাক মৌলিক অধিকাৰ হিচাপে ঘোষণা কৰিছে। কিন্তু অসমৰ প্ৰায় সংখ্যক হোটেলত, প্ৰতিখন চাহ বাগিচাত কিমান শিশু শ্ৰমিক নিয়োজিত হৈ আছে তাক আঙুলি মূৰত গণনা কৰা সম্ভৱেই নহয়। মাত ফুটাৰ লগে লগে বুলি ক'লে ক'লেও বেয়া নহয় বাগিছা এলেকাত শিশুবোৰে হাজিৰা কৰিবই লাগিব, পৰিস্থিতিৰ ধামখুমীয়াত যেন বাধ্য সিহঁত। অৰ্থাৎ চৰকাৰে আঁচনি প্ৰস্তুত কৰিছে সঁচা, কিন্তু কামত ৰূপায়িত নোহোৱাটোহে অতি পৰিতাপৰ বিষয়।

সেয়েহে ক'ব পাৰি, বৰ্তমান অপ্ৰিয় হ'লেও সত্য যে এতিয়াৰ শিক্ষা কেৱল ধনী শ্ৰেণীৰ বাবেহে মুকলি আছে। উদাহৰণ স্বৰূপে উচ্চমানৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠানত ক্লাছ ৱানত নামভৰ্তিৰ বাবে অতি কমেও দহ হেজাৰ টকা লাগিবই। গতিকে এই মতামত নিঃসন্দেহে সত্য। আনফালে বৰ্তমানে পাঁচটা শ্ৰেণী পৰিচালনা কৰিবলগীয়া হোৱাত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকবো নিৰুপায় অৱস্থা। গতিকে এতিয়া তেনে বিদ্যালয়ত নামভৰ্তি দিয়াটো সুবিধাজনক নে অসুবিধাজনক? এই বিষয়টো বৰ্তমান অনেক শিক্ষিত লোকৰ আলোচ্য বিষয়বস্তু। সেয়েহে আমাৰ মনত প্ৰতিমুহূৰ্ততে প্ৰতিসময়তে উদ্ভৱ হৈ আছে, অলেখ উত্তৰবিহীন প্ৰশ্ন? ❒❒

☺ কোনো এটা জাতিৰ সংস্কৃতি আৰু বৈশিষ্ট্য জনসংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে - সেয়া আন প্ৰাণৱন্ত বস্তুৰ ওপৰতহে নিৰ্ভৰশীল। বিদেশী আৰু শত্ৰুভাৱাপন্ন লোকৰ দ্বাৰা পৰিবেষ্টিত ক্ষুদ্ৰ সংখ্যা লঘিষ্ঠ সকলেও তেওঁলোকৰ সংস্কৃতি, ভাষা আৰু ঐতিহ্য যে কেৱল বজায় ৰাখিবই পাৰে এনে নহয়, সেইবোৰৰ যথোচিত শ্ৰীবৃদ্ধিও সাধন কৰিব পাৰে।

যদি জাতি এটাৰ জীৱনী শক্তি থাকে - মোৰ বিশ্বাস অসমীয়া জাতিৰ সেই জীৱনী শক্তি আছে - তেনেহলে বাহিৰৰ পৰা যিমানেই আক্ৰমণ নকৰক কিয়, অসমীয়া জাতিৰ অস্তিত্ব কোনেও বিপন্ন কৰিব নোৱাৰে।

— জৱাহৰলাল নেহৰু

# কোন বাটেদি অসমীয়া যুৱশক্তি গমন

চম্পল সোণোৱাল
উচ্চতৰ মাধ্যমিক ১ম বষ



মানুহ সমাজ প্ৰিয় জীৱ। সমাজৰ অবিহনে আমি মানৱ জীৱন অসাৰ। এখন সমাজৰ সকলোৱে বিচাৰে যে, আমি কেনেদৰে সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিব পাৰো; সেয়েহে সমাজৰ প্ৰত্যেকে হিংসা, হত্যা তথা সমাজৰ বিশৃংখল পৰিৱেশ আঁতৰাই এখনি সুন্দৰ আদৰ্শবান সমাজ গঢ়িবলৈ বিচাৰে গতিকে এনে ধৰণৰ এখন নিকা সমাজ গঢ়িবলৈ যাওঁতে সমাজৰ এটা শক্তিৰ প্ৰয়োজন হয় আৰু সেই শক্তিটোৱেই হৈছে যুৱশক্তি। যুৱশক্তিৰ অবিহনে কেনেকৈ এখন শৃংখলাবদ্ধ তথা শান্তি পূৰ্ণ সমাজ কেতিয়াও গঢ়ি উঠিব নোৱাৰে। ঠিক তেনেকৈ যুৱশক্তি যদি আদৰ্শবান তথা চিন্তাশীল মনোভাব নহয় তেন্তে সেই সমাজ কেতিয়াও শান্তিপূৰ্ণ তথা আদৰ্শবান হ'ব নোৱাৰে গতিকে এখন সমাজ সামূহিক পৰিৱৰ্তন আনিব পৰা একমাত্ৰ শক্তিটোৱেই হৈছে যুৱশক্তি। এই প্ৰবন্ধটিত বিভিন্ন জনগোষ্ঠীয়ে কাম কৰি থকা আমাৰ অসমৰ অসমীয়া যুৱক-যুৱতী সকলৰ কথাকে আলোচনা কৰিব বিচাৰিছো।

কৰ্ম, সংস্কৃতি, মূল্যবোধ আদি বুজি নোপোৱা আজি যুৱক-যুৱতীয়ে অসমীয়া জাতি আজি সৰ্বাংগীন বিকাশ তথা উন্নয়ন আৰু অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য সম্প্ৰীতি সুদৃঢ়কৰণত লোৱা ভূমিকা তেনেই নগণ্য অৰ্থাৎ হতাশজনক। গতিকে সাম্প্ৰতিক সময়ত অসমীয়া যুৱক-যুৱতীসকলৰ অৱস্থালৈকে অসমীয়া ৰাইজ যে ক্ষুদ্ধ আৰু চিন্তান্বিত হৈ পৰিছে তাক ন-দি ক'বই লাগিব আজিৰ অসমীয়া যুৱক-যুৱতীৰ কোনটো পৰ্যায়ত আছে এই প্ৰশ্নটো গুৰুত্ব সাম্প্ৰতিক সময়ত অসীম। বিশ্বায়ন কৰাত গ্ৰাহক নিমজ্জিত হোৱা অসমীয়া যুৱশক্তি বাইক আৰু মোবাইল আৰু পশ্চিমীয়া সংস্কৃতিকলৈ ব্যস্ত এনেধৰণৰ সংস্কৃতিয়ে যুৱ মানসিকতাত কোনো গঠনমূলক কাৰ্য বা চিন্তা-চৰ্চা কৰাৰ আভাস পোৱা নাযায়। আজি নিজৰ জীৱনৰ ভৱিষ্যতৰ কথা চিন্তা কৰিব নজনা, মূল্যবোধ, কৰ্ম-সংস্কৃতি আদি বুজি নোপোৱা এচাম যুৱক কেৱল বাইক, মোবাইল আৰু পুৰা-গধূলি মদ, ভাং, চুলাই, চাদা, চিগাৰেট, ৰম বাৰান্দি, বিয়েৰ, ফটিকাকে লৈ ব্যস্ত। বিয়া, সবাহ, উৎৱ-পাৰ্বণত আজি অধঃপতিত এচাম যুৱকৰ বাবে মদ, বিলাতি দ্ৰব্য অথবা এলকলহল খোৱাটো এক অভ্যাসত পৰিণত হৈছে। এইবোৰৰ অবিহনে এইচাম ব্যক্তিয়ে একো আনন্দই উপভোগ কৰিব নোৱাৰে। আৰু এইচামে নিজৰ লগতে উঠি অহা প্ৰজন্মৰ উপৰিও পৰিৱেশো উচ্ছৃংখলতা সৃষ্টি কৰে। অন্যহাতে ঘৰৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল তথা সৃষ্টিশীল কৰ্মৰ প্ৰতি কোনো হাবিয়াস নথকা এইচাম ব্যক্তিয়ে তাৰ বাবে 'ইজি মানি' (ক'লা ধন)ৰ আশ্ৰয় ল'ব লগা হৈছে আধুনিকতা প্ৰলেপ সানিব বিচৰা এচামে নিজৰ মাতৃ ভাষাটোকে শুদ্ধকৈ

ক'ব আৰু লিখিব নোৱাৰে। হিন্দী আৰু ইংৰাজীৰ ভাষা জ্ঞান আমাৰ যুৱ সমাজত তেনেই চালুকীয়া অৱস্থাত আছে। গতিকে এনে ধৰণৰ ব্যক্তিয়ে কেন্দ্ৰিয় বা ৰাজ্যিক বা কোনো বহুজাতিক ব্যৱসায় প্ৰতিষ্ঠানত নিয়োজিত হ'ব নোৱাৰে অন্যহাতেদি সেইচাম ব্যক্তিয়ে আকৌ চাকৰি পিছত দৌৰি থকা দেখিবলৈ পোৱা গৈছে ই বাৰু মৰুভূমিত মৰিচিকাৰ পিছে পিছে দৌৰি থকাৰ দৰে হোৱা নাইনে বাৰু? আজি অসমৰ কিমান অসমীয়াই ৰাষ্ট্ৰীয় কৃতবেংক বহুজাতিক কোম্পানী, নানা ধৰণৰ কৰ্পৰেচনৰ প্ৰথম শ্ৰেণীৰ এগজিকিউটিভ পদত নিযুক্ত হ'ব পাৰিছে তাৰ হিচাপ আঙুলি মূৰত লিখিব পাৰি। গতিকে অসমীয়া মানুহৰ অতীত যিমানেই উজ্জ্বল নহওক কিয় ইয়াৰ বৰ্তমান ৰূপটো নিচপ্ৰভ, নিস্তেজ সেইটো চিৰ সত্য। প্ৰাচীন কালত অসমীয়া সমাজৰ শিষ্টাচাৰৰ বান্ধটো বাটকটীয়া আছিল। বিশেষকৈ বয়সত সৰুৱে ডাঙৰৰ প্ৰতি সন্মান জনোৱাটো স্বাভাৱিক আছিল। কিন্তু আজি অসমীয়া সমাজৰ আদৰ্শ স্বৰূপ এই ডেকাচামে ডাঙৰক কৰা এই শিষ্টাচাৰকণ কৰিবলৈকে শিকা নাই। আনহাতে ছাত্ৰই শিক্ষক-শিক্ষয়িত্ৰীক যথোচিত সন্মান কৰা দেখিবলৈ পোৱা গৈছিল। কিন্তু আজি শিক্ষকক যুৱ ছাত্ৰসকলে কি কৰিছে? বজাই ৰাখিব পাৰিছেনে ডাঙৰক কৰা সন্মানসূচক সেই সৌজন্যতা খিনি? আজি যুৱছাত্ৰই মাক-বাপেক, শিক্ষক-শিক্ষয়িত্ৰীৰ আগত মদ, ভাং, চাদা, চিগাৰেট খাবলৈ কুণ্ঠাবোধ নকৰে। আগৰ দিনত আৰু আজিও বহু ছাত্ৰই শিক্ষাগুৰুক দেখিলে চাইকেলৰ পৰা নামি দি সন্মান যচাৰ পৰিৱৰ্তে শিক্ষকৰ লগত চাইকেলৰ 'ফুল পেডেল' মাৰি মাৰি কথাপাতি যাব বিচাৰে আৰু বাইক আদি চলাই যাব বিচাৰে। এইয়ে হৈছে আজিৰ যুৱ মানসিকতাৰ পৰিচয়।

কৰ্মৰ যোগেদি নিজকে আত্মনিৰ্ভৰশীল হ'বলৈ আজি যুৱচামে চেষ্টাই নকৰে কেৱল পৰিয়ালৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল এইচামে তিনিআলি, পাণ-দোকানত আড্ডা মাৰি মদ, চুলাই, চিগাৰেট আদিৰ দৰে মাজত দ্ৰব্য সেৱন কৰাটো তেওঁলোকৰ বাবে 'হবি' লৈ পৰিণত হ'ব ধৰিছে।

'ইজি মানি' (ক'লা ধন)ৰ ধান্দাত চলি থকা এচামে সমাজৰ বিভিন্ন অপকৰ্মৰ যোগেদি অৰ্থ উপাৰ্জন কৰিবলৈ কিমান পাৰে চেষ্টা চলাই আহিছে। যাৰ কৰ্মৰাজিয়ে আজি সমাজত হিংসা, হত্যা, লুণ্ঠন, অপহৰণ আদিৰ দৰে অপকৰ্ম সমাজত অতি সঘনে সংঘটিত হোৱা দেখিবলৈ পোৱা গৈছে।

অপ্ৰিয় হ'লেও এটা কথা স্বীকাৰ কৰা উচিত যে আজি গৰিষ্ঠ সংখ্যক অসমীয়া যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ কোনো লক্ষ্য নাই, কোনো উদ্দেশ্য নাই। জীৱনৰ ৰস বিচাৰিব নজনা এচাম ব্যক্তিয়ে নাজানে প্ৰকৃত অৰ্থত 'জীৱন' মানেনো কি? আজি পশ্চিমীয়া সংস্কৃতিক অনুকৰণ কৰি তাৰ লগত ফেৰ মাৰিবলৈ যাওঁতে বহু অসমীয়া যুৱক-যুৱতীয়ে আজি অসমীয়া সংস্কৃতিৰ ব্যথা পাহৰি যাবলৈ ধৰিছে। নাটক, কথাছবি আৰু সুন্দৰী প্ৰতিযোগিতাৰ আনৰ লগত ফেৰ মাৰিবলৈ যাওঁতে অসমীয়া বহু যুৱতী অন্য ৰাজ্যৰ কিছুমান ভোগবাদী নিম্ন ৰুচিসম্পন্ন পুৰুষৰ হাতত মাৰি যেন হাতৰ পুতলা হৈ পৰিছে তাক নিঃসন্দেহে ক'ব পাৰি।

আজি অসমীয়া যুৱশক্তিৰ পথভ্ৰষ্ট মুখ্য কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ বিচাৰি মই বহুজনক এই প্ৰশ্ন উত্থাপন কৰিছিলো তেওঁলোকৰ মতে অভিভাৱকসকলৰ চেতনা হীনতাৰ ভাব প্ৰকাশ পাইছিল। বৰ্তমান অভিভাৱক-আভিভাৱিকাসকলে নিজৰ ল'ৰা-ছোৱালীয়ে ক'ত কেনেধৰণৰ কাৰ্য কৰিছে তাৰ বিচাৰ কৰা দেখিবলৈ পোৱা নাযায়। যাৰ বাবে অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক জীৱনৰ শুদ্ধ পথৰ সন্ধান দিব নোৱাৰে।

গতিকে পিতৃ-মাতৃয়ে কেৱল সন্তান জন্ম দিয়েই তেওঁলোকৰ দায়িত্ব শেষ বুলি ধৰি নলৈ তেওঁলোকৰ চাল-চলন, কাৰুকাৰ্যৰ পতি লক্ষ্য ৰাখি জীৱনক এনে এটা পথৰ সন্ধান দিব লাগে যিটো পথে গ'লে সমাজৰ এজন বলিষ্ঠ তথা আদৰ্শ ব্যক্তি হিচাপে সমাজত স্বীকৃতি লাভ কৰিব পাৰে।

আমাৰ জাতিৰ মেৰুদণ্ড স্বৰূপ যুৱশক্তিৰ প্ৰতিজন ব্যক্তি আদৰ্শৱান, মূল্যবোধ তথা কৰ্মসংস্কৃতিবান হ'লেহে অসমীয়া জাতীয় অস্তিত্ব তথা সামাজিক উন্নয়নৰ লগতে শান্তি-শৃংখলা বৰ্তি ৰখাত সহায়ক হ'ব।

জ্যোতিপ্ৰসাদ দেৱে কৈছিল — "অসমীয়া ডেকা তোমালোক আকৌ নীলাচলৰ দৰে বব লাগিব। শত শত্ৰুৰ অভিযান ব্যৰ্থ কৰিবলৈ লুইতৰ দৰে বব লাগিব। জননী সকলো গ্লানি উটাই দিবলৈ তোমালোক উঠিব লাগিব। যুঁজিব লাগিব, মৰিব লাগিব।" □□

# অসমীয়া গাঁৱলীয়া সমাজ আৰু শিক্ষা ব্যৱস্থাত মদৰ কু-প্ৰভাৱ

ৰমনদীপ গগৈ
স্নাতক ১ম বৰ্ষ (কলা)

"তুমিয়েই প্ৰাণ
তুমিয়েই ধান
তুমিয়েই অসমীৰ মান।"

— এইবুলি আমাৰ অসমীয়া গাঁৱলীয়া সমাজৰ বহুতো লোকে মদৰ নামত এবিধ বিষ পান কৰি নিজৰ লগতে সমাজকো অৱনতিৰ পথলৈ ঠেলি নিয়েই আছে। বিশেষকৈ অসমীয়া গাঁৱলীয়া সমাজৰ লোকসকলৰ সৰহভাগেই অশিক্ষিত। এই অশিক্ষিত লোকসকলৰ মদৰ বিষয়ে কোনো সম্যক জ্ঞান নথকাৰ বাবেই ইয়াক জীৱনৰ সুখ বুলি বিষকেই অতি আনন্দ মনেৰে পান কৰি আহিছে। এই অশিক্ষিত লোকসকলৰ মাজতো আছে, সমাজৰ শিক্ষিত লোকৰ কু-প্ৰভাৱ।

সাধাৰণতে অশিক্ষিত লোকসকলে দিন সমাজত হাই-উৰুমি কৰি এক হুলস্থূলীয়া লোকসকলে ৰাতি আন্ধাৰ বা পৰ্দাৰ আঁৰত মদ ভদ্ৰ লোক বুলি গণ্য কৰে। দিনৰ পোহৰত অ'ত কৰাৰ কাৰণে অশিক্ষিত লোকসকল সমাজত দোকানীয়া মদলোৱা শিক্ষিত লোক সকলক প্ৰতিবাদ কৰো। কাৰণ দিনৰ পোহৰত এজন যে, — "মদ নাখাবা, ই এক অপকাৰী দ্ৰব্য। ঘটে।" কিন্তু সেই একেজন লোকেই গধূলি আজি সভাত বহুত ভাষণ দিলো, এতিয়া বৰ



ৰাতি সময় চিন-চাব নোহোৱাকৈ মদ খাই পৰিৱেশৰ সৃষ্টি কৰে। কিন্তু শিক্ষিত চামৰ পান কৰি ভদ্ৰ লোকৰ মুখা পিন্ধি সমাজত নিজকে ত'ত গাঁৱলীয়া মদ খাই হুলস্থূলীয়া পৰিৱেশ সৃষ্টি বেয়া মানুহ। কিন্তু ৰাতিৰ আন্ধাৰ বা পৰ্দাৰ আঁৰত সমাজে সভ্য বুলি গণ্য কৰে। কিন্তু মই ইয়াক শিক্ষিত লোকে এখন সভাত ভাষণ দিওঁতে কয় ইয়াক পান কৰিলে মানুহৰ স্বাস্থ্যৰ অৱনতি সময়ত ঘৈণীয়েক বা লগৰ সমনীয়াৰ আগত কয়, ভাগৰ লাগিছে, অলপ মদ খাই শুই থাকোগৈ।

উক্ত শিক্ষিত লোকজনে সভাত ভাষণ দিয়াৰ পৰা ৰাতি মদ খোৱা আদি কৰি কথাষাৰে অশিক্ষিত লোকসকলক মদৰ পৰা আঁতৰি থকাতকৈ মদ খাবলৈ উদ্‌গণিহে জগায়।

আমাৰ সমাজত ডাঙৰ শিক্ষিত লোকসকলেই মদ খাই দেখুওৱাৰ কাৰণেই সমাজত সৰু সৰু ল'ৰাই ছাত্ৰাৱস্থাতেই মদ খাই বিদ্যালয়লৈ যোৱা পৰিলক্ষিত হয়। আমাৰ লোক সমাজত এটি প্ৰচলিত বাণী আছে যে আগৰ গুৰ যেনি যায়, পিছৰ গৰু তেনিয়েই যায়। আগৰ গৰু হৈছে সমাজৰ লোকসকল আৰু পিছৰ গৰু হৈছে ছাত্ৰসকল। সমাজৰ সকলো ডাঙৰ লোকবিলাকেই যদি মদ খাই দেখুৱাই তেনে অৱস্থাত ছাত্ৰসকলে মদ খোৱাতো স্বাভাৱিক। যদি সমাজতে ছাত্ৰসকলক ছাত্ৰাৱস্থাৰ পৰাই শিক্ষিত কৰি নিনিয়ে তেতিয়া সমাজৰ পিঠিত মাধমাৰ মাৰি সমাজৰ ৰাজহাড় ভাঙি দিয়া যেন হয়। কাৰণ কোনো এখন সমাজৰ উন্নতিৰ আদি মূলেই হৈছে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকল। এই কাম সাধাৰণতে সমাজৰ শিক্ষিত লোকসকলে কৰা উচিত। যদি তেওঁলোকে পঢ়ি-শুনি সমাজৰ বাবে এইকণো অৱদান আগবঢ়াব নোৱাৰে তেন্তে তেওঁলোকে এবাটি পানীত মূৰ ডুবিয়াই আত্মহত্যা কৰা উচিত বুলি মই ভাবো।

আমাৰ অসমৰ সমাজ শিক্ষা ব্যৱস্থা ভৱিষ্যতলৈকে এইদৰেই চলি থাকে যদি তেন্তে অসমৰ শিক্ষা ব্যৱস্থাত পানীত হাঁহ নচৰা অৱস্থা হৈ পৰিব আৰু আমাৰ কোনো বৈশিষ্ট্যই নাথাকিব। আমি সকলোৱে মিলি আমাৰ সমাজক ৰক্ষা কৰো আহক ৰাইজ। □□

# ছবি আঁকা বিজ্ঞানী-লিওনার্দো দা-ভিঞ্চি

(১৪৫২-১৫১৯)

মিচ্ মনালিছা গগৈ
স্নাতক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

কলা আৰু বিজ্ঞান যদিও প্ৰায়েই বিপৰীত মুখী, তথাপি কলা সন্মত বিজ্ঞান আৰু বিজ্ঞান সন্মত কলাৰ প্ৰয়োজনো নুই কৰিব নোৱাৰি। এটাই আনটোৰ উদেশ্যত ব্যাঘত নজন্মায়, বৰঞ্চ সহয়হে কৰে। পাছে দুখৰ বিষয় এনে যে সেই দিশত চিন্তা কৰা বা কাম কৰা লোকৰহে আমাৰ সমাজত অভাৱ। অৰশ্যে তাৰ মাজতে দুই এজন মহা মানৱে দুয়োৰে মাজত সন্মৰ্প ঘটাবলৈ চেষ্টা নকৰা হয়। তেনে এগৰাকী মহামানৱেই আছিল 'লিওনার্দো দা ভিঞ্চি'।

ভিঞ্চিৰ বিজ্ঞান জগতলৈ ভগবঢ়োৱা অৱদান যদিও কম নহয়, তথাপি বহুতেই তেওঁক চিত্ৰকৰ বুলিহে জানে। সম্বৰতঃ বিজ্ঞানতকৈ চিত্ৰৰ আকৰ্ষন বেছি হোৱাই ইয়াৰ কাৰণ। কিন্তু ভিঞ্চিৰ প্ৰতিভা আছিল বহুমুখী। স্থপতিবিদ শিলত খোদাই কৰোতা, যন্ত্ৰ নিৰ্মাতা আৰু সংগীতজ্ঞ হিচাপেও তেওঁ সুখ্যাতি লভিছিল। একেজন মানুহেই ইমানখিনি গুণৰ অধিকাৰী কেনেকৈ হ'ব পাৰে ভাবিলে আচৰিত লাগে।

ইটালীৰ ফ্লৰেন্সৰ ওচৰৰ এখন গাঁৱত -১৪৫২ চনত ভিঞ্চিয়ে জন্ম গ্ৰহণ কৰিছিল। মাক-দেউতাকে আৰ্থিক টনকিয়াল হোৱাৰ কাৰণে ভিঞ্চিয়ে অভাৱ অনাটন কি বুজিকে নাপাইছিল। ভিঞ্চিৰ এটাই মাত্ৰ নিচা আছিল আৰু সেইটো হ'ল ছবি আঁকা। তেওঁ বেছিভাগ সময় ছবি আঁকিয়েই কটাইছিল। ছবি আঁকি থাকিবলৈ পালে তেওঁ হেনো খোৱা-বোৱাৰ কথাও পাহৰি গৈছিল। স্কুলীয়া-শিক্ষা শেষ কৰাৰ পাছত ভিঞ্চিয়ে প্ৰখ্যাত চিত্ৰকৰ আৰু ভাস্কৰ্যবিদ আন্দ্ৰিয়াদেল ভেৰোচ্ছিয়াৰৰ ওৰচত কেইবা বছৰো ধৰি ছবি অঁকাৰ শিক্ষা হৈছিল।

শিক্ষা লোৱাৰ পাছত ভিঞ্চিয়ে দুগুণ উৎসাহেৰে ছবি আঁকিবলৈ ধৰিলে। দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ কেৱল ছবিকে আঁকিলে। লাহে লাহে ভিঞ্চিৰ ছবি অঁকাৰ সুখ্যাতি চাৰিওফালে বিয়পি পৰিল। দুই একে তেওঁৰ ছবি বহুত বহুত দাম দি কিনিবলৈ ল'লে। ইটালী তথা গোটেই ইউৰোপতে অতি কম সময়ৰ ভিতৰতে ভিঞ্চি এগৰাকী প্ৰখ্যাত চিত্ৰকৰ হিচাপে প্ৰতিষ্ঠিত হ'ল। তেওঁৰ চিত্ৰ শিল্পৰ নমুনা হিচাপে কেইখনমান ছবি আজিও স্বীকৃত আৰু সমাদৃত। তাৰ ভিতৰত মানলিছাৰ চিত্ৰ আৰু মিলন নামে ঠাইত শিষ্য সকলৰ সৈতে যীশুৱে শেষবাৰৰ কাৰণে আহাৰ খোৱাৰ চিত্ৰ এই দুখনেই প্ৰধান। ইয়াৰ উপৰি চেণ্ট জন্ দা ব্যাপটিষ্ট, মাদোনা অব দা ৰক্স আৰু অসমাপ্ত ছবি চেণ্ট দেৰোম ভিঞ্চিৰ চিত্ৰ শিল্পৰ অক্ষয় কীৰ্তি। ভিঞ্চিয়ে যদি বিজ্ঞানৰ দিশত একো নকৰিলেহেঁতেন, তথাপি

এই চিত্ৰকেইখনৰ কাৰণেই তেওঁ অমল হৈ থাকিলহেঁতেন।

চিত্ৰ-শিল্পৰ মাজেদিয়েই ভিঞ্চিয়ে বৈজ্ঞানিক চিন্তা-চৰ্চাও কৰিবলৈ লৈছিল। এবাৰ চৰাইৰ ছবি এখন আঁকি থাকোতে তেওঁৰ হঠাতে ভাব হ'ল ডেউকা থকা হ'লে মানুহেও নিশ্চয় উৰিব পাৰিলেহেঁতেন। কেইবাদিনো ধৰি তেওঁ এই চিন্তাকেই কৰিলে। তাৰ পাছত তেওঁ এখন ছবি আঁকিলে। মানুহৰ দুয়ো হাতৰ লগত কৃত্ৰিম ডেউকা লগাই উৰি থকা অৱস্থাত দেখুওৱা হ'ল। ডেউকা দুখন উঠা নমা কৰিবৰ কাৰণে কি ধৰণৰ কল-কব্জা লগাব পাৰি তাৰো পৰিকল্পনা তেওঁ কৰিলে। ভিঞ্চিৰ এই ছবিখনে বহুতকে অনুপ্ৰাণিত কৰিলে। যি দুই একে আগৰেপৰাই উৰাৰ কথা মনে মনে ভাবি আছিল তেওঁলোকে ভালেই পালে। তাৰে দুই এজনে হাতত কৃত্ৰিম ডেউকা বান্ধি উৰিবলৈ চেষ্টা কৰিলে। পাছে চেষ্টাহে কৰিলে, সফল নহ'ল। এনে চেষ্টা কৰোতা বেছিভাগেই মৃত্যুৰ মুখত পৰিল। হাত ভৰি ভাঙি দুই এজন আকৌ জীৱনলৈও ঘৃণীয়া হ'ল। পাছে সি যি নহওক ভিঞ্চিৰ এই পৰিকল্পনাতে ভেজা দিহে পৰৱৰ্তী বিজ্ঞানীসকলে উৰাজাহাজ তৈয়াৰ কৰিবলৈ সমৰ্থ হ'ল।

বিজ্ঞানৰ বিভিন্ন শাখাত ভিঞ্চিয়ে কাম কৰিছিল। তেওঁৰ আগলৈকে পিন হ'ল কেমেৰাৰ মুখৰ পিনে ফুটাটোহে আছিল, লেন্স নাছিল। ভিঞ্চিয়েই পোনপ্ৰথমে এই লেন্সৰ ব্যৱহাৰ কৰে। ইয়াৰ ফলত ছবিবিলাক বেছি স্পষ্ট হৈ পৰিল।

উদ্ভিদ বিদ্যাৰ ক্ষেত্ৰতো ভিঞ্চিৰ অৱদান কম নহয়। আজিকালি উদ্ভিদ বা প্ৰাণীৰ ক্ৰমবিকাশ জানিবলৈ হ'লে জীৱাশ্ম অধ্যয়নৰ নিতান্ত প্ৰয়োজন। কিন্তু এই জীৱাশ্ম সম্পৰ্কে আমাক প্ৰথম জ্ঞান দিছিল ভিঞ্চিয়েই। ভিঞ্চিয়েই আৱিষ্কাৰ কৰিছিল যে উদ্ভিদৰ দেহ দীৰ্ঘকাল ধৰি মাটিৰ তলত চেপা খাই থাকিলেও চাপ আৰু তাপৰ প্ৰভাৱত সি পাথৰলৈ ৰূপান্তৰিত হয়। ভিঞ্চি এগৰাকী ৰসায়নবিদো আছিল। ছবিত ব্যৱহাৰ কৰা চিয়াঁহী বিলাক তেওঁ নিজেই তৈয়াৰ কৰি লৈছিল। এই চিয়াঁহীসমূহৰ ৰং তেওঁ এনে ৰাসায়নিক প্ৰক্ৰিয়াৰে তৈয়াৰ কৰিছিল যে তেওঁ আঁকি থৈ যোৱা ছবিবোৰত তাৰ উজ্জ্বলতা আজিও কমা নাই। ছবিৰ প্ৰতি তেওঁৰ ইমানেই আগ্ৰহ আছিল যে ছবি অঁকাৰ বিভিন্ন সাজ-সৰঞ্জামো তেওঁ নিজেই তৈয়াৰ কৰি লৈছিল। তেওঁৰ ছবি অঁকাৰ সৰঞ্জাম, চিয়াঁহী, ৰং আদি হেনো পাশ্চাত্যৰ কোনোবা এটা যাদুঘৰত এতিয়াও সংৰক্ষণ কৰি থোৱা হৈছে। কোনো কোনোৱে তেওঁক দুই এপদ সামৰিক অস্ত্ৰৰ আৱিষ্কাৰক বুলিও ক'ব খোজে।

চিকিৎসাবিজ্ঞানলৈও তেওঁ কিছু অৰিহণা আগবঢ়াই গৈছে। শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগ আৰু তন্ত্ৰসমূহৰ বিষয়ে জানিবলৈ শৱ ব্যৱচ্ছেদ কৰিচোৱাটো যে প্ৰয়োজন সেই কথা তেৱেঁই দেখুৱাই থৈ গৈছে। ভাৰতবৰ্ষত অৱশ্যে শৱ ব্যৱচ্ছেদ তাৰো আগতেই কৰা হৈছিল। কিন্তু পাশ্চাত্যত তেৱেঁহে পোন প্ৰথমে এই নিয়ম প্ৰৱৰ্তন কৰে। তেওঁকে দেখিয়ে পৰৱৰ্তী চিকিৎসা বিজ্ঞানীসকলে এই কামত হাত দিলে আৰু ইয়াৰ ফলতে বহুটো নজনা কথা আৱিষ্কৃত হ'ল। ভিঞ্চিৰ দ্বাৰা অনুপ্ৰাণিত হোৱা চিকিৎসাবিজ্ঞানীসকলৰ ভিতৰত ভেঠালিয়চ্ হাৰ্ভে, মোৰাগাগ্নি আদিয়েই প্ৰধান। এওঁলোকৰ প্ৰত্যেকেই চিকিৎসা বিজ্ঞানৰ অনেক উন্নতি কৰি গৈছে।

১৫১৯ চনত এই গৰাকী বিজ্ঞানীৰ মৃত্যু হয়। তেওঁৰ পঞ্চভৌতিক দেহাটো হয়তো আজি আমাৰ মাজত নাই, কিন্তু বিজ্ঞানৰ বিভিন্ন শাখালৈ আগবঢ়োৱা তেওঁৰ অৱদানসমূহ আৰু পৃথিৱীৰ বিভিন্ন যাদুঘৰত থকা তেওঁৰ অমূল্য চিত্ৰসমূহ বিজ্ঞান তথা কলাপ্ৰেমীসকলোৰে কাৰণে অনন্তকাললৈ অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। ☐☐

*সেইটোৱেই হ'ল সুন্দৰ কলা সৃষ্টি য'ত হাত, হৃদয় আৰু মগজুৰ সম্পূৰ্ণ সহযোগ দেখিবলৈ পোৱা যায়।*

*— জন ৰাস্কিন।*

# সংক্ষেপতে বিশ্বব্ৰহ্মাণ্ড


ইন্দুকল্প দিহিঙীয়া
স্নাতক দ্বিতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ


বিশ্বব্ৰহ্মাণ্ড কি? ইয়াৰ উৎপতি, শেষ পৰিণতি কি হ'ব পাৰে! কৃষ্ণগহ্বৰ (Black hole) অন্ত কি দৰে হ'ব? আনহাতে আমি জানো বৰ্তমান বিশ্বব্ৰহ্মাণ্ড প্ৰসাৰণমান, তেন্তে ইয়াৰ সংকোচন হ'বনে নহয়, বা কেনেকৈ হ'ব? নে মাত্ৰ অসীমলৈ প্ৰসাৰণ হ'ব! যদিগ মহানাদৰ পৰাই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, তেন্তে ই বা কিয় হৈছিল? সময় কি, ইয়াৰ দিশ কি? এনেধৰণৰ এখন প্ৰশ্নৰ সাগৰ বৰ্তমান মোৰ সকলোফালেই মোক আগোৰি ৰাখিছে, তাতেহে মাত্ৰ সাতুঁৰি যিকোনো এটা পাৰলৈ যাবৰ চেষ্টা কৰিছো।



এই ক্ষেত্ৰত প্ৰধান অস্ত্ৰ হিচাপে পদাৰ্থ বিজ্ঞানক সদায় শিতানত ৰাখিছো। ধৰাহ'ল, প্ৰথমে এটা লোৰ খালী গোলকৰ আভ্যন্তৰীণ ভাগ সম্পূৰ্ণ শূন্য কৰা হৈছে; য'ত পদাৰ্থ আৰু শক্তি দুয়োটাৰে ঘনত্ব শূন্য হ'ব। প্ৰক্ৰিয়াটো অতি ক্ষিপ্ৰ প্ৰায় $10^{-16}$ ছেকেণ্ড আৰু শূন্যতা $10^{-16}\%$ তেন্তে গোলকটো বিস্ফুৰিত হ'ব, ইয়াৰ বিশ্লেষণ স্বৰূপে ক'ব পাৰি যে, প্ৰকৃতিয়ে শূন্যস্থান ঘৃণ কৰে। প্ৰকৃতি বুলিলে, আমি বিশ্বব্ৰহ্মাণ্ডকে বুজোঁ, গতিকে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণ কাৰণ স্বৰূপে, এনেদৰে ক'ব পাৰি যে, বিশ্বব্ৰহ্মাণ্ডৰ বাহিৰত বিশ্বব্ৰহ্মাণ্ডক আগোৰি এটা অসীম শূন্যস্থান আছে, যি অংশক ধংস কৰিবলৈকে বিশ্বব্ৰহ্মাণ্ড সমানভাৱে সকলোফালে প্ৰসাৰণ হৈ আছে। আনহাতে বিশ্বব্ৰহ্মাণ্ডৰ গঠনত এটা পাৰন্তিক কণিকাৰ অৱস্থিতি নুই কৰিব নোৱাৰি যাৰ নাম '$1_n$' কণিকা বা চমুকৈ 'W' কণিকা বুলিছো, অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণৰ অন্তিম মুখনি 'W' কণিকা হিচাপেহে হয়, এই কণিকাৰ বিষয়ে বহু কথাই আছে কিন্তু ই এটা প্ৰবন্ধৰ পৰা আঁতৰত।

এতিয়া অন্য এটা কথা ভবা হওক, আমি সকলো তন্ত্ৰই (system) সাম্যৰ ফালে গতি কৰা দেখিব পাওঁ, যদি বিশ্বব্ৰহ্মাণ্ডৰ তন্ত্ৰটোও তেন্তে ইয়াৰ ব্যৱধান কিয় হ'ব। অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণৰ পাছত সংকোচন কিয় হ'ব? যদি তন্ত্ৰটো সাম্য অৱস্থাত থাকিব তেন্তে বিশ্বব্ৰহ্মাণ্ডৰ অন্তিম অৱস্থাত সকলোতে অসীমলৈ শক্তিৰ ঘনত্ব সমান হ'ব লাগিব। এনে ধৰণৰ এখন বিশ্বব্ৰহ্মাণ্ডত কি কি ঘটনা ঘটিব পাৰে, যিহেতু শক্তিৰ সৃষ্টি বা ধংস নহয় গতিকে বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো সময়ৰ শক্তি কিছুমান ক্ষুদ্ৰভৰ হিচাপে নিৰ্দিষ্ট কল্পনাংকত ডুলি থাকিব (W - কণিকা) অৰ্থাৎ

$$\sum_{i=1}^{n} (W:) = E$$

য'ত n এটা প্ৰচণ্ড ডাঙৰ সংখ্যা, যাক কল্পনা কৰিবৰ বাবেও যথেষ্ট সময়ৰ প্ৰয়োজন। আৰু E হৈছে বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো সময়ৰ শক্তি।

পোহৰৰ সৈতে, প্ৰকৃতি আৰু হাইজেন্সৰ নীতিৰ (Huygen's) মতে, সুষণ মাধ্যমত এটা পোহৰৰ উৎস ৰাখিলে ইয়াৰ পৰা বিকিৰিত হোৱা তৰংগ সকলো দিশতে একে বেগেৰে গতি কৰি ওলাই যায়। যদি ইয়াৰ বেগ v বুলি ধৰা যায় তেন্তে t ছেকেণ্ডৰ পাছত সকলো দিশত vt ব্যাসাৰ্ধৰ এটা গোলক আকৃতিৰ তৰংগমুখৰ সৃষ্টি কৰিব আৰু ইয়াৰ প্ৰতিটো বিন্দুতে একোটা গৌণ উৎস হিচাপে কাম কৰে। অৰ্থাৎ পোহৰ তলংগৰ সংশ্লিষ্ট কণিকাবোৰে এই নীতি মানি চলে। ইয়াক এনে ধৰণে ক'ব পৰা যায় যে, পোহৰ কণাবোৰ অতিকে উৎপতিয়া আৰু অস্থিৰ, গতিকে ই সকলো দিশত নিজৰ দৰে কণিকা বিকিৰণ কৰি সাম্য অৱস্থালৈ আহিব বিচাৰে। সাম্য অৱস্থালৈ নহালৈ ই একেধৰণেৰে আচৰণ কৰে। ই বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুকণাৰে ক্ষেত্ৰত প্ৰযোজ্য সত্য যে সকলো কণিকাই W কণিকা হ'বলৈ চেষ্টা কৰে।

বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্ব সাম্য কেনে ধৰণৰ হ'ব পাৰে ইয়াকো ভাবিব লগিয়া, যদি বিশ্বব্ৰহ্মাণ্ডৰ আকৃতি গোলাকাৰ হয় তেন্তে সাম্যও গোলাকাৰ হ'ব। W কণিকাবোৰ সুষম ঘনত্বৰে সৃষ্টিত হৈ থাকিব আৰু সেই সময়তো বিশ্বব্ৰহ্মাণ্ডখন স্থিৰ হৈ নাথাকিব, ই সুষম বেগত প্ৰসাৰিত হৈ থাকিব। ই পৃথিৱীবাসীৰ বাবে অতি দুখৰ কথা যে এই অৱস্থাৰ পাছত আকৌ এনে ধৰণৰ এখন পৃথিৱী বিচাৰি নাপাম বা সৃষ্টিৰো অৱকাশ নাথাকিব ◻◻

মানুহেই চিৰকাল পৃথিৱীত জীয়াই থাকিব বুলি নিশ্চিত হোৱাহেঁতেন সতি-সন্ততিৰ কথা চিন্তাই নকৰিলেহেঁতেন।

*- নেথানিয়েল হৰ্থণ*

পৰিৱৰ্তনেই জীৱনৰ নিয়ম। যিয়ে কেৱল অতীত আৰু বৰ্ত্তমানলৈ চায়, তেওঁ ভৱিষ্যতক নিশ্চয়কৈ হেৰুৱাব।

*- জন এফ কেনেডী*

# মোৰ কানৈ হোষ্টেল

শ্ৰীমতী পপী বুঢ়াগোঁহাই
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক - তৃতীয় বৰ্ষ

"সপোনবোৰ যেতিয়া বিচাৰি ফুৰো নিশাৰ প্ৰান্তৰে প্ৰান্তৰে
জোনাকৰ চকুপানী তেতিয়াগছৰ পাতে পাতে
মোৰ অন্তৰৰ কুমল সুৰভি নামি আহে
অকলশৰে, অকলে, অনুভৱৰ মাজেৰে"

চিৰস্মৰণীয় অতীত হেৰুৱাৰ দুখ আৰু অনাগত ভৱিষ্যতৰ শংকাৰে ভাবাক্ৰান্ত আমাৰ জীৱন আৰু যৌৱনৰ প্ৰথম পুৱাৰ মাদকতা, জীৱন জগত সম্পৰ্কীয় হেজাৰটা প্ৰশ্নই মোৰ অন্তৰআত্মাক আচ্ছন্ন কৰি ৰাখে । কেতিয়াবা পোহৰতকৈ কাজলী আন্ধাৰ বেছি ভাল, ৰামধেনুতকৈ ধুমুহা বেছি ভাল, শব্দতকৈ নৈশব্দ আৰু সংগতকৈ নিসংগতা । তেনেকৈ জীৱনৰ প্ৰতিটো বাস্তৱ প'লতকৈ অনুভৱৰ মাজত সোমাই পৰো, জীৱনৰ যেন অন্য এক যাত্ৰা ।

তথাপিও অকণমান যন্ত্ৰণা থকা হৃদয় সদায়েই সেউজীয়া । বিষাদহীন দুচকুতকৈ অকণমান বিষাদৰ প্ৰলেপ সনা দুচকুৰ হাঁহি বেছি ধুনীয়া । জীৱনৰ বহুতো ৰঙীণ স্বপ্ন লৈ এদিন আহিছিলো ঐতিহ্যমণ্ডিত ডি.হ.সু. কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসলৈ অবিনাশী অসীম পানচৈ যেন মোৰ শিক্ষা জীৱনৰ লক্ষ্য পৰিপূৰণৰ বাবে । সৰুৰে পৰা ঘৰতে থাকি স্কুললৈ যোৱাৰ বাবে আমনি লগাত শেষত হোষ্টেলত থকা মানসেৰে এই জ্ঞানৰ মন্দিৰত নাম লগালো আৰু লগে লগে কলেজৰ হোষ্টেলত এডমিচন ললো । তেতিয়া মনটো মোৰ খুবেই ভাল লাগিছিল । কাৰণ এখন কলেজত বিভিন্ন ব্যক্তিত্বৰে পৰিৰ্পূণ বন্ধু সতীৰ্থক লগ পোৱাৰ লগতে হোষ্টেলত একেটা পৰিয়ালৰ দৰে থাকিম বা- ভন্টী আৰু বান্ধৱীহঁতৰ লগত । ইয়াৰ উপৰিও বহুত দিনৰ মূৰত ঘৰলৈ গৈ মা-পাপাৰ পৰা স্নেহৰ দাবী কৰাটো মোৰ বাবে আমোদজনক হৈ পৰিছিল । সেয়ে ৯ আগষ্ট ২০০৯ দিনা 'মাৰ' সৈতে মই হোষ্টেললৈ আহো । সেইদিনাখন অৱশ্যে মা-পাপা, দাদাক এৰি অকলশৰে থাকিবলৈ অহাটো মোৰ বাবে বৰ দুখৰ কথা আছিল লগতে ভয়ো সংমিশ্ৰণ হৈ আছিল । মায়ে হোষ্টেলৰ অধীক্ষিকা বাইদেইউৰ সতে কথা পাতি ১৯ নং ৰুমত মোৰ থকাৰ ব্যৱস্থা কৰি প্ৰয়োজনীয় বস্তুকেইপদ কিনি ঘৰলৈ গুচি গ'ল . 'মা' যোৱাৰ পাছত মনটো খুবেই বেয়া লাগিছিল । ইতিমধ্যে হোষ্টেলৈলৈ মোতকৈ আগতে যোৱা মোৰ বান্ধৱীহঁতে কলে যে হোষ্টেলৰ পাৰম্পৰিক নিয়ম মতে নতুনকৈ অহা ছোৱালীবোৰে চুইডাৰ পিন্ধি দুপাট্ৰাখনত পিন মাৰি থাকিব লাগে । লগতে এটি কলা ফোট লগাব লাগে । গধুলি সকলোৰে payerhall লৈ যাওঁতেআমি নতুনখিনিয়ে ৰুমটোৰ এটাফালে থিয় হৈ বাকী চিনিয়ৰ বা হতে আমাৰফালে মুখ কৰি বহি আছিল । সেইদিনা গধুলি চিনিয়ৰ বা হঁতৰ ভিতৰত আটাইতকৈ মৰম লগা আৰু ধুনীয়া বিনিতা বাই সেইদিনাখন নতুনকৈ অহাকেইজনী আগলৈ ওলাই আহি নিজৰ পৰিচয় দিবলৈ

কলে । মই লাহেকৈ আগলৈ গৈ নিজৰ পৰিচয় দিলো । দিপলিপ নামৰ ধুনীয়া বা গৰাকীয়ে মোক 'কেটৰাক' কৰি দেখুৱাবলৈ কলে। মই আদেশৰ মান ৰাখি নজনাকৈয়ে কৰি দেখুৱালো। সচাঁ কথা কবলৈ গলে হোষ্টেলৰ প্ৰথম দিনটো মোৰ সচাঁয়ে ভাল লাগিল। payerhall ৰ পৰা আহি মই মোৰ নিজৰ ৰূমত নাথাকি তলৰ ফ্লৰৰ বিনীতা, অংশু, ৰশ্মি হঁতৰ লগত থাকিলো । অৱশ্যে সকলোৰে মুখত হোষ্টেলৰ নিয়মখিনি শুনি মোৰো ভয় লাগিবলৈ ধৰিলে। তাতে হোষ্টেলৰ সকলো চিনিয়ৰ নাম একেদিনাই মনত ৰখাটো মোৰ বাবে বৰ টান আছিল । পিচদিনা দুপৰীয়া সাজ ডাইনিং হ'লত নোখোৱা বাবে আমাৰ কেইজনীমানক বিনীতা বাই গালি পাৰিলে । সেইদিনা ডিব্ৰুগড়ত খুবেইবৰষুণ দিছিল । হোষ্টেললৈ যোৱা ৰাস্তাটো প্ৰায় পানীয়ে ভৰি পৰিছিল । মই চুটি লোৱা দৰ্খাস্তখন জিম্পী বা হাতত দি কান্দি কান্দি ঘৰলৈ বুলি ৰাওনা হ'লো । কিন্তু ঘৰত মা- পাপাই হোষ্টেলত নাথাকি ঘৰলৈ ঘুৰি যোৱা বাবে গালি পৰাত পিছদিনা পুনৰ হোষ্টেললৈ ঘুৰি আহিলো । তাৰ পিছত নৱাগত আদৰণি সভা নোহোৱালৈকে চুইডাৰ পিন্ধা, ফোট লগোৱা, আটি - মাৰি চুলি বন্ধা, পুৱা ৬ বজাৰ আগতে গা ধোৱা, সকলো চিনিয়ৰ নাম মনত ৰখাৰ লগতে গুডমৰ্ণিং, গুডনাইট কোৱা আৰু সৰু সৰু ভুলৰ বাবে পেয়াৰহলত গালি খোৱাটো নিত্য নৈমিৰ্ত্তিক ঘটনা হৈ পৰিছিল । অৱশ্যে আনৰ তুলনাত মই গালি খোৱা নাই বুলি কলেও বেয়া নহব । পেয়াৰহলত ইয়াৰ উপৰিও নতুনখিনিক নাচিবলৈ গাবলৈ দিয়াত বা হঁতৰ লগতে মনে মনে আমিও আনন্দ উপভোগ কৰিছিলো। ইয়াৰ উপৰিও হনুমান বনা, জেলেপী বনা, ৰাৱণৰ হাঁহি মৰা, কেটৰাক কৰা ঘটনাবোৰে মোক এতিয়াও আমোদ জনায় । তাৰ পিছত নৱাগত আদৰণি সভা যোগেদি বা হঁতে আমাক একেটা পৰিয়ালৰ সদস্য ৰূপে আকোৱালি ললে আৰু সভাত সেইকেইদিনৰ মনোৰঞ্জনৰ বিষয়ে মই চমু বক্তব্য দাঙি ধৰিলো। ইয়াৰ উপৰিও নতুন ছোৱালীখিনিয়ে কলেজৰ ছাত্ৰী জিৰণী কোঠাত নোসোমোৱা, ল'ৰা নমতা, কেন্টিন নোযোৱা, ৰেলিংত নবহা আদি নিয়ম আছিল । এদিন মোৰ বান্ধৱী দিপালীয়ে (চেপেটী) ককায়েকৰ লগত ৰেলিংত বহি থকা চিনিয়ৰ লাকী বাই দেখাত হোষ্টেলত দিপালীক খুব গালি পাৰিলে । লাহে লাহে আমাৰ সকলোৰে হোষ্টেলত থাকি ইমানে ভাল লগা হ'ল যে ঘৰলৈ যাবলৈ মনেই নোযোৱা হ'ল । হোষ্টেলত থকা দিনকেইটা মোৰ জীৱনৰ চিৰস্মৰণীয় দিন ।

সাহিত্যিক বনফুল কবি, তফজ্জুল আলি, লক্ষ্মী প্ৰসাদ, পণ্ডিত যোগীৰাজ আদি মহান মনিষীয়ে আলোকিত তথা সুদৃঢ় কৰা লুইতৰ পাৰৰ কানৈয়াৰ ভেটিত তিনি বছৰ দিন অতিক্ৰম কৰিলো । সংকীৰ্ণতাক নেওচি বিশালতাক সগৰ্বেৰে প্ৰকাশিত কৰা পবিত্ৰ তীৰ্থ সোণত সুৱগা চৰাই জ্ঞানৰ জ্যোতিৰে উজ্বলি আছে জ্ঞানৰ বটবৃক্ষৰূপী কানৈ কলেজ আৰু সেই স্থানতেই আছে আমাৰ কানৈ হোষ্টেল । য'ত আমাৰ জীৱনৰ আকাংক্ষাবোৰ ৰঙীণ হৈ উঠিছিল ৰং বিৰং ঙৰ পখিলাৰ দৰেই চঞ্চল অথচ সমুদ্ৰৰ শান্ত সমাহিত ৰূপৰ অজস্ৰ ধাৰাৰ দৰে বহুতো তৰুণীৰ হৃদয় সেইজীয়াবোৰে প্ৰাণ পাই উঠিছিল কানৈ হোষ্টেলত । প্ৰতি বছৰে কিছুমান নতুন মুখ যদিও যেন বহুদিনৰ চিনাকী...... । কিন্তু এই ন- পুৰণিৰ প্ৰাচীৰ ভেদি খুব কম সময়তে আমি বুকুৰ আপোন হৈ পৰিছিলো । Freshers ৰ জৰিয়তে নতুনখিনিক আদৰেৰে আদৰি আনিছিলো । আৰু Fearwell ৰ জৰিয়তে পুৰণাখিনিক সাদৰেৰ বিদায় দিছিলো। ৰং ধেমালী, হাঁহি স্ফুতিৰে তেওঁলোকৰ লগত পাৰ কৰা সময় খিনি কথা মনত পেলাই পুনৰ নোপোৱা দুখত কান্দি উঠিছিলো আৰু পলকতে হাঁহিও উঠিছিলো ।

College week, Diamond Zublee আদি বিভিন্ন অনুষ্ঠানত আমি হোষ্টেলৰ ছোৱালীখিনিয়ে যিদৰে আগভাগ লৈছিলো সেইয়া চিৰস্মৰণীয় হৈ ৰব । বিশেষকৈ দিপালী, মই, অংশু, বিনিতা, ৰিমি আৰু দুজনীমানে নচা গ্ৰুপটো কথা মনত পৰিলেই আজিও মন উৎফুল্লিত হৈ উঠে । Diamond Zublee অনুষ্ঠানত কলেজ সংগীত "কানৈয়ান আমি কানৈয়ানয /ৰূপৰে জ্যোতিৰে অতীতৰ গৌৰৱেৰে / লুইতৰ পাৰবে আমি কনৈয়ান" গাইছিলো আমাৰ কলেজৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী লগ হৈ । দেউৰী পৰম্পৰাগত সাজ পিন্ধি মই আৰু অংশুৱে শুভাযাত্ৰা কৰিছিলো । সঁচাকৈ সেইটো সাঁজত নিজকে বৰ ভাগ্যৱান যেন অনুভৱ কৰিছিলো । ঠিক তেনেদৰে দিপালী, ৰিমি, লংখাম হঁতে ফাকিয়াল সাজপাৰ পৰিধান কৰাত বৰ ধুনীয়া লাগিছিল ।

হোষ্টেলৰ প্ৰথম বাৰ্ষিকৰ পৰা তৃতীয় বাৰ্ষিকলৈকে অধীক্ষিকা ৰূপত পোৱা আমাৰ কলেজৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা ব্যক্তিত্বসম্পন্ন অদিতি কোঁৱৰ বাইডেউক দেখিয়েই শ্ৰদ্ধা উপজিছিল। অৱশ্যে সৰু সুৱা ওজৰ আপত্তি লৈ মই, দিপালী, ৰিমি, অংশুমালী, বিনীতা, ৰশ্মি প্ৰায় বাইদেউৰ ওচৰলৈ গৈছিলো । অৱশ্যে

বাইদেউৰে সকলো সমাধান কৰিছিল কিছুমান আমাৰ ইচ্ছা অনুযায়ী আৰু কিছুমান তেওঁৰ ইচ্ছানুযায়ী । তথাপি সকলো আমাৰ কল্যাণৰ হকে কৰিছিল । আমাৰ বছৰটোত লংখামক মণিট্ৰেছৰ দায়িত্ব দিয়া হৈছিল । সেয়ে আমি সেই বছৰটো যথেষ্ট আনন্দ উপভোগ কৰিছিলো।

সঁচাকৈয়ে হোষ্টেলত থকাৰ সৌভাগ্য যাৰ হোৱা নাই জীৱনত তেওঁ বহুত বস্তুৰেই পোৱা নাই । হোষ্টেলৰ ৰং আনন্দ, হাঁহি - কান্দোনৰ মাজত মাতু(অংশু) , ৰিমি( পোৰলী), চেপেটি(দিপালী), মৰমী(বিনীতা), ৰশ্মি, নমিতা বা ,উৰ্মিলা বা, মানসী বা, বিনীতা বা, সঞ্জুৰী বা, আইনু বা হঁতৰ লগত কিদৰে যে সময়বোৰ পাৰ হৈ গ'ল অলক্ষিতে কবই নোৱাৰিলো । জিম্পী বা, মনিষা বা, বিনিতা বা, হঁতৰ লগত চিনেমা চোৱা, আমাৰ ষ্টাৰ গ্ৰুপটোৰে (দিপালী, ৰিমি, ৰশ্মি, অংশু, বিনিতা আৰু মই ) আড্ডা মৰা, কলেজত কোনোবা ল'ৰাই জোকাৰিলে আমি হোষ্টেলৰ ছোৱালীয়ে একগোট হৈ গালি পৰা, মেচৰ বজাৰ কৰা, তিনি বছৰ ধৰি আমাক ভাত বনাই দিয়া পোনেশ্বৰ দা, চন্দেশ্বৰ দা, বাবলি দি হঁতক সদায় মনত ৰখাৰ লগতে কৃতজ্ঞতা আৰু ধন্যবাদ যাচিলো । লগতে তিনিওটা বছৰত ৰুমমেট হিচাপে পোৱা তৃষ্ণাশ্ৰী, বিনীতা বা, সঞ্জুৰী বা (1st year ), উৰ্মিলা বা, মানসীবা, ৰুমী (2nd year)আৰু পুনম, পাপৰি, আৰু ৰিকিক (3rd year) জীৱনত কেতিয়াও নাপাহৰাৰ প্ৰতি শ্ৰুতি দিয়াৰ লগতে আন্তৰিকতাৰে ধন্যবাদ জনালো।

ইয়াৰ উপৰিও হোষ্টেলৰ কথা মনত পৰিলেই মনম, বিথিকা, মুনমী, পুৰবী, কবিতা বা (টিপচি), উষা বা, মমতা, ফুনু, প্ৰিয়ংকা, ডিম্পল, পৰবা, স্মৃতিৰেখা , অপৰাজিতা বা, হিমাদ্ৰী বা কথা সদায়েই মনত পৰিব । বিশেষকৈ মোৰ বাঁওহাতস্বৰূপ দিপালী, ৰিমি, অংশু, বিনিতা হঁতক মই কেতিয়াও পাহৰিব নোৱাৰিম ।

সঁচাকৈয়ে সময়ৰ বোঁৱতী সুঁতিয়ে জীৱনৰ সোণালী সুদিনবোৰ সময়ৰ বালিচৰত সিঁচি থৈ যায় স্মৃতিৰ পাপৰিৰূপে। মাথো সেই স্মৃতি পাপৰিবোৰ, সেই সোণাময় দিনৰ এবুকু সুখ- দুখৰ বতৰাবোৰ বালিচৰত জলমলাই উঠে পুৱাৰ দুবৰি বনৰ আগত জিলিকা নিয়ৰৰ টোপালৰ দৰে । পাৰ হৈ যোৱা সময়ে মাথো থৈ যায় স্মৃতি আৰু সেই স্মৃতি টৌবোৰৰ কবলত পৰিয়েই উটি ভাহি যাঁও জীৱনৰ যাত্ৰালৈ । উটি ভাহি যাঁওতে নজনাকৈয়ে কাৰোবাৰ মনত বেয়াকৈ দুখ দিলো বা বেয়াকৈ কলো তাৰ বাবে মোক নিজৰ ভণ্টি, বাইদেউ বা পৰম বন্ধু বুলি ভাবি মাফ্ কৰি দিয়ে যেন।

সৰ্বশেষত ঐতিহ্যমণ্ডিত কানৈ কলেজৰ এগৰাকী কানৈয়ান হিচাপে নিজকে চিনাকী দি খুবেই ভাল লাগিছে আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি ভগৱানক প্ৰাৰ্থনা জনালো । হোষ্টেলত তিনি বছৰদিন আমি গাই অহা প্ৰাৰ্থনাটিৰ জৰিয়তে

ব্ৰহ্মা আদি কৰি জীৱ জত
ৰাম ৰাম ৰাম ৰাম ৰাম

. . . . .. . . ...........

...................

ধন্যবাদ

**জীৱনত সুখ উপভোগ কৰিবলৈ হ'লে আনকো সেই সুখৰ সমভাগী হ'ব দিব লাগিব। এনে কৰাটো কেৱল উদাৰতাই নহয়, বুদ্ধিমানৰো কাম।**

**-এ. পি. কিউৰাছ**

# নাম-খুন্ (দিচাং) এক নষ্টালজিক অনুভৱ

বেদান্ত বিকাশ গগৈ
বুৰঞ্জী বিভাগ

বুৰঞ্জীয়ে আঁচোৰা বগাদত্ত বৰবৰুৱা নগৰ। মানৱ আক্ৰমণতে ধ্বংসস্তূপত পৰিণত বগাদত্ত বৰবৰুৱা নগৰৰ চিহ্ন হিচাপে ৰৈ গ'ল মাথো বগাদত্তৰ বৰ পুখুৰী। আৰু ৰৈ গ'ল ইতিহাস প্ৰসিদ্ধ মাহমৰা আলি। সেই আলিৰ কাষে কাষে বৈ গৈছে নিঃশব্দে নিৰৱে নাম যাৰ দিচাং (তাই ভাষাত নামখুন্)।

বৰ মৰমৰ দিচাং খন মোৰ বাবে। কিমানযে স্মৃতি জড়িত হৈ আছে তাত। মোৰ শৈশৱৰ কথাবোৰ কৈ দিব পাৰে দিচাঙে। দিচাং ভাল পাওঁ তোমাক মই। তোমাৰ বুকুৰ মৰমত ডাঙৰ হোৱা মই, বুবু, তপু, জান, পাপু আৰু বহুতো ....। সন্ধিয়া তোমাক চোৱাৰ হেঁপাহত কুটুৰি থাকো দেউতাক। কিন্তু দেউতা নাযায়, মোকো নিনিয়ে। বুকুৰ মাজত বৈ থকা এখন জীয়া নদী তুমি দিচাং। তোমাৰ স্বপ্নত উটি-ভাঁহি ফুৰো মই অলীক কল্পনাৰ মাজত বুৰ যাওঁ। নদী হোৱা হ'লে .....।

তোমাৰ বুকুত সাঁতুৰি-নাদুৰি স্বপ্ন বুটলিছিলো আমি। অযুত হেঁপাহ তোমাক ইটো পাৰত গৈ চোৱাৰ। নগ্নতা বুজি নোপোৱাৰ সময় তেতিয়া আমাৰ। নহ'লেনো পিকু, জোনালীহঁতৰ লগত একেলগে সাঁতুৰি থাকোনে। পানী কমিলে তলিত গোট খাই থকা দীঘল দীঘল শেলুৱৈবোৰ চুলিত লগাওঁ। "গপচত ওফন্দি থাকো চোৱা কিমান দীঘল চুলি মোৰ"। গৰাৰ পাৰে পাৰে খোজ দিওঁ সাৱধানেৰে — "চাবি চাবি সাপ-চাপ ওলাপ দেই" — পাৰত কাপোৰ ধুই থকাৰ পৰা সঁকিয়াই মালতী বায়ে। এইবোৰ কথা আমি কেৰেপ নকৰো মাথোঁ আমি খোজ দিওঁ অনিসন্ধিৎসু দৃষ্টিত, বাদ পৰি নাযায় সৰু সৰু কেকোঁৰাৰ গাঁত। বনকুকুহাতে ভৰাই পেলাওঁ আমলখি, শিলিখাৰ চেকা লগা পেন। পানী শুকুৱাৰ পাছত বালিত ওলোৱা ঝাও, লাজুকী বনৰ ফুলবোৰ গুজি লওঁ কাণত আৰু গুণ গুণাও "নদী মাথোঁ বয় ........"

পুৱা জাক জাক গাভৰুৰে ভৰি পৰে দিচাঙৰ পাৰ। সেউতী, মালতী, শেৱালি, গুণমালাহঁতৰ কঁকালত কাষে কাষে একোটা পিতলৰ কলহ। খিলখিলকৈ হাঁহি গা ধোৱে সিহঁতে আৰু কিনো কথা পাতে। আমি 'পেন্দুকণা' বুলি শুনিবলৈ নাপাওঁ, তথাপি সাৰি নাযাওঁ আমি। পেন্দুকণাবোৰৰ দুচকুৰ দৃষ্টিত সিপাৰৰ কঁহুৱানিৰ মাজৰ পৰা লুকাই চাই থকা শৰৎ, দিগন্ত, কণ, জোন ককাইদেউহঁতে। বুজা নাছিলো আমি

ভালপোৱা, ভাললগা কি? কি অনুভৱ বুজিবলৈকে নহ'ল দেখোন। সেই চুলি টনা, ঢকা দিয়া বোৰতো কিবা ভাললগা ভাললগা সোমাই আছিল নেকি? দিচাং তুমিতো সাচি ৰাখিছা সেইবোৰ কথা। কোনোবাই যে এদিন তোমাৰ বুকুৰ পৰা মুঠি মাৰি এমুঠিমান বালি মূৰত সানি দিছিল। উস্ বালিবোৰ মূৰৰ পৰা গুচাবলৈ এসপ্তাহমান লাগিল — ঘৰত আকৌ মাৰ গালি — "নৈলৈ মৰিবলৈ যাব কিয়? এতিয়াযে কষ্ট মোৰ।" ফেঁকুৰি উঠো তেতিয়া। কাৰোবাক নামাতো বুলি তিনি চাৰি দিনলৈকে থাকো কিন্তু মাতো মাতিবলগীয়া হয়। নহ'লেনো চাপৰিৰ পৰা বালিয়া বগৰী পাৰি কাকনো দিম।

সময়ৰ কোবাল গতিত আমি ভাগ ভাগ হ'লো। তুমি কিন্তু একেই থাকিলা দিচাং, নিৰৱভাৱে। তোমাৰ কৰ্তব্যও কৰি গ'লা। মোৰ স্মৃতিবোৰো ধৰি ৰাখিলা। এতিয়াও তোমাৰ বুকুত জিৰণি ল'বলৈ উচ্পিচ্ কৰি থাকো মই। আছে নাই এতিয়া মই কাৰোবালৈ বিশেষভাৱে পাৰি দিয়া সেই বালিয়া বগৰীজোপা। হয়তো নাই কোনোবাই ছাগে 'গেজি নাঙল' নহ'লে খৰি কৰিলে। নকৰিবনো কিয় কাৰণ মানুহ জীৱ শ্ৰেষ্ঠ ধ্বংস কৰিবলৈ বেছি সময় নালাগে সিহঁতৰ। দিচাং তোমাৰ কাষত থকা বটগছ জোপাৰ তলত বহে নাই ধন ককাইদেউ-মালতী বাইদেউৰ দৰে অনুভৱৰ যোৰা। এতিয়াও যায়নে সেউতী, মালতী বাইদেউহঁতৰ দৰে জুৰি, অনন্যা,ঋতিকা, হেচমিনহঁত তোমাৰ কাষলৈ কঁকালত পিতলৰ কলহটিলৈ। এতিয়াও বাজইনে তোমাৰ কাষত বহি বাপুকণ দাইৰ দৰে কোনোৱে গাঁওখনক টোপনি নিয়াব পৰাকৈ বাঁহীৰ সুৰ? এতিয়াও খেলেনে তোমাৰ পাৰত আমাৰ দৰে দৌৰা-দৌৰি, কাবাদি। নিৰিবিলি সন্ধ্যা জোনাকত তোমাৰ পাৰত বহি কবিতা মাতেনে যতীন ককাইদেউৰ দৰে।

কেনে লাগে, কেনে লাগে দিচাং যেতিয়া হেচমিনহঁতে 'ৰেক্সোনা' চাবোনেৰে সুগন্ধি কৰি ৰাখে শৰীৰ। কেনে লাগে অনন্যা, জুৰিহঁতে যেতিয়া তোমাৰ কাষেদি 'এলটত' উঠি টিউচনলৈ যায়। চকুপানীৰে সজল হয়নে নহয় তোমাৰ দুচকু — যেতিয়া তুমি সন্ধ্যা নিঃসঙ্গ হোৱা কিমান তেজৰ চেকাৰে তোমাক অপবিত্ৰ কৰে দিচাং। যেতিয়া কোনো হত্যাকাৰীয়ে কাৰোবাক হত্যা কৰি দলি মাৰি দিয়ে নিঠৰ দেহ। তুমি সেইবোৰো সোমোৱাই ৰাখা বুকুত চাগে নিঃশব্দে। নামৰূপৰ সাৰ কাৰখানাৰ পৰা পেলোৱা গেছে যেতিয়া তোমাৰ বুকুৰ ওমত জীয়াই থকা সেই অজান জীৱবোৰক নিঃশেষ কৰে কেনে লাগে তেতিয়া তোমাৰ। তুমি কিন্তু বৈয়ে যোৱা নিৰৱে নিঃশব্দে। হে 'শ্ৰুতসিনি অ' দিচাং নদী" — তোমাক ধন্য ধন্য ............. ❑❑

মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ দৰে পিচতহে দুষ্ট হয়।

— ভল্টেয়াৰ

# দুধাৰি অশ্ৰুৰ লগতে স্মৃতিসহ অনুভূতিৰ ... এক বিশাল টোপোলা...

বিস্মৃতা কুমাৰ
স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ

পৃথিৱীৰ আটাইতকৈ ধুনীয়া আৰু মৰমৰ শব্দ 'মা' ...!!!। যিটো শব্দৰ লগত আন একো শব্দ তুলনা কৰিব নোৱাৰি। যিটো শব্দৰ আগত আন সকলো শব্দ একেবাৰেই নগণ্য ...!!!। যাৰ মৰমৰ তুলনা জীৱনত আন কাৰো সৈতে কৰিব নোৱাৰি। 'মা' হৈছে এক মৰমৰ অনুভূতি, সুখ-দুখৰ সঙ্গী আৰু প্ৰতিটো সন্তানে কোনো ব্যক্তিক আদৰ্শ হিচাপে লৈ ৰচা এক ৰঙীণ সপোন।

জীৱননো কি? সেই সময়ত জীৱনৰ অৰ্থ ভালদৰে উপলব্ধিয়ে কৰিব পৰা নাছিলো, খেল-ধেমালিসহ সপোনৰ অজান দেশত বিচৰণ কৰি ফুৰা এগৰাকী প্ৰথম শ্ৰেণীৰ ছাত্ৰী মই 'অনামিকা' .....! জীৱনত কোনো কোনো কথা বা ঘটনা হয়তো নভবাকৈয়ে হৈ যায়। এনে ঘটনা কিছুমানে জীৱনটোক এনেধৰণে সলনি কৰি দিয়ে যে জীৱনত জীয়াই থকাৰ কোনো ইচ্ছা নথকা হৈ যায়।

জীৱনৰ এই ব্যাকুল মুহূৰ্তবোৰ বাৰু কিয় আহে? যিবোৰে জীৱনটো একেবাৰে নিথৰুৱা কৰি দিয়ে। মোৰ ৰঙীণ জীৱনটোও নিথৰুৱা কৰি দিলে সেই দিনটোৱে ...............

১৯৯৯ চনৰ জানুৱাৰী মাহৰ ২৪ তাৰিখ। ৰ'দৰ তাপেৰে পুঁৱাতিয়ে বিখালভাৱে মেলানি মেলিছিল যদিও সেই ৰ'দৰ পোহৰতো মই অনুভৱ কৰিছিলো কেৱল অন্ধকাৰ .....। কাৰণ সেইদিনৰা নিতৌ বিচনাৰ পৰা উঠিয়ে উচ্চাৰণ কৰা এটা মৰমৰ শব্দ 'মা' নাছিল।

মাৰ অসুখ। ২৩ তাৰিখে হস্পিতেলত ভৰ্তি হৈছিল। মাৰ অবিহনে ঘৰখন কেৱল নিস্তব্ধতা অনুভৱ কৰিছিলো। ঘৰত কেৱল মই, মোৰ বা আৰু ভণ্টি আছিলো। হস্পিতেলৰ পৰা পপা অহাত সুধিলো — "পাপা, মায়ে ভাল পাইছেনে?" তেওঁ ক'লে — "অলপ পাছত মাক ঘৰলৈ লৈ আহিম।" সেই মুহূৰ্তত পাপাৰ এটা উত্তৰে মনত অলপ সুখ আৰু সান্ত্বনা লাভ কৰিছিলো কিন্তু তাত লুকাই থকা পাপাৰ মনৰ বেদনাবোৰ বুজিব পৰা নাছিলো ......!!!

বা, মই আৰু ভণ্টি আমি তিনিওজনীয়ে আমাৰ ওচৰৰ মানুহৰ ঘৰলৈ খেলিবলৈ বুলি স্ফূৰ্তি মনেৰে গুচি গ'লো। তাত থাকিও এনেকুৱা অনুভৱ হৈছিল যে তেওঁলোকৰ ঘৰৰ মানুহবোৰৰ মনটো বেদনাৰে ভৰা। তাত থাকিও মনটো ভাল নালাগিল। ক্ষন্তেক সময় থাকি আকৌ ঘৰলৈ উভতিলো ....।

ঘৰত আহি দেখিলো বহু মানুহেৰে আমাৰ চোতালখন ভৰি আছে। কি বা হ'ল??? মনতে ভাবিলো। সকলোফালেই কেৱল নিস্তব্ধতা ... শুনিবলৈ পাইছিলো কান্দোন .... কেৱল কান্দোন .........

দেখিলো মাক এখন বগা কাপোৰেৰে ঢাকি থোৱা আছে ...। ..... মাৰ চকু দুটা মুদা!!! সেই মুহূৰ্তত মই কি আৰু কেনেকৈ বুজিলো নিজেই নাজানো .............

দুচকু চলচলীয়া হৈ আহিল। মাথোঁ দুচকুৰে দুধাৰি তপত অশ্ৰুৰ লগতে মুখেৰে মাথোঁ এটাই শব্দ নিৰ্গত হৈছিল ........ মা .......

সেই নিষ্ঠুৰ দিনটোৱে কিয় আহিল। ক্ষন্তেক মুহূৰ্ততে আমাৰ জীৱনটোক অন্ধকাৰত নমাই দিলে। আমাক একেবাৰেই নিথৰুৱা কৰি পেলালে ... মাৰ মৰমৰ অবিহনে সঁচাই আমি বৰ অকলশৰীয়া। সেই ব্যাকুল মুহূৰ্তটোৱে মোৰ জীৱনত যি শোকৰ সাঁচ বহুৱাই থৈ গ'ল যে জীৱনলৈ অহা নানান ৰঙীণ ৰেখাও সেই শোক মোহাৰি পেলাব নোৱাৰে। সেই সময়ত ভবাই নাছিলো যে এই নিষ্ঠুৰ সময়ে যে আমাৰ জীৱনটো একেবাৰে সলনি কৰি দিব।

এতিয়া উপলব্ধি কৰো, মাথোঁ এটা শব্দৰ অবিহনে যে জীৱনটো কিমান অন্ধকাৰ। সঁচা, মাৰ সমান কোনো হ'ব নোৱাৰে। নিজৰ মাৰ সমান মৰম আন কোনো মাতৃয়ে কেতিয়াও দিব নোৱাৰে। সেইয়েহে হয়তো কোৱা হয় — "মাৰ মৰম সকলোতকৈ অতুলনীয় তথা অবৰ্ণনীয়"।

এতিয়া মাথোঁ হৃদয়ৰ এক নিভৃত কোণৰ মাজত স্মৃতিৰ ৰেওণীৰ টোপোলা বান্ধি, স্মৃতিবোৰ আমাৰ মৰমৰ এনাজৰীৰে বান্ধি ৰাখিছো .....।

"স্মৃতি জানো জীয়াই থাকে কাগজৰ পাতত,
ৰাখিম জীয়াই তাক হৃদয়ৰ এক নিভাঁজ কোণত।" □□

ভালপোৱা, ভাললগা কি? কি অনুভৱ বুজিবলৈকে নহ'ল দেখোন। সেই চুলি টনা, ঢকা দিয়া বোৰতো কিবা ভাললগা ভাললগা সোমাই আছিল নেকি? দিচাং তুমিতো সাচি ৰাখিছা সেইবোৰ কথা। কোনোবাই যে এদিন তোমাৰ বুকুৰ পৰা মুঠি মাৰি এমুঠিমান বালি মুৰত সানি দিছিল। উস্ বালিবোৰ মুৰৰ পৰা গুচাবলৈ এসপ্তাহমান লাগিল — ঘৰত আকৌ মাৰ গালি — "নৈলৈ মৰিবলৈ যাব কিয়? এতিয়াযে কষ্ট মোৰ।" ফেঁকুৰি উঠো তেতিয়া। কাৰোবাক নামাতো বুলি তিনি চাৰি দিনলৈকে থাকো কিন্তু মাতো মাতিবলগীয়া হয়। নহ'লেনো চাপৰিৰ পৰা বালিয়া বগৰী পাৰি কাকনো দিম।

সময়ৰ কোবাল গতিত আমি ভাগ ভাগ হ'লো। তুমি কিন্তু একেই থাকিলা দিচাং, নিৰৱভাৱে। তোমাৰ কৰ্তব্যও কৰি গ'লা। মোৰ স্মৃতিবোৰো ধৰি ৰাখিলা। এতিয়াও তোমাৰ বুকুত জিৰণি ল'বলৈ উচ্পিচ কৰি থাকো মই। আছে নাই এতিয়া মই কাৰোবালৈ বিশেষভাৱে পাৰি দিয়া সেই বালিয়া বগৰীজোপা। হয়তো নাই কোনোবাই ছাগে 'গেজি নাঙল' নহ'লে খৰি কৰিলে। নকৰিবনো কিয় কাৰণ মানুহ জীৱ শ্ৰেষ্ঠ ধ্বংস কৰিবলৈ বেছি সময় নালাগে সিহঁতৰ। দিচাং তোমাৰ কাষত থকা বটগছ জোপাৰ তলত বহে নাই ধন ককাইদেউ-মালতী বাইদেউৰ দৰে অনুভৱৰ যোৰা। এতিয়াও যায়নে সেউতী, মালতী বাইদেউহঁতৰ দৰে জুৰি, অনন্যা,ঋতিকা, হেচমিনহঁত তোমাৰ কাষলৈ কঁকালত পিতলৰ কলহটিলৈ। এতিয়াও বাজইনে তোমাৰ কাযত বহি বাপুকণ দাইৰ দৰে কোনোৱে গাঁওখনক টোপনি নিয়াব পৰাকৈ বাঁহীৰ সুৰ? এতিয়াও খেলেনে তোমাৰ পাৰত আমাৰ দৰে দৌৰা-দৌৰি, কাবাদি। নিৰিবিলি সন্ধ্যা জোনাকত তোমাৰ পাৰত বহি কবিতা মাতেনে যতীন ককাইদেউৰ দৰে।

কেনে লাগে, কেনে লাগে দিচাং যেতিয়া হেচমিনহঁতে 'ৰেক্সোনা' চাবোনেৰে সুগন্ধি কৰি ৰাখে শৰীৰ। কেনে লাগে অনন্যা, জুৰিহঁতে যেতিয়া তোমাৰ কাষেদি 'এলটত' উঠি টিউচনলৈ যায়। চকুপানীৰে সজল হয়নে নহয় তোমাৰ দুচকু — যেতিয়া তুমি সন্ধ্যা নিঃসঙ্গ হোৱা কিমান তেজৰ চেকাৰে তোমাক অপৱিত্ৰ কৰে দিচাং। যেতিয়া কোনো হত্যাকাৰীয়ে কাৰোবাক হত্যা কৰি দলি মাৰি দিয়ে নিঠৰ দেহ। তুমি সেইবোৰো সোমোৱাই ৰাখা বুকুত চাগে নিঃশব্দে। নামৰূপৰ সাৰ কাৰখানাৰ পৰা পেলোৱা গেছে যেতিয়া তোমাৰ বুকুৰ ওমত জীয়াই থকা সেই অজান জীৱবোৰক নিঃশেষ কৰে কেনে লাগে তেতিয়া তোমাৰ। তুমি কিন্তু বৈয়ে যোৱা নিৰৱে নিঃশব্দে। হে 'শ্ৰুতসিনি অ' দিচাং নদী" — তোমাক ধন্য ধন্য .............. ◻◻

মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ দৰে পিচতহে দুষ্ট হয়।

— ভল্টেয়াৰ

অনুভৱ মেলা

# দুধাৰি অশ্ৰুৰ লগতে স্মৃতিসহ অনুভূতিৰ ... এক বিশাল টোপোলা...

বিস্মৃতা কুমাৰ
স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ

পৃথিৱীৰ আটাইতকৈ ধুনীয়া আৰু মৰমৰ শব্দ 'মা' ...!!!। যিটো শব্দৰ লগত আন একো শব্দ তুলনা কৰিব নোৱাৰি। যিটো শব্দৰ আগত আন সকলো শব্দ একেবাৰেই নগণ্য ...!!!। যাৰ মৰমৰ তুলনা জীৱনত আন কাৰো সৈতে কৰিব নোৱাৰি। 'মা' হৈছে এক মৰমৰ অনুভূতি, সুখ-দুখৰ সঙ্গী আৰু প্ৰতিটো সন্তানে কোনো ব্যক্তিক আদৰ্শ হিচাপে লৈ ৰচা এক ৰঙীণ সপোন।

জীৱননো কি? সেই সময়ত জীৱনৰ অৰ্থ ভালদৰে উপলব্ধিয়ে কৰিব পৰা নাছিলো, খেল-ধেমালিসহ সপোনৰ অজান দেশত বিচৰণ কৰি ফুৰা এগৰাকী প্ৰথম শ্ৰেণীৰ ছাত্ৰী মই 'অনামিকা' .....! জীৱনত কোনো কোনো কথা বা ঘটনা হয়তো নভবাকৈয়ে হৈ যায়। এনে ঘটনা কিছুমানে জীৱনটোক এনেধৰণে সলনি কৰি দিয়ে যে জীৱনত জীয়াই থকাৰ কোনো ইচ্ছা নথকা হৈ যায়।

জীৱনৰ এই ব্যাকুল মুহূৰ্তবোৰ বাৰু কিয় আহে? যিবোৰে জীৱনটো একেবাৰে নিথৰুৱা কৰি দিয়ে। মোৰ ৰঙীণ জীৱনটোও নিথৰুৱা কৰি দিলে সেই দিনটোৱে ...............

১৯৯৯ চনৰ জানুৱাৰী মাহৰ ২৪ তাৰিখ। ৰ'দৰ তাপেৰে পুঁৱাতিয়ে বিখালভাৱে মেলানি মেলিছিল যদিও সেই ৰ'দৰ পোহৰতো মই অনুভৱ কৰিছিলো কেৱল অন্ধকাৰ .....। কাৰণ সেইদিনৰা নিতৌ বিচনাৰ পৰা উঠিয়ে উচ্চাৰণ কৰা এটা মৰমৰ শব্দ 'মা' নাছিল।

মাৰ অসুখ। ২৩ তাৰিখে হস্পিতেলত ভৰ্তি হৈছিল। মাৰ অবিহনে ঘৰখন কেৱল নিস্তব্ধতা অনুভৱ কৰিছিলো। ঘৰত কেৱল মই, মোৰ বা আৰু ভণ্টি আছিলো। হস্পিতেলৰ পৰা পপা অহাত সুধিলো — "পাপা, মায়ে ভাল পাইছেনে?" তেওঁ ক'লে — "অলপ পাছত মাক ঘৰলৈ লৈ আহিম।" সেই মুহূৰ্তত পাপাৰ এটা উত্তৰে মনত অলপ সুখ আৰু সান্ত্বনা লাভ কৰিছিলো কিন্তু তাত লুকাই থকা পাপাৰ মনৰ বেদনাবোৰ বুজিব পৰা নাছিলো ......!!!

বা, মই আৰু ভণ্টি আমি তিনিওজনীয়ে আমাৰ ওচৰৰ মানুহৰ ঘৰলৈ খেলিবলৈ বুলি স্ফূৰ্তি মনেৰে গুচি গ'লো। তাত থাকিও এনেকুৱা অনুভৱ হৈছিল যে তেওঁলোকৰ ঘৰৰ মানুহবোৰৰ মনটো বেদনাৰে ভৰা। তাত থাকিও মনটো ভাল নালাগিল। ক্ষন্তেক সময় থাকি আকৌ ঘৰলৈ উভতিলো ....।

ঘৰত আহি দেখিলো বহু মানুহেৰে আমাৰ চোতালখন ভৰি আছে। কি বা হ'ল??? মনতে ভাবিলো। সকলোফালেই কেৱল নিস্তব্ধতা ... শুনিবলৈ পাইছিলো কান্দোন .... কেৱল কান্দোন .........

দেখিলো মাক এখন বগা কাপোৰেৰে ঢাকি থোৱা আছে ...। ..... মাৰ চকু দুটা মুদা!!! সেই মুহূৰ্তত মই কি আৰু কেনেকৈ বুজিলো নিজেই নাজানো .............

দুচকু চলচলীয়া হৈ আহিল। মাথোঁ দুচকুৰে দুধাৰি তপত অশ্ৰুৰ লগতে মুখেৰে মাথোঁ এটাই শব্দ নিৰ্গত হৈছিল ....... মা .......

সেই নিষ্ঠুৰ দিনটোযে কিয় আহিল। ক্ষন্তেক মুহূৰ্ততে আমাৰ জীৱনটোক অন্ধকাৰত নমাই দিলে। আমাক একেবাৰেই নিথৰুৱা কৰি পেলালে ... মাৰ মৰমৰ অবিহনে সঁচাই আমি বৰ অকলশৰীয়া। সেই ব্যাকুল মুহূৰ্তটোৱে মোৰ জীৱনত যি শোকৰ সাঁচ বহুৱাই থৈ গ'ল যে জীৱনলৈ অহা নানান ৰঙীণ ৰেখাও সেই শোক মোহাৰি পেলাব নোৱাৰে। সেই সময়ত ভবাই নাছিলো যে এই নিষ্ঠুৰ সময়ে যে আমাৰ জীৱনটো একেবাৰে সলনি কৰি দিব।

এতিয়া উপলব্ধি কৰো, মাথোঁ এটা শব্দৰ অবিহনে যে জীৱনটো কিমান অন্ধকাৰ। সঁচা, মাৰ সমান কোনো হ'ব নোৱাৰে। নিজৰ মাৰ সমান মৰম আন কোনো মাতৃয়ে কেতিয়াও দিব নোৱাৰে। সেইয়েহে হয়তো কোৱা হয় — "মাৰ মৰম সকলোতকৈ অতুলনীয় তথা অবৰ্ণনীয়'।

এতিয়া মাথোঁ হৃদয়ৰ এক নিভৃত কোণৰ মাজত স্মৃতিৰ ৰেঙণীৰ টোপোলা বান্ধি, স্মৃতিবোৰ আমাৰ মৰমৰ এনাজৰীৰে বান্ধি ৰাখিছো .....।

"স্মৃতি জানো জীয়াই থাকে কাগজৰ পাতত,
ৰাখিম জীয়াই তাক হৃদয়ৰ এক নিভাঁজ কোণত।" □□

# আত্মকথন — বৰ্ষামুখৰ এটি উদাৰ কবিতা

সৌৰভ গাৰ্গ
অৰ্থনীতি বিভাগ, স্নাতক ২য় বৰ্ষ

তুমি আহিবা বুলি জানি আজি আকৌ লিখিবলৈ লৈছো নিৰ্জন আবেলিটোত 'বৰ্ষামুখৰ এটি উদাৰ কবিতা'।

এজাক ফিৰফিৰিয়া বতাহে চুই গৈছে মোক। তুমি থকা হ'লে তোমাৰ বুকুত আঁচলখন উৰি যাবলৈ খুজিলেহেঁতেন; মতলীয়া বতাহজাকৰ লগত। মোৰ উপস্থিতিত তুমি ডুব গ'লাহেঁতেন লাজৰ বিশাল সাগৰখনিত। ফুটো নুফুটোকৈয়ে নিশ্চয় তোমাৰ গালখনত বিৰিঙি উঠিলহেঁতেন দুটোপাল ঘাম।

★ এতিয়া মই অনুভৱ কৰিছো এটি প্ৰেমময় আবেলি। তুমি ধৰিব পাৰিছাতো?

★ মই জানো তুমিও অনুভৱ কৰিছা বতাহত মোৰ প্ৰাণস্পন্দন। মইযে তোমাক কাণ পাতি শুনিবলৈ কওঁ।

★ তোমাৰ কাষত বৈ আজি আকৌ এবাৰ ক'বলৈ মোৰ মন গৈছে সেই কথাবোৰ; যিবোৰ কথা আগৰবাৰ লগ হওঁতে সময়ৰ অভাৱত তোমাক কোৱা নহ'ল। এইবাৰ তোমালৈ বুলি কিন্তু সাঁচি ৰাখিছো আধৰুৱা কথাবোৰ আৰু লগতে হিম চেঁচা এবুকু মৰম।

★ মোৰ খিৰিকীৰে সোমাই অহা মেঘালী ৰ'দজাকৰ উম লৈ তোমাক বিচাৰিছো মোৰ মাজত। মোৰ গীতৰ প্ৰতিটো সুৰতে গাই আছা ৰাগিনী প্ৰেমৰ। শাৰদী জোনাকত বৈ আছে তোমাৰ অভিমান ভৰা দুচকুৰ আকুলতা। নীৰৱ নিশাবোৰৰ চিলমিল টোপনিত বাৰে বাৰে ভ্ৰমিত হওঁ; কাষত তোমাক দেখো। সঁচা অৰ্থত স্বপ্নাতুৰ মই। শাৰদী জোনাকত শেৱালিৰ পাহিবোৰৰ সুগন্ধই ভাঙি দিয়া আমেজ ভৰা নিদ্ৰিত নয়নত প্লাৱিত হয় মোৰ সপোনৰ জোৱাৰবোৰ। ৰাশি ৰাশি সেই ডোৱাৰবোৰত ওলমি আছে তোমাৰ ক্ষন্তেকীয়া অভিমান, তোমাৰ দুষ্টামিভৰা মিঠা হাঁহি আৰু আমাৰ সুমধুৰ আলাপবোৰ। মোৰ দুচকুত চিৰসেউজ সেই স্বপ্ন। এমুঠি শুভ্ৰ জোনাকৰ দৰে মোৰ দেহৰ শিৰে শিৰে। তোমাক কাষত পোৱাৰ মুহূৰ্তবোৰ বৰ নিবিড়; য'ত মই তোমাৰ চকুত চকু থৈ পাখি মেলি উৰি যাওঁ ভৱিষ্যতৰ সোণালী দিনবোৰলৈ। তুমি কৰা মৰমৰ শাসনবোৰ মোৰ ভাল লাগে। কোঁচ ভৰাই সাঁচি থওঁ সেই স্মৃতিবোৰ আৰু নিৰ্জনতাৰ সুযোগ বুজি সেইবোৰ খুলি চাওঁ। তাৰ ওপৰত আঁকি দিওঁ এটি দুটিকৈ তপত ....।

★ তুমি এবাৰ হাঁহি দিবা। মই চাব খোজো তোমাৰ হাঁহিক। তুমি এবাৰ হাঁহি দিলেইতো উৰি যাব খোজে মোৰ উৰণীয়া মন তোমাৰ কাষলৈ আৰু শেষত কুচিমুচি শুই পৰে মোৰ মনটো 'তোমাৰ কোলাত'।

★ তুমি ফুল ভালপোৱা; মই জানো। তোমাৰ বাবেই মই ৰাখিছো এখনি ধুনীয়া ফুলনি। য'ত তুমি উমলিব পাৰিবা প্ৰাণৰ জোখাৰে। চোৱা, এতিয়া ফুলৰ পাহিবোৰক কিমান ধুনীয়া লাগিছে। লাগিব তোমাক প্ৰতিশ্ৰুতিৰে ভৰা কৃষ্ণচূড়া পাহিবোৰ। তুমি আকৌ এবাৰ হাঁহিবা পাহিবোৰৰ সৈতে মই দিয়া বুলি। তুমি মোক বুকুত সাৱটি আকৌ এবাৰ উমলিবা হিয়াৰ আপোন বুলি।

★ তুমি আহিবা বুলি শুনি আজি বহুতদিনৰ মূৰত অনুভৱ কৰিছো শূন্যৰ সুন্দৰতা। কিন্তু মই জানো তুমি অহাৰ পিছত নাথাকিব এই শূন্যৰ সুন্দৰতা।

★ মই তোমাক হিয়াৰ কৰণি ভৰাই দিম ভালপোৱাৰ সেউজীয়া ৰং। তোমালৈ বুলি বৈ থাকোতে সেউজীয়াবোৰে ওপচাই পেলাইছিল মোৰ নিৰাভৰণ হৃদয়খন। হয়তো, এই সেউজীয়া এক ভালপোৱাৰ মাধ্যম। তোমাৰ আৰু মোৰ। তোমাৰ এই সেউজীয়া ভালপোৱাৰ ৰংবোৰৰ বাবেই হয়তো মোৰ বুকুত গঢ় লয় একো একোটা শব্দ। যিবোৰ কোনো কোনো ক্ষণত অশব্দ হয়।

★ এজাক হিম চেঁচা বতাহ। কঁপনি তুলিছে বুকুত। তোমাৰ অনুপস্থিতিত সোঁৱৰণীয়ে বাৰুকৈয়ে জুৰুলা কৰিছে মোৰ অনুভৱী হিয়া।

★ দূৰৈত বাজি আছে এটি চিনাকী সুৰ। শুনাৰ হাবিয়াস কিন্তু নাই। তোমাক নেদেখাৰ বেদনাই স্তব্ধ কৰিছে মোৰ হৃদয়।

★ বাতৰি পাইছো মলয়াছাটিৰ পৰা তুমি হেনো আহি আছা। তোমাৰ বাটত শৰৎ কাল অহাত তুমি হেনো শৰতৰ কোলাতে অলপ জিৰাইছা। লিখো বুলি ভাবিছো তোমাৰ বতৰাৰ প্ৰত্যুত্তৰ। কিন্তু তোমাৰ বা ঠিকনা কি হ'ব? এইটো নহয়তো —

'প্ৰিয়া,

মাৰফৎ ঃ জোনাক

সপোনাৰ দেশ

শৰৎ'

ঠিক আছে পঠিয়াই চাওঁ মোৰ সোঁৱৰণীৰ চিঠি। মই তোমালৈ বুলি লিখিছো জানা; মই যে তোমাৰ অপেক্ষাত বৰ্তমান ফাগুনী দেশত। তুমি বাহিৰে বাহিৰে মলয়াৰ সৈতে ইয়ালৈকে আহিবা।

★ তোমাৰ ঠিকনা পাই পুনৰ উৰি গৈছে মোৰ মনটো সপোনৰ দেশলৈ। মন নদীৰ দুয়োটি পাৰতে আহি তোমাৰ প্ৰেমৰ সেউজ নামিছে। মনৰ জোখাৰে সাজিছো সৰু সৰু ঘৰ। হয়তো, দেখিছো এটি ৰঙীণ সপোন। য'ত থাকিব সপোন সপোন এজাক খিল্‌খিল্‌ হাঁহি তোমাৰ ওঁঠত। মুকুতা হৈ পৰিব মৰমবোৰ। তোমাৰ অনুমতি সপেক্ষে আঁকি দিম এটি দুটিকৈ হাজাৰ হাজাৰ চুমা .....।

★ মই তোমাৰ বাবেই পঢ়িছো কীট্‌ছৰ কবিতা। কীট্‌ছৰ কবিতা পঢ়ি কান্দিবলৈ শিকিছো। ছেহঃ মই হাঁহিবলৈও শিকিছো। কীট্‌ছৰ কবিতা পঢ়ি তোমাৰ মেঘ কোমল বুকুত প্ৰেমৰ সেউজীয়া বিচাৰি মুখ গুজি উচুপিছো; দিয়া মোক এমুঠি ভালপোৱাৰ সেউজীয়া।

★ তোমাৰ দুচকুৰ সপোনবোৰ সেইদিনাখন মই তোমাৰ দুচকুৰ পৰা লৈ আহিলো। এতিয়া সপোনবোৰ মোৰ দুচকুত উমলি আছে ....।

★ মই অলপ হাঁহিব বিচাৰিছো। কিয় নোসোধা? তোমাক কাষত পাম বাবে।

★ তোমাৰ চুটি চুলিবোৰ। মই জানো, তোমাৰ খোপা বান্ধিবলৈ অসুবিধা হয়। তথাপিও মই পাওঁ তোমাৰ খোপাৰ পৰা ভাঁহি অহা আবেলি আবেলি গোন্ধ।

★ মোৰ ভাল লাগে তোমাৰ দুনয়নক হেঁপাহ পলুৱাই চাবলৈ; নিশাৰ পৰা নিশালৈ, গভীৰৰ পৰা ক্ৰমে গভীৰতালৈ। যেতিয়া মোৰ নিশাবোৰ উজাগৰী হয়; মোৰ ভাল লাগে। তোমাৰ কথা ভাবি ভাবি ডুব যাওঁ মই ভাবনাৰ সাগৰখনিত।

★ তোমাক দূৰৈৰ পৰাই ধৰিব পাৰিছো। তুমি আহিছা বৰষা হৈ। মই কেঁকুৰিটোৰ ওচৰলৈকে ওলাই আহিছিলো। তোমাকে আগবঢ়াই নিবলৈ। তোমালৈ বাট চাই থাকোতে হালধীয়া সোণাৰুৱে সুধিছিল তোমাৰ কথা। সিহঁতক বাটতে দি যাবা তোমাৰ বতৰা; তুমি যে কুশলে আছা।

★ তোমাৰ মোৰ প্ৰেমৰ সাক্ষী বকুল জোপাইও প্ৰায়ে সোধে তোমাৰ কথা। আৰু কি জানা তোমাৰ মোৰ প্ৰেমালাপৰ সময়ত বকুল জোপাৰ ওপৰত খকা চৰাইকেইটাই মোক জোকায়। মোৰ ভাব হয়, সিহঁতে আমাক বুজি পায়। পোৱালিকেইটা যথেষ্ট ডাঙৰ হ'ল। বকুলা জোপাও বুঢ়া হ'ল।

বকুলজোপাকে সাক্ষী কৰি আমি পুনৰ বহিম ....

তোমাৰ মৰমবোৰৰ মাজত আলফুলে ৰাখিবা মোক। তোমাৰ মৰমবোৰেৰে ওপচাই পেলাবা মোৰ নিৰাভৰণ হৃদয়খন। এবুকু নোকোৱা কথাৰে উজাগৰী ৰাতিটোত তোমাৰ কাষত মাথোঁ মই ৰ'ম। তোমাৰ দুচকুত প্ৰতিপাহ ফুলেই জাহ যাব খুজিব সপোন হৈ ..................... □□

---

জীৱনে সকলো মানুহক সমান কৰি মহটিয়াই পেলায়, আনহাতে মৃত্যুৱে চিহ্নিত কৰি দেখুৱায় মহৎ লোকসকলক।

— জৰ্জ বানাৰ্ড শ্ব।

---

ৰমন দীপ গগৈ
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

# প্ৰেম-ভালপোৱা আৰু ঠগ-প্ৰৱঞ্চনা

প্ৰেম ভালপোৱা মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। মানুহৰ জীৱনত যদি প্ৰেম ভালপোৱা মৰম-চেনেহ নাথাকে তেনে মানুহ এই সংসাৰত জীয়াই থকাৰ কোনো মূল্য নাই। প্ৰেম ভালপোৱা বহুতো ধৰণৰ হ'ব পাৰে। যেনে — মাক-দেউতাকে তেওঁলোকৰ সন্তানক কৰা প্ৰেম, এজন বন্ধুৱে আন এজন বন্ধুক বা এগৰাকী বান্ধৱীয়ে আন এগৰাকী বান্ধৱীক কৰা বন্ধুত্বৰ সঁচা প্ৰেম আৰু এজন ডেকাই এগৰাকী গাভৰুক কৰা প্ৰেম।

আজিৰ সমাজত ল'ৰা-ছোৱালী বিলাকে বৰ কম বয়সতে প্ৰেম কৰি নিজৰ ছাত্ৰ জীৱনৰ অমূল্য সময়কণ নষ্ট কৰি পেলায়। যাৰফলত অতি কম সময়ৰ ভিতৰত ইয়াৰ প্ৰতিফল পায়। যি কি নহওক মানুহৰ জীৱনত প্ৰেম ভালপোৱা থাকেই। শৈশৱ সময়ৰ কালছোৱাত ডেকা-গাভৰু বিলাকে তেওঁলোকৰ নিজৰ সময় বিলাক আনন্দতেই কটাব বিচাৰে। সেয়েহে তেওঁলোকে যিটো বস্তু পাবলৈ হাবিয়াস কৰে সেইটো পায়েই এৰিব বিচাৰে। আজিৰ সময়ত দেখা পোৱা যায় যে প্ৰেম ভালপোৱাবোৰ যেন সিহঁতৰ জীৱনৰ এক খেলহে। গাঁৱলীয়া সমাজৰ মাজত এক খেল দেখিবলৈ পোৱা যায় যে 'কলহ ভঙা-ভঙি' খেল। ল'ৰা-ছোৱালীবিলাকৰ ইটো-সিটোৰ মন বিলাক যেন এটা কলহহে আৰু যেনেদৰে কলহ ভঙা-ভঙি খেলত কণ কণ ল'ৰা-ছোৱালী বিলাকে কলহটো ভাঙি যেনেদৰে আনন্দ পায় তেনেদৰে আজিকালি ল'ৰা-ছোৱালী বিলাকে ইজনে-সিজনৰ মনবিলাক ভাঙি আনন্দ লভাদি লভে। প্ৰেম যেন আজিকালি এক খেলহে হৈ পৰিছে। আজিকালি মানুহে যেনেদৰে ম'বাইল ফোন সনলি কৰে তেনেদৰে এজন ল'ৰাই তেওঁৰ প্ৰেমিকা সলনি কৰা বা এগৰাকী ছোৱালীয়ে তাইৰ প্ৰেমিক সলনি কৰা দেখা যায়। প্ৰেম যেন এটা আলি বাটহে। ইয়াত চলা বাছ, অট' আদি গাড়ীবোৰ যেন প্ৰেমিক-প্ৰেমিকা যেনেদৰে এজন যাত্ৰীয়ে এখন গাড়ীৰ পৰা নামি সিখন গাড়ীত যাত্ৰা কৰে, তেনেদৰে আজিকালি ল'ৰা-ছোৱালী বিলাকেও সিহঁতৰ প্ৰেমিক-প্ৰেমিকা সলনি কৰি থাকে।

আজিকালি এইটোও দেখা পোৱা গৈছে যে এগৰাকী ছোৱালীয়ে যদি এজন ল'ৰাক ভাল পাই থাকে তাৰ মাজতে যদি আন এজন ধনী ল'ৰাই বা ছোৱালী গৰাকীতকৈও বহুত ডাঙৰ ধনী লোকে ছোৱালীজনীক মোলৈ বিয়া হ'বা নেকি ক'লে ছোৱালীজনীয়ে তৎক্ষণাৎ ধনী ল'ৰাজনৰ লগত বিয়া হৈ যায় তাইৰ আগৰ প্ৰেমিকৰ হৃদয় চূৰমাৰ কৰি। তাই ইয়াকো ভাবি নেচায় যে তাইৰ আগৰ প্ৰেমিকৰ অৱস্থা কি হ'ব। ছোৱালীবিলাক বাৰু কিয় এনেকুৱা? টকাৰ কাৰণে তাই মৰমকো বেচি থৈ যায়। কেৱল ছোৱালী বিলাকেই নহয় ল'ৰাবিলাকেও ছোৱালীবিলাকৰ কোমলীয়া মনবোৰ ভাঙি চূৰমাৰ কৰি পেলায়। মানুহ জাতিটো কিয় আৰু এনেকুৱা সুখ বিচাৰি কিয় বাৰু ইমানকৈ ঢাপলি মেলি ফুৰে। বিচাৰিব জানিলে সুখ হাততেই পায়। মই এটা কথা কওঁ যে কাৰোবাৰ মনত যদি সুখ দিব নোৱাৰি তেনেহ'লে তাৰ মনত দুখো দিব নালাগে।

উল্লিখিত সকলোবোৰ ঘটনা আমাৰ আশে-পাশেই ঘটি আছে। ইয়াৰ পৰাই মই বুজিব পাৰিছো যে টকা নহ'লে মানুহ সুখী হ'ব নোৱাৰে। কিন্তু এইটো মিছা কথা এইটো কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। টকাই সঁচা প্ৰেম কিনিব নোৱাৰে। সঁচা প্ৰেম সৃষ্টি হয় দুটি সঁচা মনৰ দ্বাৰা। আচলতে আজিৰ দিনত টকা নোহোৱাকৈ প্ৰেম কৰিবলৈ গৈ কোনো লাভ নাই। হিন্দী ভাষাত এটি যোজনা আছে— 'অগৰ তুম পোচে কে পিচে ভাগেগা ট' ল'ৰকী অপনে আপ টেৰে পিছে ভাগেগা অগৰ তুম ল'ৰকী কে পিছে ভাগেগা ট' ল'ৰকী পেছে লেকে ভাগ যায়গী'। সেয়েহে সকলোৰে এইটো জনা দৰকাৰ যে প্ৰথমে নিজে সংস্থাপন হোৱা তাৰ পাছত প্ৰেমৰ কথা ভাবা। সেইটো সময়ত প্ৰেমৰ কথা নাভাবিবা বুলিয়ো কোৱা নাই। ভাবিব লাগে কিন্তু সকলো সময়তে প্ৰেমৰ কথা নহয় আগতে পঢ়ি-শুনি নিজৰ জীৱনক সংস্থাপিত কৰা। ছাত্ৰ জীৱনৰ অমূল্য সময়কণ নষ্ট নকৰিবা। আনন্দও কৰা ❑❑

(হাস্য ব্যংগ গল্প)

# জামুৰ গছজোপা

মূল হিন্দী ঃ কৃষ্ণচন্দৰ
অনুবাদ কৃষ্ণকান্ত বৰদলৈ
সহকাৰী অধ্যাপক, হিন্দী বিভাগ

ৰাতি ভীষণ জোৰেৰে ধুমুহা বলিছিল। সচিবালয়খনত জামুৰ গছ এজোপা উভালি পৰিল। ৰাতিপুৱা যেতিয়া মালিয়ে দেখা পালে, তেতিয়া সি গম পালে যে গছৰ তলত এজন মানুহ হেঁচা খাই আছে।

মালি কোবাকুবিকৈ চপ্ৰাচিৰ ওচৰ পালে, চপৰাচি কোবাকুবিকৈ কেৰাণীৰ ওচৰ পালে, কেৰাণী দৌৰা-দৌৰিকৈ গৈ অধীক্ষকৰ ওচৰ পালে, অধীক্ষকে দৌৰা-দৌৰিকৈ বাহিৰৰ লনলৈ ওলাই আহিল। নিমিষতে বাগৰি পৰা গছৰ তলত হেঁচা খাই থকা মানুহজনৰ চাৰিওকাষে মানুহৰ ভীৰ জমা হ'ল।

"বেচেৰা জামুৰ গছ। কিমান ফলদায়ক আছিল।" এজন কেৰাণীয়ে ক'লে।

"আৰু ইয়াৰ জামু কিমান ৰসাল হৈছিল।" — অন্য এজন কেৰাণীয়ে মনত পেলাই ক'লে।

"মই ফলৰ বতবত মোনা ভৰাই লৈ গৈছিলো, মোৰ সন্তানে এই জামু কিমান আনন্দেৰে খাইছিল।" — তৃতীয়জন কেৰাণীয়ে প্ৰায় কন্দাৰ সুৰত ক'লে।

"কিন্তু এই মানুহজন?" — মালিয়ে হেঁচা খাই থকা মানুহজনৰ ফালে ইংগিত দিলে।

"হয়, এই মানুহজন।" — অধীক্ষক মহোদয় চিন্তাত পৰিল।

"ঠিক নাই, মৰিল নে বাচি আছে?" — চপ্ৰাচি এজনে ক'লে।

"মৰিল হ'ব পায়, ইমান গধুৰ গছ যাৰ পিঠিত পৰে, সি কেনেকৈ বাচি থাকিব?" — এন্য এজন চপ্ৰাচিয়ে ক'লে।

"নহয়, মই জীয়াই আছে।" — হেঁচা খাই থকা মানুহজনে বৰ কষ্টেৰে হেঁহাই হেঁহাই ক'লে।

"জীয়াই আছে।" — এজন কেৰাণীয়ে আচৰিত হৈ ক'লে।

"গছজোপা দুচেও কৰি সোনকালে মানুহজনক বাহিৰ কৰিব লাগে।" — মালিয়ে পৰামৰ্শ দিলে।

"অসম্ভৱ যেন লাগিছে।" — এজন ধূৰ্ত এলেহুৱা আৰু শকত কেৰাণীয়ে ক'লে — "গছজোপাৰ গা-গছ বহুত গধুৰ আৰু ওজন থকা।"

"কি অসুবিধা আছে?" — মালিয়ে ক'লে — "যদি অধীক্ষক মহোদয়ে আদেশ দিয়ে, তেন্তে এতিয়াই পোন্ধৰ, বিশজন মালি, চপ্ৰাচি কেৰাণী লগ লাগি গছৰ তলত হেঁচা খাই থকা মানুহজনক বাহিৰ কৰিব পৰা যায়।"

"মালিয়ে ঠিকেই কৈছে।" — সমস্বৰে কেইবাজনো কেৰাণীয়ে হয়ভৰ দিলে, — "জোৰ দিয়া আমি সাজু আছো।"

একেলগে বহুতো মানুহে গছজোপাক উঠাবলৈ সাজু হ'ল।

"ৰ'ব।" — অধীক্ষকে ক'লে, — "মই অভাৰ সচিবক সুধি লওঁ।" এনেদৰে অধীক্ষক অভাৰ সচিবৰ ওচৰলৈ গ'ল। অভাৰ সচিবে উপ-সচিবৰ ওচৰ পালে। উপ-সচিবে গৈ সংযুক্ত সচিবৰ ওচৰ পালে। সংযুক্ত সচিব মুখ্য সচিবৰ ওচৰ পালে। মুখ্য সচিব মন্ত্ৰীৰ ওচৰলৈ গ'ল। মন্ত্ৰীয়ে মুখ্য সচিবৰ কিবা ক'লে। মুখ্য সচিবে সংযুক্ত সচিবক, সংযুক্ত সচিবে উপ-সচিবক কিবা ক'লে। ফাইল দৌৰি থাকিল। এনেকৈয়ে আধা দিন পাৰ হৈ গ'ল।

দুপৰীয়া ভোজনৰ সময়ত হেঁচা খাই থকা মানুহজনৰ চাৰিওকাষে আৰু বহুত মানুহৰ ভীৰ জমা হ'ল। কিছু সংখ্যক নিজস্ব খেয়াল-খুচীমতে চলা কেৰাণীয়ে সমস্যাটো সমাধান কৰিবলৈ বিচাৰিলে। তেওঁলোকে আদেশৰ সিদ্ধান্তৰ বাবে অপেক্ষা নকৰি নিজৰ মাজতে গছজোপা আঁতৰাবলৈ সিদ্ধান্ত লৈছিল, তেনেকুৱাতে অধীক্ষক মহোদয়ে ফাইললৈ দৌৰি দৌৰি আহি ক'লে — "আমি নিজে এই গছজোপাক আঁতৰাব নোৱাৰিম। আমি বাণিজ্য বিভাগৰ লগত জড়িত আৰু এই গছজোপাৰ সমস্যা, কৃষি বিভাগৰ অধীনত। মই ফাইলটো অতি শীঘ্ৰে কৃষি বিভাগলৈ পঠিয়াই আছো — তাৰ পৰা উত্তৰ অহাৰ লগে লগে গছজোপা কটা হ'ব।"

পিছদিনা কৃষি বিভাগৰ পৰা উত্তৰ আহিল এইবুলি — বাণিজ্য বিভাগৰ লনত গছজোপা বাগৰি পৰিছে সেইবাবে এই গছ কটা-নকটাৰ দায়িত্ব বাণিজ্য বিভাগৰ ওপৰত ন্যস্ত।

এই উত্তৰ পঢ়ি বাণিজ্য বিভাগ খঙত জ্বলি-পকি উঠিল। সিহঁতে তৎক্ষণাৎ কৃষি বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিলে।

তৃতীয় দিনাখনো ফাইল দৌৰি থাকিল। আবেলিলৈ কৃষি বিভাগৰ পৰা উত্তৰ আহিল এইবুলি আমি এই বিষয়টো উদ্যান কৃষি বিভাগক অৰ্পণ কৰিছো; কিয়নো এইটো এটা ফলদায়ক গছৰ বিষয় কৃষি বিভাগৰ শস্য আৰু খেতি-বাতিৰ বিষয়তহে সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে।

ৰাতিলৈ মালিয়ে গছৰ তলত হেঁচা খাই থকা মানুহজনক দালি-ভাত খুৱালে, য'ত নেকি চাৰিওফালে পুলিচৰ চোকা পহৰা আছিল। ক'ৰবাত কোনো মানুহে আইন নিজৰ হাতত তুলি লৈ গছজোপাক কাটিবলৈ চেষ্টা নকৰে। কিন্তু এজন পুলিচ কনিষ্টবলৰ দয়া ওপজিল আৰু সি মালিক হেঁচা খাই থকা মানুহজনক আহাৰ খুৱাবলৈ অনুমতি দি দিলে।

মালিয়ে হেঁচা খাই থকা মানুহজনক ক'লে — "তোমাৰ ফাইল দৌৰি আছে, আশা আছে কাইলৈ সিদ্ধান্ত হৈ যাব। হেঁচা খাই থকা মানুহজনে একো উত্তৰ নিদিলে। মালিয়ে গছজোপাৰ গুৰিৰ ফালে ধ্যান দি ক'লে — "ভাল হ'ল গছজোপাৰ গুৰিডাল তোমাৰ তপিনাৰ হাড়ত পৰিল, যদি কঁকালত পৰা হ'লে ৰাজহাড় ভাঙি গ'লহেঁতেন। মালিয়ে আকৌ ক'লে — "তোমাৰ ইয়াত কোনোবা চিনা-জনা মানুহ আছে যদি মোক তেওঁৰ ঠিকনা কোৱা, মই তেওঁক খবৰ দিবলৈ চেষ্টা কৰিম।"

"মই অনাথ।" — হেঁচা খাই থকা মানুহজনে বৰ কষ্টেৰে ক'লে। মালিয়ে দুখ প্ৰকাশ কৰি তাৰ পৰা আঁতৰি গ'ল।

পিছদিনাখন উদ্যান কৃষি বিভাগৰ পৰা উত্তৰ আহিল। বহুত কঠোৰ উত্তৰ আৰু হাঁহি উঠা।

উদ্যান কৃষি বিভাগৰ সচিবগৰাকী সাহিত্যপ্ৰেমী যেন লাগিল। তেওঁ লিখিছিল — "আচৰিত, এই সময়ত যেতিয়া আমি 'বৃক্ষৰোপণ' আঁচনি শীৰ্ষ পৰ্যায়ত চলাই আছো, আমাৰ দেশত এনেকুৱা চৰকাৰী বিষয়াও মজুত আছে যিয়ে গছ কটাৰ পৰামৰ্শ দিয়ে আৰু সেইটোও এজোপা ফলদায়ক জামু গছ। আমাৰ বিভাগে কোনো কাৰণতে এই ফলদায়ক গছ কটাৰ আদেশ দিব নোৱাৰে।

"এতিয়া কি কৰা যায়।" — এই বিষয়ত এজন মগগৰ্বীয়ে ক'লে — "যদি গছ কটা নহয়, এই মানুহজনকে দুচেও কৰি কাটি বাহিৰলৈ অনা যাওঁ। এয়া চাওঁক — সেই মানুহজনে ইংগিতেৰে ক'লে, "যদি এই মানুহজনৰ আধাভাগ ইফালে ওলাই আহিব আধাভাগ সেইফালে বাহিৰলৈ আহিব আৰু গছজোপা যেনেদৰে আছে তেনেদৰে থাকিব।"

"কিন্তু এনেকৈতো মই মৰি যাম।" — হেঁচা খাই থকা মানুহজনে আপত্তি কৰি ক'লে।

"এইটো ঠিক কৈছে।" — কেৰাণী এজনে ক'লে।

মানুহজনক কটাৰ যুক্তি আগবঢ়োৱাজনে ঘোৰ বিৰোধ কৰি ক'লে — "আপুনি নাজানে, আজিকালি প্লাষ্টিক চাৰ্জাৰীৰে কিমান উন্নতি কৰিছে। মই ভাবো এই মানুহজনক মাজতে দুডোখৰ কৈ কাটি বাহিৰ কৰা হয় তেতিয়া হ'লে প্লাষ্টিক চাৰ্জাৰিৰে বুকুৰ পৰা এই মানুহজনক পুনৰ জোৰা লগাব পৰা যাব।

এইবাৰ ফাইলটো স্বাস্থ্য বিভাগলৈ পঠিয়াই দিয়া হ'ল। স্বাস্থ্য বিভাগে সোনকালে কাৰ্য সম্পাদন কৰিলে আৰু যি দিনাখন ফাইল পূৰ্বৰ বাণিজ্য বিভাগে পালে, তাৰ পিছদিনাখনেই স্বাস্থ্য বিভাগে তেওঁলোকৰ সকলোতকৈ যোগ্য প্লাষ্টিক চাৰ্জনক চোৱা-চিতাৰ বাবে পঠিয়াই দিলে। চাৰ্জনে হেঁচা খাই থকা মানুহজনৰ ভালদৰে পৰীক্ষা কৰি তেজৰ চলাচল চালে, নাড়ীৰ স্পন্দন লক্ষ্য কৰিলে আৰু হাওঁফাওঁ পৰীক্ষা কৰি ৰিপৰ্ট পঠিয়াই দিলে এইবুলি, এই মানুহজনৰ প্লাষ্টিক চাৰ্জাৰি সম্ভৱ হ'ব আৰু অপাৰেচনো সফল হ'ব কিন্তু মানুহজন নাবাচিব।

সেইবাবে এই সিদ্ধান্তও বাতিল কৰা হ'ল।

ৰাতিলৈ মালিয়ে হেঁচা খাই থকা মানুহজনৰ মুখত খিচিৰি ঢালি দি ক'লে — "বিষয়টো এতিয়া ওপৰ মহলালৈ গ'ল। শুনিছো কাইলৈ সচিবালয়ত সকলো সচিবৰ এখন মিটিং হ'ব। তাত তোমাৰ বিষয়টোৱে স্থান পাব। আশা আছে সকলো কাম সু-কলমে সমাধা হ'ব।"

হেঁচা খাই থকা মানুহজনে দীৰ্ঘশ্বাস এৰি লাহেকৈ ক'লে — "এইটো মানিছো উপেক্ষা নকৰিবা, কিন্তু ধ্বংস হৈ যাম তুমি খবৰ পোৱালৈ।"

মালিয়ে আচৰিত হৈ মুখত আঙুলি হেঁচি সচকিত ভাৱেৰে ক'লে — "কি তুমি এজন কবিও?"

হেঁচা খাই থকা মানুহজনে লাহেকৈ মূৰ দুপিয়ালে। পিছদিনাখন মালিয়ে চপ্ৰাচিক ক'লে, চপ্ৰাচিয়ে কেৰাণীক, কেৰাণীয়ে প্ৰধান কেৰাণীক এনেকৈ নিমিষতে সচিবালয়ত খবৰ বিয়পি পৰিল এইবুলি — হেঁচা খাই থকা মানুহজন কবি। বচ্ কি হ'ব আৰু। মানুহৰ হেঁচা-ওপৰা লাগিল কবিক চাবলৈ। এই খবৰ চহৰত বিয়পি পৰাৰ লগে লগে অলি-গলিৰ পৰা কবি আহি গছৰ হেঁচা খাই থকা মানুহজনৰ ওচৰত উপস্থিত হ'ল। সচিবালয়ৰ লন ভিন ভিন কবিৰে ভৰি পৰিল আৰু হেঁচা খাই থকা মানুহজনৰ চাৰিওফালে কবি সন্মিলনৰ বাতাবৰণৰ সৃষ্টি হ'ল। সচিবালয়ৰ বহু কেৰাণী আৰু অৱৰ সচিব যাৰ সাহিত্য আৰু কবিতাৰ প্ৰতি আগ্ৰহণ আছে, তেওঁলোক ৰৈ গ'ল। কিছু সংখ্যক কবি গীতিকাৰে হেঁচা খাই থকা মানুহজনক কবিতা আৰু গীত শুনাবলৈ ধৰিলে।

হেঁচা খাই থকা মানুহজন কবি বুলি প্ৰচাৰ হোৱাৰ লগে লগে সচিবালয়ৰ সকলো কমিটিয়ে এই বুলি সিদ্ধান্ত ল'লে যিহেতু মানুহজন কবি গতিকে এই ফাইলৰ সম্বন্ধ কৃষি বিভাগ বা উদ্যান কৃষি বিভাগবো নহয়। কেৱল সাংস্কৃতিক বিভাগৰহে হ'ব। সাংস্কৃতিক বিভাগক অনুৰোধ কৰা হ'ল শীঘ্ৰে বিষয়টোৰ সিদ্ধান্ত গ্ৰহণ কৰি অভাগা কবিক ফলদায়ক বৃক্ষৰ হেঁচাৰ পৰা ৰক্ষা কৰা হওক।

ফাইল সাংস্কৃতিক বিভাগৰ অনেক শাখা-প্ৰশাখাৰ পাৰ হৈ সাহিত্য অকাডেমীৰ ওচৰ পালে। বেচেৰা সচিবগৰাকী সেই সময়ত নিজৰ বাহনেৰে সচিবালয়ৰ লনত উপস্থিত হৈ হেঁচা খাই থকা মানুহজনৰ সাক্ষাৎকাৰ ল'লে।

"তুমি কবি?" — তেওঁ সুধিলে।

"হয়।" — হেঁচা খোৱা মানুহজনে ক'লে।

"কি উপনামেৰে শোভিত?"

"উচ।"

"উচ!" — সচিবে জোৰেৰে চিঞৰিলে — "তুমি সেই উচ? যাৰ গদ্য সংগ্ৰহ 'উচকে ফুল' (নিয়ৰৰ পুল) অলপতে প্ৰকাশিত হৈছে।

হেঁচা খাই থকা মানুহজনে মূৰ দুপিয়ালে।

"তুমি আমাৰ অকাডেমীৰ সদস্য নেকি?" — সচিবে সুধিলে।

"নহয়।"

"আচৰিত কথা।" — সচিবে জোৰেৰে চিঞৰিলে — "ইমান ডাঙৰ কবি নিয়ৰৰ ফুলৰ লেখক আৰু আমাৰ অকাডেমীৰ সদস্য নহয়।"

"উহ্ কেনেকৈ ভুল হ'ল আমাৰ, কিমান ডাঙৰ কবি আৰু কেনেকৈ অন্ধকাৰত ডুব গৈ আছে, আচৰিত।"

"অন্ধকাৰত নহয়" — এজোপা গছত হেঁচা খাই আছে। অনুগ্ৰহ কৰি মোক এই গছজোপাৰ পৰা উলিয়াওক।

"এতিয়াই বন্দোৱস্ত কৰিছো।" — সচিবে তৎকালে ক'লে আৰু তৎক্ষণাৎ তেওঁৰ নিজৰ বিভাগলৈ খবৰ দিলে।

পিছদিনাখন সচিবগৰাকী দৌৰি দৌৰি আহি কবিৰ ওচৰ পাই ক'লে — "ধন্যবাদ, মিঠাই খোৱা। আমাৰ চৰকাৰী সাহিত্য অকাডেমীয়ে তোমাক আমাৰ কেন্দ্ৰীয় শাখাৰ সদস্য নিৰ্বাচিত কৰিছে। এইয়া লোৱা নিৰ্বাচনী পত্ৰ!"

"কিন্তু মোক এইজোপা গছৰ উলিওৱা।" — হেঁচা খাই থকা মানুহজনে চিঞৰি ক'লে।

"এই কাম আমি কৰিব নোৱাৰো।" — সচিবে ক'লে — "আমি যি কৰিব পাৰো কৰিলো, আমি ইমানখিনিলৈকেহে কৰিব পাৰো। যদি তুমি মৰি যোৱা, তোমাৰ পৰিবাৰক সাহায্য দিয়াব পাৰো, যদি তুমি দৰ্খাস্ত দিয়া সেইয়াও কৰিব পাৰো।"

"মই এতিয়া জীৱিত।" — কবিয়ে ৰৈ ৰৈ ক'লে — "মোক জীয়াই থাকিবলৈ দিয়ক।"

"বিপদ এইখিনিতে।" — চৰকাৰী সাহিত্য অকাডেমীৰ সচিবে হাত মোহাৰি ক'লে। আমাৰ বিভাগ কেৱল সাংস্কৃতিক বিভাগৰ লগত জড়িত। গছ কটাৰ বিষয় চিয়াহী-কলমৰে নহয়, দা-কুঠাৰেৰে জড়িত। ইয়াৰ বাবে আমি বন বিভাগলৈ জৰুৰী বাৰ্তা প্ৰেৰণ কৰিছো।

আবেলিলৈ হেঁচা খাই থকা মানুহজনৰ ওচৰলৈ আহি মালিয়ে ক'লে — "কালিলৈ বন বিভাগৰ মানুহে আহি এই গছজোপা কাটিব আৰু তুমি বাচি যাবা।"

মালিক বহুত আনন্দিত দেখা গ'ল। হেঁচা খাই থকা মানুহজনৰ স্বাস্থ্যই উত্তৰ দি আছিল। কিন্তু তেওঁ যিকোনো প্ৰকাৰে নিজৰ জীৱনৰ বাবে যুঁজি আছিল যাতে কাইলৈ পুৱালৈকে তেওঁ জীয়াই থাকে।

পিছদিনাখন যেতিয়া বন বিভাগৰ মানুহে দা-কুঠাৰ লৈ গছ

হেঁচা খাই থকা মানুহজনে লাহেকৈ মূৰ দুপিয়ালে। পিছদিনাখন মালিয়ে চপ্ৰাচিক ক'লে, চপ্ৰাচিয়ে কেৰাণীক, কেৰাণীয়ে প্ৰধান কেৰাণীক এনেকৈ নিমিষতে সচিবালয়ত খবৰ বিয়পি পৰিল এইবুলি — হেঁচা খাই থকা মানুহজন কবি। বচ্ কি হ'ব আৰু। মানুহৰ হেঁচা-ওপৰা লাগিল কবিক চাবলৈ। এই খবৰ চহৰত বিয়পি পৰাৰ লগে লগে অলি-গলিৰ পৰা কবি আহি গছৰ হেঁচা খাই থকা মানুহজনৰ ওচৰত উপস্থিত হ'ল। সচিবালয়ৰ লন ভিন ভিন কবিৰে ভৰি পৰিল আৰু হেঁচা খাই থকা মানুহজনৰ চাৰিওফালে কবি সন্মিলনৰ বাতাবৰণৰ সৃষ্টি হ'ল। সচিবালয়ৰ বহু কেৰাণী আৰু অৱৰ সচিব যাৰ সাহিত্য আৰু কবিতাৰ প্ৰতি আগ্ৰহণ আছে, তেওঁলোক বৈ গ'ল। কিছু সংখ্যক কবি গীতিকাৰে হেঁচা খাই থকা মানুহজনক কবিতা আৰু গীত শুনাবলৈ ধৰিলে।

হেঁচা খাই থকা মানুহজন কবি বুলি প্ৰচাৰ হোৱাৰ লগে লগে সচিবালয়ৰ সকলো কমিটিয়ে এই বুলি সিদ্ধান্ত ল'লে যিহেতু মানুহজন কবি গতিকে এই ফাইলৰ সম্বন্ধ কৃষি বিভাগ বা উদ্যান কৃষি বিভাগৰো নহয়। কেৱল সাংস্কৃতিক বিভাগৰহে হ'ব। সাংস্কৃতিক বিভাগক অনুৰোধ কৰা হ'ল শীঘ্ৰে বিষয়টোৰ সিদ্ধান্ত গ্ৰহণ কৰি অভাগা কবিক ফলদায়ক বৃক্ষৰ হেঁচাৰ পৰা ৰক্ষা কৰা হওক।

ফাইল সাংস্কৃতিক বিভাগৰ অনেক শাখা-প্ৰশাখাৰ পাৰ হৈ সাহিত্য অকাডেমীৰ ওচৰ পালে। বেচেৰা সচিবগৰাকী সেই সময়ত নিজৰ বাহনেৰে সচিবালয়ৰ লনত উপস্থিত হৈ হেঁচা খাই থকা মানুহজনৰ সাক্ষাৎকাৰ ল'লে।

"তুমি কবি?" — তেওঁ সুধিলে।

"হয়।" — হেঁচা খোৱা মানুহজনে ক'লে।

"কি উপনামেৰে শোভিত?"

"উচ।"

"উচ!" — সচিবে জোৰেৰে চিঞৰিলে — "তুমি সেই উচ? যাৰ গদ্য সংগ্ৰহ 'উচকে ফুল' (নিয়ৰৰ পুল) অলপতে প্ৰকাশিত হৈছে।

হেঁচা খাই থকা মানুহজনে মূৰ দুপিয়ালে।

"তুমি আমাৰ অকাডেমীৰ সদস্য নেকি?" — সচিবে সুধিলে।

"নহয়।"

"আচৰিত কথা।" — সচিবে জোৰেৰে চিঞৰিলে — "ইমান ডাঙৰ কবি নিয়ৰৰ ফুলৰ লেখক আৰু আমাৰ অকাডেমীৰ সদস্য নহয়।"

"উহ্ কেনেকৈ ভুল হ'ল আমাৰ, কিমান ডাঙৰ কবি আৰু কেনেকৈ অন্ধকাৰত ডুব গৈ আছে, আচৰিত।"

"অন্ধকাৰত নহয়" — এজোপা গছত হেঁচা খাই আছে। অনুগ্ৰহ কৰি মোক এই গছজোপাৰ পৰা উলিয়াওক।

"এতিয়াই বন্দোৱস্ত কৰিছো।" — সচিবে তৎকালে ক'লে আৰু তৎক্ষণাৎ তেওঁৰ নিজৰ বিভাগলৈ খবৰ দিলে।

পিছদিনাখন সচিবগৰাকী দৌৰি দৌৰি আহি কবিৰ ওচৰ পাই ক'লে — "ধন্যবাদ, মিঠাই খোৱা। আমাৰ চৰকাৰী সাহিত্য অকাডেমীয়ে তোমাক আমাৰ কেন্দ্ৰীয় শাখাৰ সদস্য নিৰ্বাচিত কৰিছে। এইয়া লোৱা নিৰ্বাচনী পত্ৰ!"

"কিন্তু মোক এইজোপা গছৰ উলিওৱা।" — হেঁচা খাই থকা মানুহজনে চিঞৰি ক'লে।

"এই কাম আমি কৰিব নোৱাৰো।" — সচিবে ক'লে — "আমি যি কৰিব পাৰো কৰিলো, আমি ইমানখিনিলৈকেহে কৰিব পাৰো। যদি তুমি মৰি যোৱা, তোমাৰ পৰিবাৰক সাহায্য দিয়াব পাৰো, যদি তুমি দৰ্খাস্ত দিয়া সেইয়াও কৰিব পাৰো।"

"মই এতিয়া জীৱিত।" — কবিয়ে বৈ বৈ ক'লে — "মোক জীয়াই থাকিবলৈ দিয়ক।"

"বিপদ এইখিনিতে।" — চৰকাৰী সাহিত্য অকাডেমীৰ সচিবে হাত মোহাৰি ক'লে। আমাৰ বিভাগ কেৱল সাংস্কৃতিক বিভাগৰ লগত জড়িত। গছ কটাৰ বিষয় চিয়াহী-কলমৰে নহয়, দা-কুঠাৰেৰে জড়িত। ইয়াৰ বাবে আমি বন বিভাগলৈ জৰুৰী বাৰ্তা প্ৰেৰণ কৰিছো।

আবেলিলৈ হেঁচা খাই থকা মানুহজনৰ ওচৰলৈ আহি মালিয়ে ক'লে — "কালিলৈ বন বিভাগৰ মানুহে আহি এই গছজোপা কাটিব আৰু তুমি বাচি যাবা।"

মালিক বহুত আনন্দিত দেখা গ'ল। হেঁচা খাই থকা মানুহজনৰ স্বাস্থ্যই উত্তৰ দি আছিল। কিন্তু তেওঁ যিকোনো প্ৰকাৰে নিজৰ জীৱনৰ বাবে যুঁজি আছিল যাতে কাইলৈ পুৱালৈকে তেওঁ জীয়াই থাকে।

পিছদিনাখন যেতিয়া বন বিভাগৰ মানুহে দা-কুঠাৰ লৈ গছ

কাটিবলৈ আহিল, তেওঁলোকক গছ কটাৰ পৰা বিৰত থাকিবলৈ দিয়া হ'ল। কাৰণ দৰ্শোৱা হ'ল — এই গছজোপাক দহ বছৰৰ আগতে পিতোনিয়া ৰাজ্যৰ প্ৰধান মন্ত্ৰীয়ে সচিবালয়ৰ লনত ৰুইছিল। যদি এতিয়া এই গছজোপা কাটি দিয়া হয় তেতিয়া হ'লে আশংকা কৰা হৈছে যে পিতোনিয়া ৰাজ্যৰ লগত আমাৰ সম্বন্ধ চিৰদিনৰ বাবে বেয়া হৈ যাব পাৰে।

"কিন্তু এজন মানুহৰ জীৱন-মৰণৰ প্ৰশ্ন জড়িত আছে।" — কেৰাণী এজনে চিঞৰিলে।

"অন্যহাতেদি দুয়োখন ৰাজ্যৰ সম্বন্ধৰ প্ৰশ্নও জড়িত আছে।" — আনজন কেৰাণীয়ে ক'লে।

"আৰু এইটোও বুজা উচিত যে পিতোনিয়া চৰকাৰে আমাৰ ৰাজ্যক কিমান সাহায্য দিছে তাৰবাবে আমি তেওঁলোকৰ মিত্ৰতাৰ বাবে এজন মানুহৰ জীৱন বলি দিব নোৱাৰো নেকি?"

"কবি মৰি যোৱা উচিত?"

"নিঃসন্দেহে।"

উপ-সচিবে অধীক্ষকক ক'লে — "আজি ৰাতিপুৱা প্ৰধানমন্ত্ৰী বিদেশ ভ্ৰমণৰ পৰা ঘূৰি আহিছে। আজি বিয়লি চাৰি বজাত বিদেশ বিভাগে এই গছজোপাৰ ফাইল তেওঁৰ সন্মুখত উপস্থাপন কৰিব। তেওঁ যি সিদ্ধান্ত দিব, সেইয়াই সকলোৰে বাবে গ্ৰহণযোগ্য হ'ব।"

আবেলি পাঁচ বজাত স্বয়ং অধীক্ষকে কবিৰ ফাইল লৈ কবিৰ ওচৰলৈ আহিল, — "শুনিছা?" — আহিয়ে তেওঁ আনন্দত ফাইল নচুৱাই ক'লে — "প্ৰধানমন্ত্ৰীয়ে এই জামুৰ গছজোপা কাটিবলৈ আদেশ দিলে আৰু এই ঘটনাৰ সকলো আন্তঃৰাষ্ট্ৰীয় দায়িত্ব নিজে মূৰ পাতি ল'লে। কাইলৈ এই গছজোপা কাটি দিয়া হ'ব আৰু তুমিও এই সংকটৰ পৰা মুক্তি লভিবা। আজি তোমাৰ ফাইল পূৰ্ণ হ'ল।"

কিন্তু কবিৰ হাত ঠাণ্ডা পৰিল, চকুৰ মণি নিৰ্জীৱ আৰু পৰুৱাৰ এটা দীঘলীয়া শাৰী মুখৰফালে গতি কৰা দেখা গ'ল।

কবিৰ জীৱনৰ ফাইলেও পূৰ্ণতা পালে ◻◻

---

গাঁৱৰ আৰু চহৰৰ আন্ধাৰ দুটা বেলেগ বস্তু। গাঁৱৰ আন্ধাৰ বন্ধুৰ দৰে চিনাকি। কিন্তু ছাট মৰা পোহৰে জিলিকাই ৰখা চহৰৰ আন্ধাৰ অপ্ৰাকৃতিক, বৈৰী ভাবাপন্ন আৰু আতংকজনক। চহৰৰ আন্ধাৰ হ'ল মৰাশৰ ওপৰত জঁপিয়াই পৰিবলৈ সুযোগ বিচাৰি আকাশত উৰি থকা শগুণৰ নিচিনা।

— ছমাৰচেট মম।

কাটিবলৈ আহিল, তেওঁলোকক গছ কটাৰ পৰা বিৰত থাকিবলৈ দিয়া হ'ল। কাৰণ দৰ্শোৱা হ'ল — এই গছজোপাক দহ বছৰৰ আগতে পিতোনিয়া ৰাজ্যৰ প্ৰধান মন্ত্ৰীয়ে সচিবালয়ৰ লনত ৰুইছিল। যদি এতিয়া এই গছজোপা কাটি দিয়া হয় তেতিয়া হ'লে আশংকা কৰা হৈছে যে পিতোনিয়া ৰাজ্যৰ লগত আমাৰ সম্বন্ধ চিৰদিনৰ বাবে বেয়া হৈ যাব পাৰে।

"কিন্তু এজন মানুহৰ জীৱন-মৰণৰ প্ৰশ্ন জড়িত আছে।" — কেৰাণী এজনে চিঞৰিলে।

"অন্যহাতেদি দুয়োখন ৰাজ্যৰ সম্বন্ধৰ প্ৰশ্নও জড়িত আছে।" — আনজন কেৰাণীয়ে ক'লে।

"আৰু এইটোও বুজা উচিত যে পিতোনিয়া চৰকাৰে আমাৰ ৰাজ্যক কিমান সাহায্য দিছে তাৰবাবে আমি তেওঁলোকৰ মিত্ৰতাৰ বাবে এজন মানুহৰ জীৱন বলি দিব নোৱাৰো নেকি?"

"কবি মৰি যোৱা উচিত?"

"নিঃসন্দেহে।"

উপ-সচিবে অধীক্ষকক ক'লে — "আজি ৰাতিপুৱা প্ৰধানমন্ত্ৰী বিদেশ ভ্ৰমণৰ পৰা ঘূৰি আহিছে। আজি বিয়লি চাৰি বজাত বিদেশ বিভাগে এই গছজোপাৰ ফাইল তেওঁৰ সন্মুখত উপস্থাপন কৰিব। তেওঁ যি সিদ্ধান্ত দিব, সেইয়াই সকলোৰে বাবে গ্ৰহণযোগ্য হ'ব।"

আবেলি পাঁচ বজাত স্বয়ং অধীক্ষকে কবিৰ ফাইল লৈ কবিৰ ওচৰলৈ আহিল, — "শুনিছা?" — আহিয়ে তেওঁ আনন্দত ফাইল নচুৱাই ক'লে — "প্ৰধানমন্ত্ৰীয়ে এই জামুৰ গছজোপা কাটিবলৈ আদেশ দিলে আৰু এই ঘটনাৰ সকলো আন্তঃৰাষ্ট্ৰীয় দায়িত্ব নিজে মূৰ পাতি ল'লে। কাইলৈ এই গছজোপা কাটি দিয়া হ'ব আৰু তুমিও এই সংকটৰ পৰা মুক্তি লভিবা। আজি তোমাৰ ফাইল পূৰ্ণ হ'ল।"

কিন্তু কবিৰ হাত ঠাণ্ডা পৰিল, চকুৰ মণি নিৰ্জীৱ আৰু পৰুৱাৰ এটা দীঘলীয়া শাৰী মুখৰফালে গতি কৰা দেখা গ'ল।

কবিৰ জীৱনৰ ফাইলেও পূৰ্ণতা পালে □□

---

গাঁৱৰ আৰু চহৰৰ আন্ধাৰ দুটা বেলেগ বস্তু। গাঁৱৰ আন্ধাৰ বন্ধুৰ দৰে চিনাকি। কিন্তু ছাট মৰা পোহৰে জিলিকাই ৰখা চহৰৰ আন্ধাৰ অপ্ৰাকৃতিক, বৈৰী ভাবাপন্ন আৰু আতংকজনক। চহৰৰ আন্ধাৰ হ'ল মৰাশৰ ওপৰত জঁপিয়াই পৰিবলৈ সুযোগ বিচাৰি আকাশত উৰি থকা শগুণৰ নিচিনা।

— ছুমাৰচেট মম।

কাটিবলৈ আহিল, তেওঁলোকক গছ কটাৰ পৰা বিৰত থাকিবলৈ দিয়া হ'ল। কাৰণ দৰ্শোৱা হ'ল — এই গছজোপাক দহ বছৰৰ আগতে পিতোনিয়া ৰাজ্যৰ প্ৰধান মন্ত্ৰীয়ে সচিবালয়ৰ লনত ৰুইছিল। যদি এতিয়া এই গছজোপা কাটি দিয়া হয় তেতিয়া হ'লে আশংকা কৰা হৈছে যে পিতোনিয়া ৰাজ্যৰ লগত আমাৰ সম্বন্ধ চিৰদিনৰ বাবে বেয়া হৈ যাব পাৰে।

"কিন্তু এজন মানুহৰ জীৱন-মৰণৰ প্ৰশ্ন জড়িত আছে।" — কেৰাণী এজনে চিঞৰিলে।

"অন্যহাতেদি দুয়োখন ৰাজ্যৰ সম্বন্ধৰ প্ৰশ্নও জড়িত আছে।" — আনজন কেৰাণীয়ে ক'লে।

"আৰু এইটোও বুজা উচিত যে পিতোনিয়া চৰকাৰে আমাৰ ৰাজ্যক কিমান সাহায্য দিছে তাৰবাবে আমি তেওঁলোকৰ মিত্ৰতাৰ বাবে এজন মানুহৰ জীৱন বলি দিব নোৱাৰো নেকি?"

"কবি মৰি যোৱা উচিত?"

"নিঃসন্দেহে।"

উপ-সচিবে অধীক্ষকক ক'লে — "আজি ৰাতিপুৱা প্ৰধানমন্ত্ৰী বিদেশ ভ্ৰমণৰ পৰা ঘূৰি আহিছে। আজি বিয়লি চাৰি বজাত বিদেশ বিভাগে এই গছজোপাৰ ফাইল তেওঁৰ সন্মুখত উপস্থাপন কৰিব। তেওঁ যি সিদ্ধান্ত দিব, সেইয়াই সকলোৰে বাবে গ্ৰহণযোগ্য হ'ব।"

আবেলি পাঁচ বজাত স্বয়ং অধীক্ষকে কবিৰ ফাইল লৈ কবিৰ ওচৰলৈ আহিল, — "শুনিছা?" — আহিয়ে তেওঁ আনন্দত ফাইল নচুৱাই ক'লে — "প্ৰধানমন্ত্ৰীয়ে এই জামুৰ গছজোপা কাটিবলৈ আদেশ দিলে আৰু এই ঘটনাৰ সকলো আন্তঃৰাষ্ট্ৰীয় দায়িত্ব নিজে মূৰ পাতি ল'লে। কাইলৈ এই গছজোপা কাটি দিয়া হ'ব আৰু তুমিও এই সংকটৰ পৰা মুক্তি লভিবা। আজি তোমাৰ ফাইল পূৰ্ণ হ'ল।"

কিন্তু কবিৰ হাত ঠাণ্ডা পৰিল, চকুৰ মণি নিৰ্জীৱ আৰু পৰুৱাৰ এটা দীঘলীয়া শাৰী মুখৰফালে গতি কৰা দেখা গ'ল।

কবিৰ জীৱনৰ ফাইলেও পূৰ্ণতা পালে ◻◻

---

গাঁৱৰ আৰু চহৰৰ আন্ধাৰ দুটা বেলেগ বস্তু। গাঁৱৰ আন্ধাৰ বন্ধুৰ দৰে চিনাকি। কিন্তু ছাট মৰা পোহৰে জিলিকাই ৰখা চহৰৰ আন্ধাৰ অপ্ৰাকৃতিক, বৈৰী ভাবাপন্ন আৰু আতংকজনক। চহৰৰ আন্ধাৰ হ'ল মৰাশৰ ওপৰত জঁপিয়াই পৰিবলৈ সুযোগ বিচাৰি আকাশত উৰি থকা শগুণৰ নিচিনা।

— ছমাৰচেট মম।

# স্বপ্নভংগ

ভূবন জ্যোতি বৰুৱা
কলেজ কৰ্মচাৰী

(এক)

নৱ ঘনশ্যাম তনু মোহন মুৰাৰি
নহয় জানো তুমি প্ৰভু ত্ৰিজগতৰ হৰি ।
জগতৰ হৰ্তাকৰ্তা জানে সৰ্বজনে
তথাপি তোমাৰ নাম নলয় পাপীজনে !!

টোপনিৰ পৰা সাৰ পাই উঠিয়ে বিক্ৰমৰ কাণত পৰিল নামঘৰীয়াৰ কণ্ঠ । দোকমোকালিতে নামঘৰীয়াই হৰি নামৰ ঘোষা আওঁৰায়। নামঘৰীয়াৰ গলাটো বৰ এটা ঠিক নহলেও তেওঁ গোৱা প্ৰতিটো ঘোষাই বিক্ৰমে মন দি শুনে । মধুময় হৰিনামে জীৱনৰ মায়া মোহ আঁতৰাই মনলৈ প্ৰশান্তি আনে । ঘোষা সামৰি নামঘৰীয়া নৈমিত্তিক কামত ব্যস্ত হৈ পৰিল। বিক্ৰমে ৱাল ঘড়ীটোলৈ চালে । ৭ বাজি গল। ঘৰলৈ আহিবৰে পৰা সি বৰ এলেহুৱা হৈ পৰিছে । নিশা বিছনালৈ যোৱা, শুই উঠা, খোৱা-বোৱা সকলোতে এক ব্যাপক পৰিৱৰ্তন । কেম্পত সিহঁতে নিয়মানুবৰ্তিতা কঠোৰভাৱে বজাই ৰাখে।

বিশ্বৰ সৰ্বোচ্চ সমৰক্ষেত্ৰ চিয়াচেনত নিধাৰিত কৰ্তব্য সম্পন কৰি সি এমাহৰ ছুটিত ঘৰত আছেহি । অৱশ্যে ছুটি শেষ হবলৈ আৰু ১০ দিনহে বাকী । অহা ১ তাৰিখে সি পুনৰ কৰ্তব্যত যোগদান কৰিবগৈ লাগিব । দেশৰ এই সংকটৰ সময়ত, দেশৰ অখণ্ডতা শৃঙ্খলা অটুট ৰাখিবৰ বা বে দেশমাতৃক প্ৰয়োজন এদিয় তাৰ দৰে শত সহস্ৰ সৈনিকৰ । দেশমাতৃয়ে যেন তাক হাত বাউল দি মাতিছে । সেই আহ্বান জানো কোনোবাই নেওঁচিব পাৰে ? আৰু কেইদিন মানৰ পাছতে সি ৰাওনা হব তাৰ কৰ্তব্য ক্ষেত্ৰলৈ । বিক্ৰম বিকাশ বৰুৱা, জুনিয়ৰ কামাণ্ডিং অফিচাৰ অব ইণ্ডিয়ান আৰ্মি ।

এক বিশেষ পৰিস্থিতিত পৰি বিক্ৰমে এদিন ভাৰতীয় সামৰিক বাহিনিত ভৰ্তি হৈছিল । সেইদিনা ঘৰি সি তাৰ সকলো কৰ্তব্যই সুচাৰুৰূপে কৰি আহিছে । ওপৰৱালাৰ আদেশ আখৰে আখৰে পালন কৰিছে । তাৰ সততা আৰু কৰ্তব্যনিষ্ঠাত ওপৰৱালাসকল যিদৰে সন্তুষ্ট, তলতীয়া জোৱনবোৰ সিদৰে অনুগত গৌৰান্বিত ।

সৈনিক হলেও, বন্দুক বাৰুদৰ মতে সহবাস কৰিলেও বিক্ৰমৰ মনটো তেনেই শান্তিপ্ৰিয় । সেয়ে যুদ্ধৰ বাতৰিয়ে আহত কৰে তাৰ হৃদয় । মৃত্যুৰ ভয়ত নহয় পৃথিৱীৰ পৰা মানৱতা নি:শেষ হোৱাৰ সংশয়ত । বতমান বিশ্বৰ বিভিন্ন দেশৰ মাজত যি বিধ্বংসী প্ৰতিয়োগিতা, যুদ্ধৰ কুচকাৱাজ চলিছে এয়া যেন বিশ্ব ধ্বংস যজ্ঞৰ এক পূৰ্বাভাব । এখন দেশে আন এখন দেশক প্ৰত্যক্ষ তথা পৰোক্ষ ভাৱে আক্ৰমণ কৰি কেৱল মাত্ৰা সেই দেশ আৰু জাতি টোকে অপমান স্বৰূপ । বিশেষ কৈ বিশ্বৰ কেইখনমান দেশৰ যুদ্ধং দেহি মনোভাৱে বাকীবোৰৰ নিদ্ৰা হৰিছে । ঠিক হোষ্টেলৰ কেইটামান উদণ্ড ল'ৰাই বাটেদি গৈ থকা ছোৱালীবোৰক জোকাই ব্যতিব্যস্ত কৰাৰ দৰে । কিন্ত ল'ৰাহতঁৰ অসভ্যালিত তলমু ৰ কৰি লাজ লাজকৈ আঁতৰি যোৱা ছোৱলীহতঁৰ দৰে এখন দেশৰ আক্ৰম্মক আচৰণত আন এখন দেশেতো শিৰ নত কৰিব নোৱাৰে। কাৰণ ইয়াত জড়িত হৈ থাকে এখন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰসঙ্গ । সাৰ্বভৌমত্ব, Sovereignty is the suprime command of a state both internally and externally .

সেয়া নিজৰ নিৰাপত্তা স্বাৰ্থতেই বাকীবোৰ দেশেও নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰিবলৈ বাধ্য হৈছে । বৃদ্ধি পাইছে সামৰিক ব্যয় । নিৰাপত্তা ব্যয়ৰ নামত বাষিক বাজেটৰ এক শকত অংশ ধাৰ্য্য কৰিছে । চুবুৰিয়া ৰাষ্টৰ প্ৰৰোচনাত শান্তিকামী ৰাষ্ট্ৰ ভাৰতবৰ্ষইও ইতিমধ্যে পাঁচটাকে পৰমাণু পৰীক্ষা সমাপন কৰিছে । বৃদ্ধি কৰা হৈছে প্ৰতিৰক্ষা ব্যয়ৰ পৰিমাণ ।

চাওঁতে চাওঁতে আঠ বাজিল । খপজপকৈ উঠি বিক্ৰমে ব্ৰাছ কৰাত লাগিল ।

ঃ দাদা সোনকালে হাত মুখকেইটা ধুই আহ । মই চাহ ৰেডী কৰিছো । ঠাণ্ডা হলে আকৌ গৰম কৰি দিবলৈ নকবি ।

মুখৰ পৰা ব্ৰাছডাল উলিয়াই কৃত্ৰিম খঙেৰে সি ভনীয়েকক সুধিলে ।

ঃ তই এইখন ঘৰত আৰু কিমান দিন থাকিবি ?

ঃ মানে ?

ঃ এতিয়াই তোক হেপাহ পলুৱাই আমনি কৰিম । বিয়াৰ পাছ্ততো সেয়া সম্ভৱ নহব । তেতিয়া তোৰ গিৰীয়েৰৰ আউল ধৰোতে যাব।

ঃ যাহ্ এইটো ।

ককায়েকৰ কথাষাৰত লাজ পালেও ভি তৰি এক অ্জান পুলকে তাইৰ গাভৰু দেহাটো জোকাৰি গল । ভনীয়েক আঁতৰি যোৱাৰ ফালে চাই সি মনতে ভাবিলে, জন্মৰে পৰা তুলিতালি ডাঙৰ দীঘল কৰা ছোৱালী এজনী এঘৰলৈ উলিয়াই দিয়াৰ লগেই লগেই যেন শেষ হৈ যায় আন্তৰিক সম্পৰ্ক । মাক- দেউতাক, ভাই ভনী সকলো হৈ যায় পৰ আৰু পৰ হৈ পৰে আপোন । এয়াই যে নিয়তিৰ অমোঘ নিয়ম ।

(দুই)

আহিবা বুলি দলিচা পাৰি
মনৰ দুৱাৰো ৰাখিছো খুলি ।।

গীতটো শেষ হোৱা মাত্ৰকে বিক্ৰমে অত্যাধুনিক পেনাচনিক চি.ডি.টো অফ কৰি দিলে । হাতত তুলি ললে একালৰ তাৰ অতি মৰমৰ গীতাৰ খন । টাৱেল খনেৰে মহাৰি নৰ কেইটা ঠিক কৰি ললে । "অকলশৰীয়া মই এটি ছায়া . . . . ", "মই যেতিয়া এই জীৱনৰ . . . ." গীতবোৰৰ এটি এটি ঝংকাৰে ভংগ কৰি দিলে কোঠাৰ নীৰৱতা । মন ভাল থাকিলে কেতিয়াবা সি ভতিজাকক মাতি আনে । ভতিজাক পিকুৱে স্থানীয় সংগীত বিদ্যালয় এখনত তাবলা শিকি আছে । গীতাৰ লগত সংগত কৰিব লৰ হোৱা নাই যদিও ত্ৰিতাল, ঝাপতাল, দাদৰ তালৰ বোলকেইটা সি ভালদৰে জানে । বিক্ৰমে গীতাৰখন আগৰ ঠাইত থৈ গিলে ।

ঘৰখনত কোনো নাই । আটাইবোৰ দিহা দিহি গল । এই নিজান পৰত তাৰ পখীলৈ মনত পৰিল । নিজান পৰত বলিয়েই নহয়, পখীৰ স্মৃতিয়ে অনবৰতে তাক অক্তোপাছৰ দৰে আগুৰি ৰাখে । জীৱনৰ প্ৰভাতী বেলাত পখীৰ সতে কটোৱা স্মৃতিৰ মূহূৰ্তবোৰ একো একোখন জীৱন্ত ছবি হৈ মন গহনত দোলা দি যায়।

ফুল মৰহি যায় থাকি যায় তাৰ সুবাস । সপোন ভাগি যায় বৈ যায় তাৰ প্ৰকাশ । মৰমৰ দাবীৰে চেনেহৰ বুজনি দিবলৈ আজি তাৰ কাষত পখী নাই । আছে মাথো জীৱন ডায়েৰীৰ হ্‌দয়ৰ পাতে পাতে লিখা সেউজীয়া অতীতৰ বহু ৰঙী কবিতা । এতিয়া বিষাদৰ ছাঁত টোপাটোপে সৰি পৰে কবিতাৰ ছন্দ।

পখী ! পখী জানো তাৰ বাবে অতীত হব পাৰে ? কেতিয়াও নহয় । পখী তাৰ অতীত, বৰ্তমান, ভৱিষ্যত সকলো । শাৰীৰিক অবয়বটো নহলেও পখীৰ প্ৰতিচ্ছবিখন আজিও মৰমৰ সঁজাত চেনেহৰ উম দি ৰাখিছে । সি এতিয়াও জীয়াই আছে পখীৰ সপোনৰ আঁৰত ।

কৰবাত সি পঢ়িছিল "হেৰুৱা ফুলৰ সুবাস বিচাৰিলে জীৱন হয় ব্যৰ্থ, আশা হয় অপূৰণ", জীৱনত তাৰ এটাই আশা এটাই সপোন আছিল; পখী । এদিন সি হিয়াখন সঁপি দিছিল পখীৰ হাতত । পখীৰ বাদে দ্বিতীয় এটাই সপোন তাৰ নাছিল, বৰ্তমানো নাই । আৰু জীৱন ? জীৱনটো সি দেশৰ বাবে
উচৰ্গা কৰিছে।

( তিনি)

" মই দেশৰ বাবে ওলালো
নাজানো কোন মুহূৰ্তত আহিব মৃত্যু
পাৰিলে চাবাহি
শত্ৰুৰ উত্তপ্ত বুলেটে থকা সৰকা কৰা মোৰ মৃতদেহটো",

পখীৰ প্ৰতাৰণাই সেমেকাই থৈ যোৱা তাৰ হৃদয়খন কোনো ষোড়শীৰ উমাল প্ৰেমেৰে নতুন কৈ সেক দিয়াৰ হাবিয়াস নাছিল। মাথো হতাশাত জৰ্জৰিত মনটো নতুনকৈ জীপাল কৰাৰ সুতীব্ৰ বাসনা লৈ সি এদিন অৱতীৰ্ণ হৈছিল কম্বাইণ্ড ডিফেন্স চাৰ্ভিছৰ পৰীক্ষাত।

উৰ্ত্তীণত হৈছিল সুখ্যাতিৰে।

ডেৰাডুনত প্ৰশিক্ষণ সমাপ্ত কৰাৰ পাছত তাৰ প'ষ্টিং হৈছিল জম্মু কাশ্মীৰৰ ড্ৰাচ চেক্তৰত । ১১ নং জাট ৰেজিমেণ্টৰ জুনিয়ৰ কামাণ্ডিং অফিচাৰ পদত । তাৰ সুঠাম দেহাটোত সৈনিকৰ সাজ যোৰ খাপ খাই পৰিছিল । ককালত এই M-20 পিষ্টল গুলি ভৰ্তি মেগজিন, কান্ধত এটা AK-56 ৰাইফল, হাতত এটা বাইন'কুলাৰ । তাৰ ই অতি মৰমৰ গীতাৰখনৰ ঠাই অধিকাৰ কৰি ললে M-20 পিষ্টলটোৱে গুঁ গীতাৰৰ ষ্টিকাৰ ধৰাত অভ্যস্ত তৰ্জনী আঙুলিটো এতিয়া প্ৰতি মুহূৰ্ততে লাগি থাকে বন্দুকৰ ট্ৰীগাৰত, যত নাই গীতৰ মুৰ্চ্ছনা । আছে মাথো বোমা বাৰুদৰ শব্দ।

জে,চি, অ. হিচাপে যোগদান কৰি প্ৰথমটো মিশ্যনতে বিক্ৰমে অভাৱনীয় সফলতা লাভ কৰিছিল । জইন কৰাৰ দহদিন হৈছিলহে মাত্ৰ সেনাৰ চোৰাংচোৰাই চি. অক ৰিপট কৰিলে সেই নিশা কুৰি জনীয়া উগ্ৰপন্থী . দল এটাই সীমান্ত পাৰ হৈ পাকিস্থানৰ পাৰা ভাৰতৰ ভুখণ্ডত প্ৰবেশ কৰাৰ পূণ প্ৰস্তুতি চলোৱাৰ কথা । এই গধুৰ দায়িত্ব পৰিল বিক্ৰমৰ ওপৰত । বিক্ৰমে ইয়াক সৈনিক জীৱনৰ প্ৰথম অগ্নি পৰীক্ষা বুলিহে ধৰিলে । সন্ত্ৰাসবাদীবোৰক মোকাবিলা কৰিলেই নহব, কোনো এজন সৈন্যৰ ক্ষয় ক্ষতি নোহোৱাকৈ উগ্ৰপন্থীবোৰক যমপুৰীলৈ পঠাই দিব পৰাকৈ এক ঘণ্টাৰ ভিতৰতে সি অভিযানৰ পৰিকল্পনা চুড়ান্ত কৰিলে । নিশা আঠ বজাত পুহ মাহৰ হাঁড় কপোৱা জাৰকো নেওঁচি পূৰ্ণ প্ৰস্তুতিৰে ডেৰশ জনীয়া সৈন্যদলটো আগবাঢ়িল . . . . . ।

আক্ৰমণৰ সুবিধাৰ্থে ডেৰশ জনীয়া সৈন্য দলটোক পঞ্চাশজনীয়া তিনিটা দলত বিভক্ত কৰি প্ৰত্যেককে নিজৰ নিজৰ দায়িত্ব সম্বন্ধে বুজাই দিলে । প্ৰথম গ্ৰুপটো L.O.C ৰ যি আংশই দি উগ্ৰপন্থী সকলে সীমান্ত পাৰ হবলৈ চেষ্টা কৰিব পাৰে বুলি চোৰং চোৰাই ৰিপৰ্ট কৰিছিল তাৰ পৰা প্ৰায় দুশ মিটাৰ আতৰত অৱস্থান কৰিব । এই দলটোৰ দায়িত্বত থাকিল বিক্ৰম নিজে । লগত এটা U.M.G I U.M.G টোৰ দায়িত্বত থাকিব চুবেদাৰ জয় প্ৰকাশ পাণ্ডে । বাকী দুটা গ্ৰুপে বিক্ৰমহতঁৰ দুয়োফালে আধা কিলোমিটাৰ দূৰৈত অৱস্থান কৰিব । সন্ত্ৰাসবাদীবোৰে L.O.C পাৰ হৈ ভাৰতৰ মাটিত ভৰি দিয়া মাত্ৰকে বিক্ৰমহতঁৰ দলটোৱে ধাৰাষাৰ গুলীবৰ্ষন কৰিব । সন্ত্ৰাসবাদৰ পোষকতা কৰা পাকিস্তানী সেনাই সন্ত্ৰসবাদীবোৰক ভাৰতৰ ভূখণ্ডলৈ প্ৰবেশ কৰোৱাত সহায় কৰিবলৈ যদি ভাৰতীয় সৈনকে আক্ৰমণ কৰে তেন্তে দ্বিতীয় আৰু তৃতীয়টো দলে পাকিস্তানী সেনাক প্ৰত্যাহ্বান জনাব।

নিশা ৯ বজাতেই বিক্ৰমহঁতৰ নিৰ্দ্দিষ্ট ঠাইখিনিত উপস্থিত হলগৈ । বিক্ৰমৰ দিহামতে প্ৰত্যেকেই নিজ নিজঅৱস্থন ঠিক কৰি ললে। অস্ত্ৰ - শস্ত্ৰ সাজু কৰি বাট চাই ৰল নিৰ্দ্দিষ্ট মূহুতলৈ । এঘণ্টা দুঘণ্টা কৰি ঘড়ীৰ কাটাই ১১.৩০ চুলে । কিন্তু সন্ত্ৰাসবাদী অহাৰ কোনো চিন মোকামেই নাই । কব নোৱাৰি চোৰাংচোৰাৰ ইন্‌ফৰমেচন ভুল হব পাৰ । তথাপি সাজু হৈ থকা ভাল।

**তেনেতে সীমান্তত ক্ষীণ পোহৰৰ এক ৰেঙণি দেখা গ'ল । বিক্ৰমে বাইন'কুলাৰটো সাজু কৰি ললে । বাইন'কুলাৰত ধৰা পৰিল** প্ৰায় ৩০ জনীয়া এটা দলে সীমান্ত পাৰ হোৱাৰ প্ৰস্তুতি চলাইছে । ইতিমধ্যে পোন্ধৰটা মানে পাকিস্তানৰ সীমা পাৰ হৈ ভাৰতৰ সীমাত ভৰি দিছে । বিক্ৰমে সন্তৰ্পণে সকলো লক্ষ্য কৰি থাকিল । বাকীকেইটা সন্ত্ৰাসবাদীও ভাৰতৰ সীমাত ভৰি দিয়াৰ মাত্ৰকে বিত্ৰমে তাৰ সৈন্যদলটোক নিৰ্দ্দেশ দিলে ।

ঃ চট দেম। গৰজি উঠিল চুবেদাৰ জয় প্ৰকাশৰ U.M.G। স্বয়ংক্ৰিয় অস্ত্ৰ শস্ত্ৰৰে সজিত সন্ত্ৰাসবাদীহতে ত্ৰিগাৰত হেঁচা দিবলৈকে নাপালে । U.M.G আৰু বাকীবোৰ সৈন্যৰ ৰাইফলৰ পৰা ওলোৱা জাক জাক গুলীয়ে সন্ত্ৰসবাদীবোৰক ধৰাশায়ী কৰি পেলালে । AK-56 ৰাইফলটো ওচৰত সাজু কৰি থলেও বিক্ৰমে ইয়াক বাৱহাৰ কৰাৰ প্ৰয়োজন অনুভৱ নকৰিলে । বাইন'কুলাৰটোৰে চাই সি দেখিলে শেষত অহা সন্ত্ৰাসবাদী দুটাই কোনোমতে প্ৰাণ লৈ অহা বাট পলাল । বিক্ৰমঁহতে আশা কৰাৰ দৰে পাকিস্তানী সৈন্যই ভাৰতীয় সৈন্যৰ ওপৰত আক্ৰমণ নচলালে । বাকীটকাৰৈ সি কেম্পত জনাই দিলে মিশ্যনটোৰ গ্ৰেণ্ড চাকচেচৰ কথা । কেম্পত পিতৃ বয়সীয়া বিগ্ৰডিয়াৰ এ.কে. সৈনীয়ে পিঠিত থপৰিয়াই বিক্ৰমক অভিবদন জনালে।

ঃ ইউ আৰ ৰিয়েলি এ ব্ৰেভ এণ্ড জিনিয়াছ ইয়ং মেন । আই কংগ্ৰেচুলেট ইউ ।

ঃ থেংক ইউ চাৰ এণ্ড টু গড় ।

কেম্পত সেই দিনা এটি সৰু সুৱা পাৰ্টিও চলিল ।

বিক্ৰমহঁতৰ কেম্পটো L.O.C ৰ পৰা দুই কিলোমিটাৰ আঁতৰত। ঠাইখিনি বেছ স্পৰ্শকাতৰ । প্ৰতিখোজে প্ৰতি ক্ষণে বাজি থাকে মৃতুৰঘণ্টা

। প্ৰতি মুহূত্তৰ্ততে অত্যধিক সতৰ্কতাৰ প্ৰয়োজন । কবতো নোৱাৰি কোনমূহূৰ্তত শত্ৰুৰ গুলি, মাটৰ ব আঘাতে কাৰ বুকু ভেদি যায় । আকাশ মাৰ্গে শত্ৰু সৈন্য হঠাৎ আহি বম্বিং বাৰিং কৰি যোৱা সম্ভাৱনাও নোহোৱা নহয়।

সেয়ে শত্ৰুৰ আক্ৰমণৰ যথোচিত প্ৰত্যুত্তৰ দিব পৰাকৈ সিহঁতেও ৰকেট লাঞ্চাৰ, এন্টি মিছাইল, বাংকাৰ সকলো সাজু কৰি ৰাখে । মৃত্যুলৈ বিক্ৰমৰ ভয় নাই । কোনো সৈনিকে মৃতুক পৰোৱা নকৰে । সৈনিকে মৃতুক তুচ্ছ জ্ঞান কৰে । সেই বুলি সিহঁতো তালৈ কাৰোবাৰ চিকাৰ হৈ যোৱানাই । গৈছে চিকাৰী হৈ । দেশৰ অখণ্ডতাৰ প্ৰতি ভাবুকি সৃষ্ঠি কৰা চুবুৰীয়া দেশৰ শত্ৰুসৈন্য আৰু দেশত আভ্যন্তৰীণ অশান্তি সৃষ্টি কৰিবলৈ সীমান্তৰ সিপাৰৰ পৰা প্ৰৱেশ কৰিব খোজা ভেৰোণীয়া হঁতক এসেকা দিবলৈ । এইখিনি কৰিবলৈ যাওঁতে যদি জীৱন যায়, যাওঁক । তেনে মৃত্যুহে সৈনিকৰ কাম্য । সৈনিকে মৃত্যুক জিনিব বিচাৰে ।

ড্ৰাছ খণ্ডৰ ৯ মাহ কটোৱাৰ পাছত বিক্ৰমহঁতৰ ৰেজিমেণ্টটোক ট্ৰেন্সপাৰ কৰি লৈ যোৱা হল বিশ্বৰ সুচচ ৰণক্ষেত্ৰ চিয়াচেনলৈ। চিয়াচেনত সিহঁতে যুজিব লগা হৈছিল প্ৰকৃতিৰ সৈতেও । কিন্তু ভাগৰি পৰা নাছিল । মনোবল অটুট ৰাখি কৰি গৈছিল নিজৰ কৰ্তব্য। দেশমাতৃৰ প্ৰতি সন্তানৰ কৰ্তব্য ।

## (চাৰি)

"এতিয়া চৌদিশে মাথো জুই ।
তেজৰ তেলেৰে জ্বলা জুই ।।"

উত্তৰ- পূবাঞ্চল আৰু জন্মু-কাশ্মীৰৰ বিচ্ছিন্নতা বাদীসকলক এশকনি দিয়াৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে উত্তৰ- পূবাঞ্চল আৰু জন্মু-কাশ্মীৰলৈ ক্ৰমে দহ আৰু বাৰটাকৈ সেনাৰ অতিৰিক্ত ৰেজিমেণ্ট প্ৰেৰণ কৰাৰ কথা বিক্ৰমে আসাম ট্ৰিবিউনত পঢ়িবলৈ পালে । পিছদিনাই সি এটা ইমাৰজেন্সি মেচেজ পালে । মেচেজ যোগে ১ তাৰিখে বিক্ৰমক আৰ্মিৰ ইষ্টাৰ্ণ কমাণ্ডাৰ ফৰ ৱাৰৰ তেজপুৰস্থ মূখ কাৰ্য্যলয়ত ৰিপৰ্ট কৰিবলৈ নিৰ্দ্দেশ দিয়া হল । সেইমতে ১ তাৰিখে পুৱাৰ ভাগতে সি তেজপুৰত পালেগৈ । হেড কোৱাটাৰত ৰিপৰ্ট কৰাৰ পাছতে তাৰ হাতত তুলি দিয়া হল এটা অডাৰ কপি । পূৰ্বৰ ১১ নং জাট ৰেজিমেণ্টৰ পৰা পদসহ ট্ৰেন্সফাৰ কৰি তাক নিযুক্তি দিয়া হৈছে অসমলৈ নতুন কৈ অহা নং মাউনটেইন ডিভিজনৰ বিগ্ৰেত ৰেজিমেণ্টত । কেম্প ববিব তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তত।

অসমলৈ ট্ৰেন্সফাৰ হোৱাৰ অৰ্ডাৰ পাই বিক্ৰমৰ বেছ ভাল লাগিল যদিও তিনিচুকীয়া নামটোৱে অন্তৰখন জয় পেলাই দিলে । এই তিনিচুকীয়া জিলাৰ মাকুমতেই আছিলি তাৰ মৰমৰ পখীৰ ঘৰ । ইয়াৰে কোনোবা এখন বাগিছাত মেনেজাৰ হিচাপে কাম কৰি থকা নামনিৰ যুবক এজনৰ সৈতে তাইৰ বিয়া হৈ গল । মৰমৰ সঁজা ভাঙি পখী এদিন পক্ষীৰ দৰে দেও দি দি উৰি গুছি গল দূৰলৈ ..........।

বিক্ৰমে সহজ হবলৈ চেষ্টা কৰিলে । কাৰোবাৰ অন্তৰৰ অনুভুতিক বুলেটে কেতিয়াও প্ৰশ্ৰয় নিদিয়ে । অন্তৰৰ অনুভুতিয়ে সৈনিকৰ কৰ্তব্য ও কৰ্তব্যস্থলী নিৰ্ধাৰণ নকৰে । এয়া নিৰ্ধাৰণ কৰে চৰকাৰ আৰু উচ্চ সামৰিক কতৃপক্ষই ।

নাইট চুপাৰত সি তিনিচুকীয়ালৈ বুলি যাত্ৰা কৰিলে । বাটত অলপো টোপনি নহল । নানান কথাই ওৰে নিশা তাক আমনি কৰিল। শৈশৱ আৰু যৌৱনৰ কথা, অসমৰ উন্নয়ন আৰু আৰ্থসামাজিক সমস্যাৰ কথা ..........।

ছাত্ৰ অৱস্থাতেই বিক্ৰমে জানিব পাৰিছিল অসম তথা উত্তৰ পূবাঞ্চলৰ এছামে 'মুক্তি বিপ্লৱ ' চলাই থকাৰ কথা । অপৈণত বয়সত বিক্ৰমে "বিপ্লৱী" সকলৰ প্ৰতি অন্তৰত কিছু কোমলতা অনভৱ কৰিছিল । সি অনুধাৱন কৰিছিল মুক্তিৰ স্বপ্নত হাবি জংঘলে ঘুৰি ফুৰা বিপ্লৱী সকলৰ ক্ষোভৰ কাৰণ । যি ক্ষোভত মৃত্যু পণ কৰি এছাম নতুন প্ৰজন্মই জীৱনৰ সেউজীয়া সময়ৰ স্বাভাবিক ভোগ বিলাস ত্যাগ কৰি মুক্তিৰ স্বপ্নত তগবগাই ফুৰিছিল ।

কিন্তু পৰৱতী ঘটনাপ্ৰৱাহে বিক্ৰমক কথাবোৰ নতুনকৈ ভাবিবলৈ বাধ্য কৰালে । হত্যা ধনদাবীৰ দৰে গৰ্হিত ঘটনা প্ৰৱহত বিক্ৰম মোহাচ্ছন্ন হ'ল । আৰু ঠিক সেই সময়তে বিক্ৰম ভৰ্তি হৈছিল ভাৰতীয় সামৰিক বাহিনীত । সৈনিকৰ চাকৰিতদিহিঙে দিপাঙে ঘূৰি ফুৰিলেও সময় পালেই সি দৈনিক কাকত পঢ়ে । উত্তৰ পূবাঞ্চলৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে জানিবলৈ তাৰ খুব মন যায় । কিন্তু ৰাষ্ট্ৰীয় কাকতবোৰে উত্তৰ পূবাঞ্চলৰ ঘটনাৰাজীক যথোচিত গুৰুত্ব নিদিয়ে । তাৰ মাজতো কোনোবাখন কাকত অসম ও উত্তৰ পূবাঞ্চলৰ খবৰ ওলালে সি একে উশাহতে পঢ়ি পেলায় । বাতৰিবোৰৰ সাৰমম একেই । হত্যা, সংঘৰ্ষ, ভাবুকি, ধনদাবী ইত্যাদি ইত্যাদি।

তিনি মাহৰ চুটীত ঘৰলৈ যাওঁতে সি নিয়মীয়াকৈ বাতৰি কাকত পঢ়িছিল । প্ৰত্যেক দিনৰ কাকতত প্ৰকাশ পায় গতানুগতিক খবৰ

ল – অমুকত সেনা বিদ্রোহীৰ সংৰ্ঘষ, তমুকত শিশু-মহিলাসহ ১০ গৰাকীক গুলীয়াই হত্যা, বোমা বিস্ফোৰণত বাছযাত্ৰী নিহত,ধনদাবীস.......... ।

কতৰ্ব্যই বিক্ৰমক পুনৰ ফিৰাই আনিছে নিন্দাৰ ৰাজ্যখনলৈ । অশান্তি জৰ্জৰিত অসম শান্তি প্ৰতিষ্ঠাৰ গুৰু দায়িত্ব এতিয়া তাৰ কান্ধতো পৰিছে । বাছখনে ইতিমধ্যে যোৰহাট কেন্দ্ৰুগুৰি অতিক্ৰম কৰিলে । বিক্ৰমৰ চিলমিল কৈ টোপনি আহিছিল সপোনত সি পখীক দেখিলে । মুৰত মৰমেৰে হাত বুলাই পখীয়ে যেন কৈছে -

ঃ বিকু, তুমি আকৌ গীত গাবা । তোমাৰ গীতৰ সুৰে সুৰে মই নাচিম । ফুলৰ দৰে কোমল কোমল কবিতা ৰচিবা, তাৰ কাষে কাষে মই উৰিম । কোৱা বিকু, মোৰ কথা ৰাখিবা ?

বিক্ৰম খকাম্‌কাকৈ সাৰপাই গ'ল । হৃদয়খনত যেন কোনোবাই আচুৰি থৈহে গ'ল । চকুৰ কোলত নিগৰি ওলোৱা অশ্ৰুখিনি ৰুমালে মচি লৈ সি চিটটোত ভালকৈ ভেঁজা দি বহিল ।

(পাঁচ)

"Soldiers dont die for any party But for the nation"

তিনিচুকীয়াত নাইট চুপাৰৰ পৰা নামি পাব্লিক বাছেৰে সি কাকপথাৰলৈ গ'ল । তাৰ পাছত টেক্সি এখন ভাড়া কৰি পোনে পোনে কেম্প পালেগৈ । বিগ্ৰেদিয়াৰ জয়ৰাম মালাকাৰক নিজৰ পৰিচয় দি জইনিং ৰিপৰ্ট দাখিল কৰিলে ।

**চাৰ্জ লোৱাৰ পাছতে কেইজনমান জোৱান সহ সেনাৰ 'শক্তিমান' জীপখন লৈ বিক্ৰমে এৰিয়াটো এবাৰ টহল দি আহিল । কেম্প কামাণ্ডাৰৰ সতে আলোচনা কৰি স্পৰ্শকতাৰ ঠাইবোৰত চেক্ পষ্টৰ ব্যৱস্থা কৰিলে । অঞ্চল বিশেষে 'ৰুটিন চেক্' আৰু ' পেট্ৰলিঙ'ৰ ব্যৱস্থা জোৰদাৰ কৰি তুলিলে । দিনটোত দুবাৰকৈ সি নিজে পেট্ৰলিঙত যায় । প্ৰায়ে সি চিভিল ড্ৰেচত পেট্ৰলিঙত যায়, বগা জীপচীখনত । উগ্ৰবাদী সকলৰ গতি বিধিৰ ওপৰত কাঢ়া নজৰ ৰাখিলে । তিনিটাকৈ অভিযান চলালে অসম-অৰুণাচল সীমান্তৰ শান্তিপুৰ বনাঞ্চলত । প্ৰথমটো অভিযানত বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে যদিও দ্বিতীয়টো অভিযানত উগ্ৰপন্থী আৰু সেনাৰ মুখা মুখি সংঘৰ্ষ হয় । সংঘৰ্ষত দুটা উগ্ৰপন্থীৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে সেনাপক্ষৰ এজন লেন্স নায়ক গুৰুতৰভাৱে আহত হয়। তৃতীয়টো অভিযানত পাঁচজনীয়া ডগ্ৰপন্থী দল এটাৰ এজন সেনাৰ গুলীত নিহত আৰু দুজন কৰায়ত্ত হয় । বাকী দুজন পলাই সাৰে । দুয়োটা অভিযানৰ পৰা সেনাই এটা ষ্টেনগান, দুটা Ak47 আৰু ভালেমান বিস্ফোৰক সামগ্ৰী জব্দ কৰে ।**

তিনিচুকীয়া জিলাৰ অসম-অৰুণাচলৰ সীমামুৰীয়া চাহবাগিচা এখনৰ পৰিচালক জনৈক নাথক সশস্ত্ৰ সংগঠন এটাই ২৫ লাখ টকা দাবী কৰিছে । বিশেষ সূত্ৰে খবৰটো পাই বিক্ৰমে স্থানীয় আৰক্ষীৰ লগত যোগাযোগ কৰিলে । আৰক্ষীয়ে ঘটনাৰ সত্যতা স্বীকাৰ কৰি সেনাৰ সহায় বিচাৰিলে । বিক্ৰমে বাগিচাও পৰিচালকৰ বাসগৃহৰ লোকেশ্বন তথা সংশ্লিষ্ট আটাইখিনি পুংখানুপুংখকৈ জানি ললে । থানাৰ অ.চি.য়ে জনোৱা মতে দেওবাৰৰ সন্ধিয়া ৭ বজাত সংগঠনৰ দুজন সদস্যই মেনেজাৰৰ পৰা টকা নিবলৈ আহিব । বিক্ৰমে কেছটোৰ দায়িত্ব ললে । মাথো পথ প্ৰদৰ্শনৰ বাবে এজন আৰক্ষীৰ লোক বিচাৰিলে । অ.চি.মান্তি হল । ।

দেওবাৰে সন্ধিয়া পাঁচ বজাৰ লগে লগে লগত এজন আৰক্ষী লৈ দুখন টাটা চুম আৰু এখন ৪০৭ মিনি ট্ৰাকত সেনাৰ কনভয়টো লক্ষ্যস্থানলৈ বুলি আগবাঢ়িল । আগে আগে আকাশী ৰঙৰ টাট চুমখন মাজত বিক্ৰম বহি যোৱা বগা ৰঙৰ টাটা চুমখন । একেবাৰে শেষত ৪০৭ মিনি ট্ৰাকখন । বনাঞ্চল পাৰ হৈ দলটো পাহাৰীয়া অঞ্চলত প্ৰবেশ কৰিল । বিক্ৰমহঁত খুব সাৱধানে আগবাঢ়িল । এনেকুৱা পাহাৰীয়া ঠাইত অধিক সৰ্তকতাৰ প্ৰয়োজন । পাহাৰীয়া ঠাইত নিৰাপত্তাৰক্ষীৰ ওপৰত এম্বুছ কৰিবলৈ উগ্ৰপন্থীসকলে সুবিধা পায় ।

এই মূহূৰ্তত বিক্ৰমৰ পখীলৈ মনত পৰিল । তিনিবছৰ হ'ল তাই আনৰ হৈ যোৱাৰ । এতিয়ামানে চাগে তাই কেচুৱাৰ মাক হ'ল । বিক্ৰমৰ বৰ মন যায়, পখীৰ মৰমসনা মুখখন, শিৰৰ সেন্দুৰকণ, কোলাৰ কেচুৱাটোক এবাৰ চাবলৈ । এইদৰে উগ্ৰপন্থীৰ পাছে পাছে দৌৰি ফুৰোতে ক'ত, কেতিয়া জীৱন শেষ হয় ইয়াৰ কোনো নিশ্চয়তা নাই । মৃত্যুৰ আগতে পখীৰ মুখখন এবাৰ চাব পৰা হলে ! কথাযাৰ ভাবিলেই যান্ত্ৰণাত বুকুখনে হাঁহাকাৰ কৰি উঠে । তেতিয়া সি আবেগতে হাতৰ এছাল্ট কালাছনিকভ' ৰাইফলটো জোৰেৰে খামুচি ধৰে । ঠিক তাহানিতে পখীৰ দুহাত মৰমেৰে সাৱটি লোৱাৰ লেখীয়াকৈ

সমুখৰফালৰ পৰা আহি থকা বগা ৰঙৰ জীপচীখন হঠাত সোঁফালৰ সৰু পথটোৰেদি তীব্ৰ বেগত আঁতৰি গ'ল ।

ঃ ফল ডেম ।

বিক্রমে সন্মুখৰ টাটা চুমখনৰক নিৰ্দেশ দিলে। চাহাবৰ নিৰ্দেশ পাই চুমখনে জীপচীখনক অনুসৰণ কৰিলে । বাকী দলটো লক্ষ্যস্থান অভিমুখে আগবাঢ়িল । কিছু সময়ৰ পাছতে সিহঁতে মেনেজাৰৰ বাংলো পালে।

কিন্তু ই কি ? চোতালত বগা কাপোৰে ঢকা এটা মৃতদেহ । বাইশোদ্ধৰ এগৰাকী মহিলাই মৃতদেহ সাৱটি বুকুটকিয়াই কান্দিছে । বিক্রমৰ আৰু বুজিবলৈ বাকী নাথাকিল। তাৰমানে উগ্ৰপন্থী সকলে ইতিমধ্যেই মেনেজাৰৰ হৃদস্পন্দন স্তব্ধকৰি দিলে । কিন্তু কিয় ? সিহঁত দেখোন সাত বজাত দাবী কৰা ২৫ লাখ টকা নিববলৈ অহাৰ কথাহে আছিল । বিক্ৰমৰ বুজিবহলে দেৰী নালাগিল । হয়তো উগ্ৰপন্থী ভাবুকি নামানি বিষয়টো নিৰাপত্তাৰক্ষীক জনোৱাৰ বাবেই মেনেজাৰৰ ওপৰত সিহঁত খৰ্গহস্ত হ'ল । যাৰ পৰিণাম.......................।

মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই মূৰৰ টুপীটো খুলি বিক্রম মৃতদেহটোৰ কাষচাপি গ'ল । সমবেত ৰাইজে বাট এৰি দিলে । কেইগৰাকীমান মহিলাই কান্দি কান্দি মূছা যোৱা মহিলাগৰাকীক মৃতদেহৰ ভৰিৰ পথানৰ ফালে লৈ গ'ল । এগৰাকী বৃদ্ধাই মৃতকৰ বাওঁ ভৰিৰ বুঢ়াআঙুলিটোৰে মহিলা গৰাকীৰ শিৰৰ ৰঙা ফোটটো মচি দিলে । এই করুণ দৃশ্যটো বিক্রমে চাই থাকিব নোৱাৰিলে ।

মহিলাগৰাকীৰ ডিঙিত ওলমি থকা চেইনডালৰ লকেটটোত হঠাৎ চকু পৰাত বিক্রম চমকি উঠিল । এয়া কি দেখিছে ? তেতিয়াহে সি মহিলাগৰাকীৰ মুখখন লক্ষ্য কৰিলে । আকৌ এবাৰ ভালদৰে চাই বিক্রম নিশ্চিত হ'ল । তাৰ চকুৱে ভুল দেখা নাই । দুতোলা সোণেৰে গঢ়া লকেটটোৰ মাজত তেতিয়াও জিলিকি আছিল সোণাৰীৰ নিপোতল হাতেৰে খোদিত কৰা এটি শব্দ, এটি নাম - পখী। ছাত্ৰাৱস্থাতে লটাৰীত পোৱা দহ হাজাৰ টকাৰে বিক্রমে পখীক মৰমৰ প্ৰথম উপহাৰ ৰূপে দিছিল লকেটটো । বিক্রমৰ আৰু সহ্য নহ'ল।

ঃ ফল মি, কুইক।

বিক্রমৰ নিৰ্দেশত সিচঁৰিত হৈ থকা জোৱানবোৰ দৌৰি দৌৰি আহি গাড়ীত উঠা মাত্ৰকে তড়িৎ গতিত চুমখন আঁতৰি গ'ল । পাছে পাছে ৪০৭ মিনি ট্রাকখন । অফিচাৰে কি কৰিব খুজিছে জোৱানবোৰে একো ভূকে নাপালে ।

পখীয়ে প্ৰতাৰণা কৰিলেও বিক্ৰমে কেতিয়াও পখীৰ অহিত চিন্তাকৰিব নোৱাৰে । সি সদায়ে কামনা কৰে, পখী জীয়াই থাকক সুখ আৰু শান্তিৰ কোলাত । ভগৱানৰ ওচৰতো সি তাৰেই প্ৰাৰ্থনা কৰে । অথচ সেইজনী পখী আজি স্বামীহাৰা হ'ল । বিধৱা পখীয়ে হিয়া ঢাকুৰি কান্দিছে। স্বামীহীন সংসাৰত এগৰাকী বিধৱাৰ জীৱন অৰ্থ ও নিৰাপত্তা কিমান সেয়া সি ভালদৰেই বুজে । তাৰমানে পখীয়ে ওৰে জীৱন চকুলো টুকিব লাগিব ? পাৰিব জানো সি চাব ফাগুনৰ চৰণীয়া পথাৰৰ দৰে পখীৰ উদাং কপালখন । নাই, সি কেতিয়াও সহ্য কৰিব নোৱাৰে। যিবোৰে আজি পখীৰ এই অৱস্থা কৰিলে. সেইবোৰক সি কঠোৰত কৈ কঠোৰ শাস্তি দিব । এইখিনি কৰিবলৈ যাওঁতে যদি মৃত্যুও হয় হওঁক। তাৰ কোনো আক্ষেপ নাই । সি নিবিচাৰে পখীৰ দৰে আৰু অন্য কোনো নাৰীৰ অকালতে শিৰৰ সেন্দুৰ মচা যাওঁক । কোনোৱা পুত্ৰহাৰা ভাতৃহাৰা -পিতৃহাৰা হওঁক । স্বদেশ আৰু স্বজাতিৰ বাবে সিহঁতে তিলতিলকৈ জীৱন উছৰ্গা কৰিছে ।

অলপদূৰ গৈয়ে সিহঁতে প্ৰথমখন টাটা চুম লগ পালে । হাবিল দাৰজনে বিক্রমক জনালে -

ঃ চাহাব, হাম ওন লোগোকো বহুত দূৰ তক পিছা কিয়া । লেকিন ৰাস্তে মে গাড়ী ক' ছড়কৰ চবলোগ জংগল মে ঘুচ গড়া ।

বিক্রমৰ নিৰ্দেশত গাড়ী পুনৰ আগবাঢ়িল । ৰায়াৰলেছ ছেট যোগে বিক্রমে ঘটনাস্থলীলৈ অতিৰিক্ত ৰ্ফচ পঠাবলৈ কেম্প ইনচাৰ্জক জনাই দিলে । লগত যোৱা পুলিচজনক সুধি জানিব পাৰিলে ৩ কি.মি.আঁতৰত এখন ডাঠ বনাঞ্চল আছে । ইয়াতে উগ্ৰবাদীহঁতে লুকাই থাকিব পাৰে বুলি ঠাৱৰ কৰি বিক্রমহঁতৰ কনভয়টো ঠেক পাহাৰীয়া বাটেৰে আগুৱাই গ'ল ।

গুৰুম ! গুৰুম !

অগা পিছাকৈ হোৱা হঠাৎ দুটা লেণ্ডমাইন বিস্ফোৰণত বিক্রমৰ আগে পিছে আহি থকা সেনাভৰ্তি গাড়ী দুখন চুচুম হৈ গ'ল । লগে লগে ধাৰাসাৰ গুলীবৰ্ষন চলিল বিক্রমহঁতৰ ওপৰত । চেকেণ্ডৰ ব্যৱধানত বিক্রম সহিতে বাকীবোৰ জোৱানে গাড়ীৰ পৰা জপিয়াই নিজ নিজ পজিচন লৈ স্বয়ংক্ৰিয় ৰাইফললেৰে উগ্ৰপন্থীসকলক প্ৰত্যাহ্বান জনালে । কিন্তু পাহাৰৰ শিখৰৰ পৰা অহা জাক জাক গুলীৰ আঘাতত জোৱানবোৰ ক্ৰমাৎ অৱশ হৈ পৰিল । সাৰি নগল বিক্রমো । আৰশ্যে মৃত্যুৰ আগেয়ে বিক্রমহঁতৰ দলটোৱে ভালেকেইটা উগ্ৰবাদীক ধাৰাশায়ী কৰি গল । বাকীবোৰে পলাই পত্ৰং দিলে । অধিক আঘাতত বিক্রম সহিতে বাকীবোৰ জোৱান এজন এজনকৈ ঢলি পৰিল সেউজীয়া ঘাঁহনিৰ বুকুত ! মৃত্যুৰ শীতল কোলাত ! এই মৃত্যু মহান এই মৃত্যু অপৰাজেয় ☐☐